# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**


| | |
|---|---|
| Record No: 2006/109 | Language of work: Assamese |
| Author (s) / Editor (s): Jogesh Das. | |
| Title: অসম- সাহিত্য সভা- পত্ৰিকা | |
| Transliterated Title: Asama Saahaitaya Sabhaa Patakaikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1966 (1888 Sak) | Edition: |
| Size: 24 cms. 2+61+2+66+2+~~86~~ 42 + 42 pages | Genre: Magazine |
| Volumes: 24 - 4? issues (Four) | Condition of the original: Not bad. |
| Remarks: 1st vol. published in the year 1927. and has been contining | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

ডিম্বেশ্বৰ নেওগ সোঁৱৰণী সংখ্যা

# অসম সাহিত্য সভা পত্ৰিকা

চতুৰ্বিংশ বছৰ * ১৮৮৮ শক * চতুৰ্থ সংখ্যা



জন্ম মৃত্যু

## ॥ অসম সাহিত্য সভাৰ নতুন প্ৰকাশন ॥

অসমৰ জনজাতি—শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য। ১০'০০

অসমৰ জনজাতীয় সাধু—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী সম্পাদিত। ৬'০০

সাহিত্য-সমীক্ষা—ডঃ মহেশ্বৰ নেওগ আৰু শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা সম্পাদিত। ৬'০০

তত্ত্ব-কথা—লক্ষ্মীনাথ বেজবৰুৱা। শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সম্পাদিত। ৪'০০

নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ গল্প—শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা সম্পাদিত। ৪'০০

সীমান্তৰ শিক্ষা আৰু সাংস্কৃতিক নীতি—ডঃ মহেশ্বৰ নেওগ। ২'০০

Assamese for All or, Assameso self-taught—শ্ৰীমুকুন্দমাধৱ শৰ্ম্মা সম্পাদিত। ২'০০

অপকী অসমীয়া বা অসমীয়া স্বয়ং শিক্ষক (হিন্দী)—শ্ৰীমুকুন্দমাধৱ শৰ্ম্মা। শ্ৰীপৰেশচন্দ্ৰ দেৱ শৰ্ম্মা অনুদিত।

মুদ্ৰা ৰাক্ষস—কৱি বিশাখ দত্ত। শ্ৰীৰজনীকান্ত দেৱ শৰ্ম্মা অনুদিত। ৩'০০

কৰ্পূৰ মঞ্জৰী—কৱিৰাজ ৰাজশেখৰ। শ্ৰীমুকুন্দমাধৱ শৰ্ম্মা অনুদিত। ২'০০

জয়মতী আৰু মূলা গাভৰু—শ্ৰীলীলা গগৈ অনুদিত। ০'৬০

ৰূপকত্ৰয়ম্—(সংস্কৃত) কৱিচন্দ্ৰ, গোৰীকান্ত আৰু দীন দ্বিজ। ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা সম্পাদিত। ৪'০০

অসম সাহিত্য সভা বাৰ্ষিকী, (ঊনত্ৰিংশ সন্মিলন) ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ৩'০০

অশান্ত হিমালয় সীমান্ত আহ্বান। ০'৩০

ৰণ ঝঙ্কাৰ—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা। ০'২০

ৰণ নিদান—০ ২০

সাহিত্য দৰ্পণ—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী অনুদিত। ১২'০০

অৰুণোদইৰ ধলফাট—ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা সম্পাদিত। ২'৫০

বক্ষকান্ত বৰকাকতী—শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী সম্পাদিত। ১'২৫

Asamiya la Baroh (খাছী অসমীয়া)—Miss D. Franklin. ২'০০

Antangari Asamiya ko Skiari (গাৰো অসমীয়া) ২'০০

অসম সাহিত্য সভা বাৰ্ষিকী : ডিগবই—ডঃ মহেশ্বৰ নেওগ সম্পাদিত। ৩'০০

# অসম সাহিত্য সভা পত্ৰিকা

॥ চতুৰ্বিংশ বছৰ ॥ * :: ১৮৮৮ শক :: * ॥ চতুৰ্থ সংখ্যা ॥

অসম সাহিত্য সভা

ইং ১৯৬৬

সম্পাদক

যোগেশ দাস

## ॥ সূচী ॥


| | | | |
|---|---|---|---|
| ১। | নেওগৰ সোঁৱৰণত | — | শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা |
| ২। | নেতা-সাহিত্যিক ডিম্বেশ্বৰ নেওগ | — | শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা |
| ৩। | ডিম্বেশ্বৰ নেওগৰ শেষ ৰচনা | — | পঃ সঃ |
| ৪। | সম্পাদক নেওগ | — | শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা |
| ৫। | ডিম্বেশ্বৰ নেওগৰ সাহিত্যৰ বুৰঞ্জীৰ বৈশিষ্ট্য | — | শ্ৰীশশী শৰ্ম্মা |
| ৬। | ডিম্বেশ্বৰ দাদা | — | শ্ৰীডলী তালুকদাৰ |
| ৭। | সম্পাদকীয়— | | |

———

| | | | |
|---|---|---|---|
| ৮। | মনসা কাব্যত ধন্বন্তৰি বধ | — | শ্ৰীঅতুল চন্দ্ৰ বৰুৱা |
| ৯। | অসমীয়া সাহিত্যত ভাৰতীয় ঐক্যৰ ধাৰণা | — | শ্ৰীযোগেশ দাস |
| ১০। | কৰি-প্ৰকৃতি | — | শ্ৰীজীৱন চন্দ্ৰ শৰ্ম্মা |


—+—

# নেওগৰ সোঁৱৰণত


শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা
সভাপতি, অসম সাহিত্য সভা


বৰ্ত্তমান যুগৰ অসমীয়া সাহিত্যৰ অন্যতম একনিষ্ঠ সেৱক ওজা সাহিত্যিক ডিম্বেশ্বৰ নেওগৰ আকস্মিক অকাল মৃত্যুত অসমৰ অপূৰণীয় ক্ষতি হ'ল। তেখেত আগেয়ে অসুস্থ হোৱাৰ কথা শুনাই নাছিলোঁ। এইবাৰ হঠাতে তেখেত অসুস্থ হৈ পৰা কথাটো কোনেও নজনাটো অস্বাভাৱিক নহয়। মৃত্যুৰ বাস্তৱিক দুদিনমানৰ আগতেহে তেখেত অসুস্থ হৈ ডিব্ৰুগড়ৰ চিকিৎসালয়লৈ যোৱা কথা জানিবলৈ পোৱা হৈছিল, কিন্তু সঙ্কটাপন্ন অৱস্থাৰ কথা বহুতেই নাজানিছিল। তেখেতৰ মৃত্যু আকস্মিক। কলিত বোলে মানুহৰ পৰমায়ু তিনিকুৰি বছৰহে। সেই ফালৰ পৰ, তেখেতৰ মৃত্যু, অকাল মৃত্যু বুলিব নোৱাৰি। কিন্তু বয়সৰ লেখ বাদ দি আনফালৰ পৰা চালে, আমি তেখেতক নিশ্চয় অকালতে হেৰুৱালোঁ। তেখেতে কোনো সময়তেই নিজৰ বাৰ্দ্ধক্যৰ কথা অনুভৱ কৰা নাছিল। কোনো কামতে সেই ভাব আমিও উপলব্ধি কৰিব নোৱাৰিছিলোঁ। আজি কুৰি বছৰৰ আগত তেখেত যেনে ধৰণৰ কৰ্ম্মী আছিল, অসুস্থ হোৱাৰ আগলৈকে ঠিক তেনেই আছিল। তেখেতে নতুনকৈ, দীঘলীয়া সময়ত সমাধা কৰিবলগীয়া কাম হাতত লৈছিল বুলি কথা-বাৰ্ত্তাৰ পৰা বুজিব পৰা গৈছিল। অলপ দিনৰ পৰা গুৱাহাটীত তেখেতৰ লগত ভালেদিন অকলে খোজ কাঢ়ি ফুৰিবলৈ গৈছিলোঁ। সেই সুবিধাতে তেখেতৰ ভালেখিনি কথা জানিব পাৰিছিলোঁ। ১৯২১ চন মানৰ পৰাই তেখেতৰ লগত মোৰ আত্মীয়তা আছিল। তেখেতে মই বয়সে অলপ সৰু যদিও মোক বন্ধু ভাবেৰে মৰম কৰিছিল আৰু অনেক বিষয়ত আলোচনা উপদেশ আদিৰে সহায় কৰিছিল। মোৰ অন্তৰত থকা সামান্য সাহিত্য-সেৱাৰ ভাবটো প্ৰকাশ কৰাত যথেষ্ট উৎসাহ দিছিল। যিবিলাক বিষয়ত তেখেতৰ লগত মোৰ মন নিমিলে, সেইবিলাক আমি দুয়ো আলোচনাৰ বাহিৰত ৰাখিছিলোঁ।

কলেজলৈ অহাৰ আগতে তেখেতক মই দেখা নাছিলোঁ। তেখেতৰ সৰু কালৰ কথা, ঘৰৰ কথা আদি মোৰ সহকৰ্ম্মী শ্ৰীগঙ্গাধৰ বৰুৱাদেৱৰ মুখৰ পৰা শুনো। নেওগৰ গাওঁ কমাৰফদীয়া আৰু অৰ্জ্জুনৰগুৰি ওচৰা-ওচৰি, দিখৌ নৈৰ কাষত। বৰুৱা পঢ়াশলীয়া ছাত্ৰ হিচাপে নেওগৰ সমসাময়িক। বয়সত সৰু। অৰ্জ্জুনৰগুৰিত আপোন মানুহৰ ঘৰত থাকি বৰুৱাদেৱে শিৱসাগৰত নেওগদেৱৰ সৈতে একেটা স্কুলতে পঢ়িছিল। তেতিয়াৰ পৰা নেওগ পৰিশ্ৰমী কৰ্ম্মী, আড়ম্বৰহীন নিৰ্ভীক আৰু সাহিত্যসেৱী। ওচৰৰ প্ৰাথমিক পাঠশালাত তেখেতৰ নেতৃত্বত ছাত্ৰসভা হয়। সেই সভাত নেওগে বক্তৃতা দিয়ে, ৰচনা আৰু স্বৰচিত কৰিতা পাঠ কৰে। বৰুৱাদেৱ এই সভাবিলাকত উপস্থিত থাকে।

"কমাৰফদীয়া এই মোৰ সৰু গাওঁখনি
ব্ৰ াণ্ডৰ ক্ষুদ্ৰ তাঙ্গৰণ"

ব্ৰহ্মাণ্ডৰ এই ক্ষুদ্ৰ সংস্কৰণ, কমাৰফদীয়াতে থাকি বাল্য কালটো কটাই বৃহৎ পৃথিৱীৰ লগত চিনাকি হবলৈ নেওগে সুবিধা পাইছিল। শস্যে মৎস্যে অনুপম দিখৌ নৈৰ দাঁতিৰ এই কমাৰফদীয়া গাৱঁতে নেওগৰ কাব্য প্ৰতিভাৰ আৰম্ভণ। নেওগৰ সৰল অন্তৰৰ এই কৰিতা কাঁকি মই বৰ ভাল পাওঁ। এষাৰ কথাতে তেখেতৰ অন্তৰখনৰ কোমল ভাববোৰ যেন ওলাই পৰিছে।

নেওগক ১৯২২ চনত কটন কলেজত লগ পাওঁ। তেতিয়াৰ পৰা তেখেতৰ লগত ভালকৈ চিনাকি হওঁ

আৰু তেতিয়াৰ পৰাই আমাৰ ভিতৰত এটা আপোন ভাব আহি পৰে। ৺প্ৰাণ দিপ্ৰসাদ বৰুৱা, শ্ৰীযোগকান্ত বৰুৱা আদিও নেওগক কেন্দ্ৰৰূপে লৈ গঢ়ি উঠা সমাজ চক্ৰটোৰ ভিতৰত আছিল। কটন কলেজৰ হাতে-লিখা আলোচনী "জুলনি" "বঁহী" "মিলন" আদিৰ দুই-এটা প্ৰবন্ধ লিখিবলৈ উদগনি পাওঁ নেওগৰ পৰা। তেখেত ওপৰত নাম দিয়া আলোচনীকিখনৰ সাময়িক ভাবে সম্পাদক আছিল। তেখেতৰ পিছত "জুলনি" আৰু অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ "মিলন"ৰ সম্পাদকীয় বিষয় মোৰ ওপৰতো পৰে। সম্পাদনাত আৰু সাহিত্যৰ নানা বিষয়ত আমি সাধাৰণতে তেখেতকে অনুসৰণ কৰিছিলোঁ। নেওগৰ "ইন্দ্ৰধনু" আদি কবিতাৰ পুথি, "কাব্য প্ৰতিভা" "আকুল পথিক" আদি সঙ্কলন, "অসমীয়া সাহিত্যৰ বুৰঞ্জী" আদি অসমীয়া সাহিত্যৰ সম্পদবোৰ লিখিবলৈ আৰম্ভ কৰে তেখেত কলেজত থকাৰ দিনৰ পৰাই। অসমীয়া সাহিত্যৰ নৱন্যাস যুগৰ বেজবৰুৱা, গোহাঞিবৰুৱাকে আদি কৰি লিখক সকলে যিটো টিপাত অসমীয়া ভাষা-সাহিত্যৰ গঢ় দি সৰবৰহী কৰি থৈ গ'ল, সেই টিপাত ইয়াৰ উন্নতি সাধিলে নেওগ, শ্ৰীবেণুধৰ শৰ্ম্মা আদি উত্তৰাধিকাৰীসকলে। বৰ্ত্তমান অসমীয়া সাহিত্যৰ ৰূপ প্ৰায় সেইটোৱেই। অৱশ্যে কালৰ লগত সকলোৱে অলপ সাল-সলনি হোৱাটো স্বাভাৱিক।

কলেজৰ পৰা আহি নেওগে শিক্ষকতা আৰম্ভ কৰাৰ পৰাই ছাত্ৰসন্মিলনৰ অভিজ্ঞতাৰে "অসম সাহিত্য সভা"ৰ কাৰ্য্যত লাগিল। তেখেত অসম সাহিত্য সভাৰো সম্পাদক নিৰ্ব্বাচিত হৈ এবছৰ নানা বেমেজালিৰ মাজত কাম চলায়। এই অনুষ্ঠানৰ পৰা অনেক দিন আঁতৰি থকাৰ পিছত, গুণগ্ৰাহী ৰাইজে তেখেতক এই অনুষ্ঠানৰ সভাপতিৰ পদত অধিষ্ঠিত কৰে। তেখেতৰ লগতে উপ-সভাপতি হৈ থাকি, অনেক বছৰ এৰা-এৰি হৈ থকা লগটো পালোঁ আৰু সেই কাৰণে যথেষ্ট উপকৃত হলোঁ। তেখেতে বাৰ দৈ কাম নকৰাকৈ থাকিবলৈ বৰ বেয়া পায়। সভাপতি হৈ থাকি অসম সাহিত্য সভাৰ কাৰ্য্যাৱলীৰ প্ৰচাৰ আৰু প্ৰসাৰত বহুত কাম কৰিলে। সাহিত্যিক নেওগক আলোচনা কৰাৰ ঠাই ইয়াত নাই। উপযুক্ত সমালোচকে এই কাম সময়মতে হাতত ল'ব।

নেওগ যথেষ্ট পৰিশ্ৰমী, কৰ্ত্তব্যপৰায়ণ আৰু পোন-পটীয়া স্বভাৱৰ মানুহ আছিল। তেখেতে যোৰহাট নৰ্ম্মাল স্কুলৰ অধ্যক্ষৰ পদৰ পৰা অৱসৰ লয়। তাৰ আগতে অসমৰ কেবাখনো ঠাইত শিক্ষক, প্ৰধান শিক্ষক আদিৰ কাম কৰি শিক্ষাব্ৰতী হৈ পৰিছিল। যোৰহাট হাইস্কুলত কাম কৰোঁতে তেখেতে কমাৰকদীয়াৰ ঘৰৰ পৰা ভালেখিনি বস্তু চাইকেলত বান্ধি লৈ প্ৰায় সোমবাৰে পুৰা স্কুল পোৱাকৈ যোৰহাটলৈ আহে। মই তেতিয়া জাঞ্জী স্কুলত কাম কৰি মাছখোৱা গড়ৰ কাষৰ জাপগুৰি চাপৰিত ভালেখিনি ছাত্ৰৰ সৈতে ঘৰ লৈ আছিলোঁ। নেওগ মোৰ তাত সদায় সোমায়। বাটৰ পৰা কৈ আহে, "বৰুৱা, চাহ পানী পিঠাগুড়ি চিৰা সান্দহ কি আছে উলিয়াওক।" এইদৰে কৈ ধেমালি-ধুমুলা কৰি থুহটীয়া কথা কৈ ভাগৰ পেলাই আকৌ যায়গৈ। সেই সময়ত এতিয়াৰ দৰে বাছ আদিৰ সুবিধা নাছিল। এনে ফূৰ্ত্তিৰেই নেওগদেৱে তেখেতৰ সময় কটালে। তেখেতে দুই-চাৰিটা গীত ৰচনা কৰিছিল। জাঞ্জীত মোৰ লগতে মোৰ ভাই দুটা আছিল। সিহঁতে গান গাব পাৰে, নেওগে ৰচনা কৰা গান সিহঁতক তেখেতে গাই শুনাইছিল। তেখেতৰ কণ্ঠ কোৱাত অলপ অসুবিধা আছিল যদিও, যেনে তেনে গানৰ সুৰটো কৈ দিব পাৰিছিল। মোৰ মনত আছে— তেখেতে যথেষ্ট অসুবিধা সত্ত্বেও, কটন কলেজত পতা জন্মাষ্টমী তিথি "মাধৈ মালতী ফুল ছাদত শুকাল, হৰি নাম লওঁতেই ৰতি পুৱাল। ভকতক নামে নাতিলে ৰাম ৰাম" বুলি নাম লগাই দিছিল। ল'ৰাবিলাকক নিভাঁজ অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ বৰকৈ উদগনি দিছিল। এই বিষয়ত তেখেত ৺বেজবৰুৱা আৰু ৺চন্দ্ৰকুমাৰ আগৰৱালাৰ বিশেষ ভক্ত আছিল। কথাৰ মাজত এই দুজনৰ কথা প্ৰায় উল্লেখ কৰাটো স্বভাৱত পৰিণত হৈ পৰিছিল। সংস্কৃত সাহিত্যৰ প্ৰতিও তেখেতৰ অনুৰাগ বৰ বেছি। এদিন মোৰ আগত কৈছিল, "বৰুৱা, সংস্কৃততকৈ ভাষা আৰু কি হ'ব পাৰে, এতিয়া আমি ভাৰতীয় হৈ ইয়াক অৱজ্ঞা কৰিছোঁ, শিক্ষা-বিভাগে ইয়াত গুৰুত্ব নিদিয়াটো কেনে হৈছে, মই হলে বুজিব পৰা নাই।" নেওগৰ সাহিত্যসেৱী পত্নী, স্বনামধন্য সাহিত্যিক ৺বেণুধৰ ৰাজখোৱাৰ কণ্যা ৺আজলীতৰা নেওগৰ অকাল বিয়োগত তেখেতৰ জীৱনৰ গতি প্ৰায় সলনি হৈ গৈছিল। বহুত দিন একৰকম 'ফকিৰ'ৰ নিচিনা হৈয়ে পৰিছিল। গুৱাহাটীলৈ অৱসৰ লৈ আহি আকৌ ঘৰ-বাৰী আৰু সাহিত্যচৰ্চ্চা আদিত মন দিছিল। নেওগৰ কথা বেগেতে লিখি জনাব নোৱাৰি। সময়ৰ লগে লগে অনেক কথা ওলাই থাকিব।

এই সুযোগতে আমি আকৌ নেওগলৈ শ্ৰদ্ধাঞ্জলি জনাই পবিত্ৰ আত্মাৰ সদ্গতিৰ নিমিত্তে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।



---

# নেতা-সাহিত্যিক ডিম্বেশ্বৰ নেওগ

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা

১৮২১ শকৰ ২২ শাওণৰ দিনা শিৱসাগৰ জিলাৰ নগৰমহল মৌজাৰ কমাৰকদীয়া গাৱঁত ডিম্বেশ্বৰ নেওগে পৃথিৱীৰ প্ৰথম পোহৰ দেখে। তেওঁৰ পিতৃৰ নাম মাণিক চন্দ্ৰ নেওগ। শিশু নেওগ বৰ গহীন প্ৰকৃতিৰ আছিল কাৰণে তেওঁক কোনো কোনো লোকে সাগৰ বুলিহে মাতিছিল।

কমাৰকদীয়া নিম্ন প্ৰাথমিক বিদ্যালয়ত তেওঁৰ শিক্ষা জীৱনৰ আৰম্ভ আৰু সেই বিদ্যালয়ৰ পৰা ইং ১৯০৯ চনত বৃত্তি লাভ কৰি তেওঁ প্ৰাথমিক শিক্ষাৰ সামৰণি পেলায় আৰু ১৯১০ চনৰ জানুৱাৰীত শিৱসাগৰ উচ্চ বিদ্যালয়ত ভৰ্ত্তি হয়।

১৯১১ চনত ৰাজেন্দ্ৰনাথ বৰুৱা শিৱসাগৰ উচ্চ ইংৰাজী স্কুলৰ ইংৰাজী শিক্ষক নিযুক্ত হয়। নেওগৰ পঢ়া-শুনাৰ প্ৰতি ধাউতি দেখি বৰুৱাদেৱে কৈছিল, "ডিম্বেশ্বৰ নেওগ বৰ লোক হব।" শিক্ষাৰ এই ভৱিষ্যত বাণী নেওগৰ জীৱন দশাত আখৰে আখৰে ফলিয়ালে।

১৯১৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰবেশিকা পৰীক্ষাত তেওঁ শিৱসাগৰ স্কুলৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সেই চনতে কটন কলেজৰ বিজ্ঞান শ্ৰেণীত ভৰ্ত্তি হয়। ১৯২১ চনত তেওঁ আই-এছ-ছি পৰীক্ষা প্ৰথম বিভাগত উত্তীৰ্ণ হয়।

১৯২৪ চনত তেওঁ বি-এছ-চি পৰীক্ষাত কৃতকাৰ্য্য হয় আৰু তাৰ পাচত ১৯৩৭ চনত বি-টি আৰু ১৯৪০ চনত অসমীয়াত এম. এ ডিগ্ৰী লাভ কৰে।

১৯৩০ চনৰ ১১ ডিচেম্বৰত স্বনামধন্য সাহিত্যিক আৰু প্ৰশাসনীয় বিষয়া বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ কন্যা আজলীতৰা ৰাজখোৱাৰ লগত তেওঁৰ শুভবিবাহ সম্পন্ন হয়। বিবাহিত জীৱনৰ মাথোন ১৯ বছৰ পিছত শ্ৰীমতী নেওগে ১৯৪৯ চনৰ ১ ডিচেম্বৰত জীৱনৰ শেষ নিশ্বাস পেলায়। পৰিয়ালৰ অকাল আৰু আকস্মিক বিয়োগৰ ফলত নেওগ হতাশ হৈ পৰিছিল।

১৯২১ চনত চন্দ্ৰকুমাৰ আগৰৱালাৰ লগত তেওঁৰ সাক্ষাৎ হয় আৰু আগৰৱালাদেৱে নেওগদেৱক তেওঁৰ ব্যৱসায়ৰ সহযোগীৰূপে পাবলৈ ইচ্ছা কৰিছিল। স্বৰ্গীয় নেওগে তেওঁৰ "মোৰ জীৱন ৰহস্য" নামৰ প্ৰবন্ধত এই সম্পৰ্কে লিখিছে, "আনহে নালাগে প্ৰথম খোপনি লবৰ বাবে তেখেতে অসম প্ৰিণ্টাৰ্ছ এণ্ড পাবলিছাৰ্ছৰ তেখেতৰ অংশৰ পৰা দহ হাজাৰ টকাৰ অংশ মোৰ নামে দান ৰূপে লিখি দিবৰ দিহা কৰিছিল। কিন্তু আই-বোপাই কোনেও ভাল নাপালে আৰু মোক চৰকাৰী চাকৰি বিচাৰিবলৈ বাধ্য কৰিলে। আগৰৱালাই হতাশ হৈ মোক কলে 'তুমি চাকৰিৰ মানুহ নোহোৱা'। মই হাঁহি হাঁহি কলো—'তেন্তেনো মই কিহৰ মানুহ হম?' তেখেতে দৃঢ়-ভাৱে কলে 'চাকৰিৰ বাহিৰে তুমি যি কামতে হাত দিয়া, তাতে কৃতকাৰ্য্য হ'বা।'

আগৰৱালাৰ দ্বিতীয়টো ভৱিষ্যত বাণী ফলিয়াবৰ সুবিধা নহ'ল যদিও, প্ৰথমটো অচিৰে ফলিয়ালে। শিক্ষক হবৰ কোনো বাঞ্ছা মোৰ জ্ঞাতসাৰে নাছিল, কিন্তু অজ্ঞাত-সাৰে থকা কৰ্ম্ম বাসনাৰ বাবে হবলা মই শিক্ষক হলো। একুৰি বাৰ বছৰ কাল বিভিন্ন স্তৰত শিক্ষকতা কৰিলো; কিন্তু গোটেই মুহূৰ্ত্তবোৰৰ যোগফল ধৰিও একুৰি বাৰ ঘণ্টাও মোৰ ভালেৰে নগ'ল।"

নেওগদেৱে ধুবুৰীৰ পৰা লক্ষীমপুৰলৈ বিভিন্ন চৰকাৰী হাইস্কুলত বিভিন্ন স্তৰত শিক্ষকতা কৰিছিল। ইয়াৰ বাহি-ৰেও শ্বিলং আৰু যোৰহাটৰ কলেজত মাজতে অধ্যাপকৰ কামো কৰিছিল। তেওঁ নিজেই স্বীকাৰ কৰিছে যে তেওঁৰ চাকৰিৰ জীৱন বৰ তিক্ততাৰ জীৱন। কিন্তু শিক্ষাদান ক্ষেত্ৰত নেওগদেৱ আছিল এজনা কৃতী শিক্ষক। তেওঁৰ পুৰণি ছাত্ৰসকলৰ মতে স্বৰ্গীয় নেওগৰ শিক্ষাদান পদ্ধতি আছিল অপূৰ্ব্ব। কোনো কোনো পুৰণি ছাত্ৰই আজি-কালিও মন্তব্য কৰা শুনা যায়, "নেওগৰ নিচিনা শিক্ষক আজি-কালি ঔষধত বতি দিবলৈকো পোৱা টান।"

শিক্ষকতাৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত নেওগদেৱে গুৱাহাটীৰ দিচপুৰত নতুনকৈ ঘৰ-দুৱাৰ সাজি তাত থাকি-বলৈ লয় আৰু তেওঁৰ গ্ৰন্থসমূহৰ পুনৰ্মুদ্ৰণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰে।

১৯২১ চনৰ পৰা ১৯২৪ চনৰ ভিতৰত তেওঁ অসম ছাত্ৰ সন্মিলনৰ প্ৰধান সম্পাদকৰ দায়িত্বত আছিল। সন্মিলনৰ মুখপত্ৰ প্ৰথমতে "জন্মভূমি" আৰু পিছলৈ "মিলন" কাকতৰো তেওঁ সম্পাদনা কৰিছিল।

১৯৪৪-৪৭ চনৰ ভিতৰত তেওঁ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ পদত থাকি এই জাতীয় অনুষ্ঠানটিৰ নেতৃত্ব কৰিছিল। তেওঁ "মোৰ জীৱন ৰহস্যত" লিখিছে: "অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হৈ ডুমডুমাৰ পৰা ধুবুৰীলৈ ঘূৰি নতুন এশজন আজীৱন সভ্যৰ ৰৰঙণি দহ হাজাৰ টকাৰে অসম সাহিত্য সভাৰ অক্ষয় পুঁজি থাপনা কৰো।" তেওঁ অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ অক্ষয় পুঁজি স্থাপন কৰা প্ৰথম সম্পাদক। অসম সাহিত্য সভা পত্ৰিকাৰো তেওঁ কেইবাবছৰো সম্পাদক আছিল।

অসমীয়া সাহিত্যৰ এই একনিষ্ঠ সেৱকজনক ১৯৬৫ চনত সাহিত্য সভাৰ নলবাৰী অধিবেশনত সভাপতিৰ আসনত বহুৱাই যথাযোগ্য সন্মান প্ৰদৰ্শন কৰা হয়। সভাপতি নেওগদেৱে বলিষ্ঠ কণ্ঠেৰে সভাপতিৰ আসনৰ পৰা কোৱা এষাৰ কথা আজিও অসমবাসীৰ কাণত ৰিণিকি ৰিণিকি প্ৰতিধ্বনিত হৈছে—"মৰে অসম, জীয়ে কোন? জীয়ে অসম মৰে কোন? এয়ে আজি অসমীয়া জাতিৰ নতুন জীৱনৰ বিজয় হুঙ্কাৰ। অসমী জীয়াই থাকিব লাগিব; আৰু অসমীৰ বুকুৰ কুটুম কোনো মৰিব নোৱাৰিব: এয়ে আমাৰ জাতীয় পণ।"

স্বৰ্গীয় নেওগে প্ৰায় আধা শতাব্দী কাল অবিৰাম ভাৱে অসমীয়া সাহিত্যৰ বিকাশ আৰু সম্প্ৰসাৰণৰ কাৰণে সংগ্ৰাম কৰিছিল। ১৯১৪ চন তেওঁৰ সাহিত্য সেৱাৰ প্ৰথম খুঁটি বুলি তেওঁ স্বীকাৰ কৰিছে। সেই বছৰৰ শিৱসাগৰ বিমলালয়ৰ অধিবেশনত তেওঁ "আভাস" নামৰ কবিতা এটি পাঠ কৰে। এই কবিতাটিয়েই তেওঁৰ সাহিত্য সেৱাৰ চিন।

১৯২১ চনত তেওঁৰ প্ৰথম কবিতাৰ পুথি "মালিকা" প্ৰকাশ পায়। সহপাঠী মণিৰামৰ মৃত্যুত গভীৰ শোক পাই কবি নেওগে মালিকা নামৰ দীঘলীয়া কবিতাটি ৰচনা কৰে আৰু স্বৰ্গীয় শুকদেৱ গোস্বামীয়ে কবিতাটি নিউপ্ৰেছত ছপাই কবিক কাব্য চৰ্চ্চাত অনুপ্ৰেৰণা যোগায়। মালিকাত পোৱা কবি নেওগৰ সাহিত্য প্ৰতিভাৰ আভাস পৰৱৰ্ত্তী গ্ৰন্থসমূহৰ মাজেৰে বিকাশ লাভ কৰে।

## শ্বহিদান

কৰাবাতৰ ৰূপত ৰচিত শ্বহিদান কাব্য ১৮৭৩ শকত প্ৰথম গ্ৰন্থ আকাৰে প্ৰকাশিত হয়। এই কাব্য সম্পৰ্কে কোৱা হৈছে, "মৰুৰ নিজৰা (শ্বহিদে কাৰবালা) ১৮৫৩ শকত ৰাঁহীত আৰু ১৮৬২ শকত পুথিৰূপে প্ৰকাশিত হয়।" ৰচকে আগ কথাত উল্লেখ কৰিছে "হাছান হোছেনৰ স্বৰ্গীয় ক্ষমা, ত্যাগ আৰু মহত্বৰ আদৰ্শ চিৰকাল জগজ্জনৰ পৰশমণি হৈ থাকিব। কাছেম-ছখিনাৰ তৰুণ প্ৰেমৰ নৱীনতা, মধুৰতা আৰু উদাৰতা গুৰু দ্বিতীয়াৰ জোনটিৰ দৰেই জগতৰ আদৰণীয় হৈ থাকিব। সৰহ কি, যি পূৰ্বাদেশ আৰু কপাল লৈ এজিদ, চীমাৰ, জায়েদা, মায়মুনা আদিয়েও জন্ম পাইছিল, তাৰ বাবে তেওঁলোকো লোকৰ ঘৃণাৰ পাত্ৰ নহৈ চিৰকাল পুতৌ আৰু দয়াভাজনহে হব।"

শ্বহিদান কাব্যত পাচটা দীঘলীয়া কবিতা সন্নিৱিষ্ট কৰা হৈছে। কবিতাবোৰ ক্ৰমে—মৰুৰ নিজৰা, সৌন্দৰ্য্য, সাধক, প্ৰথম প্ৰয়াস, ৰাঁহীৰ অমিয়া আৰু ওমৰ দৰ্শন।

"সৌন্দৰ্য্য সাধক (খিৰি ফৰ্হাদ) ১৮৬৩ শকত জেউতিত আৰু ১৮৬৪ আৰু ১৮৬৬ শকত দুবাৰ পুথিৰ আকাৰত ওলায়। কোনো ধৰ্ম্মই জন্মান্তৰবাদ মানক নামানক, খিৰি ফৰ্হাদৰ অনুপম প্ৰেমত পূৰ্বাদেশ স্বীকাৰ নকৰি নোৱাৰিব।"

"প্ৰথম প্ৰয়াস (ছোৰাব-ৰুস্তম) ১৮৪৬ শকত সাধনাত, ১৮৫২ শকত ইন্দ্ৰধনুত আৰু ১৮৬৪ শকত পুথিৰ গঢ়ত ওলায়। নিয়তিৰ নিষ্ঠুৰ নীতিত ছোৰাবৰ অভিনৱ অভিযান টোপাতে মৰহিবৰ বাবেই পিতা-পুত্ৰৰ ৰণ লাগে।"



"ৰাঁহীৰ অমিয়া (লয়লা-মজনু) ১৮৭০ শকত ৰচিত। পোনৰ দেখা-দেখিত ওপজা প্ৰেমৰ গভীৰতা, অদৃষ্টৰ পৰিহাস আদিৰ জলন্ত নিদৰ্শন।"

"ওমৰ দৰ্শন ১৮৫১ শকৰ মিলনত আৰু তীৰ্থজল ১৮৫১ শকৰ ৰাঁহীত ওলায়।"

এসময়ৰ অসমৰ ৰাজহ বিভাগৰ মন্ত্ৰী খান বাহাদুৰ চয়িদুৰ ৰহমান চাহাবে এই গ্ৰন্থখন সম্পৰ্কে ভূমিকাত মন্তব্য কৰিছে, "বৰ্ত্তমান কাব্য শ্বহীদে কাৰবালাৰ বিশেষত্ব কেইবাটাও। দূৰ অতীতৰ হাছান-হোছেনৰ কাহিনীয়ে মুছলিম সম্প্ৰদায়ৰ বাহিৰেও গোটেই বিশ্ববাসীৰ চকুপানী উলিয়াইছে। সেই কাহিনীৰ নানান সৰু সৰু হৃদয়বিদাৰক ঘটনা অৱলম্বন কৰি নেওগদেৱে এই আখ্যায়িকা ৰচনা কৰিছে। এই কাব্যৰ ভাষা বৰ্ত্তমান যুগৰ অসমীয়া; কিন্তু কৰিয়ে মুছলিম সমাজৰ হাড়ে-মগজুৱে গঁথা সুপ্ৰসিদ্ধ নায়ক-নায়িকাৰ নাম আৰু সেই সমাজত প্ৰচলিত সাধাৰণ শব্দাৱলী সমাবেশ কৰাৰ কাৰণে ঘটনাৱলীৰ বৰ্ণনা মৰ্ম্ম-স্পৰ্শী হৈ পৰিছে। মূল ঘটনাৰ কৰুণ ৰস অসমীয়া কৰিয়ে মাতৃভাষাৰ মাজেদি বোৱাব পাৰিছে। সেই কাৰণে নেওগদেৱ গোটেই অসমীয়া কাব্যপ্ৰিয় সমা-জৰ প্ৰশংসাৰ পাত্ৰ।

"মুছলমানসকলে সোৱাদ পোৱা গ্ৰন্থ অসমীয়া ভাষাত সৰহ নাই বুলি কলেও অত্যুক্তি কৰা নহয়। এই জনশিক্ষা প্ৰচাৰৰ যুগত তেনে কিতাপৰ অভাব আমি বৰকৈ অনুভৱ কৰি আহিছো। নেওগৰ শ্বহিদে কাৰবালা কাব্যই এই অভাৱ কিছু পৰিমাণে পূৰণ কৰিব বুলি আমি আশা কৰিলো।"

শ্বহিদান কাব্য নেওগদেৱৰ কাব্য কুশলতাৰ অন্যতম মাইলৰ খুটি।

## শুধ অসমীয়া

১৮৭৫ শকৰ ভাদ মাহত নেওগদেৱৰ ৰচিত "শুধ অসমীয়া" নামৰ গ্ৰন্থখনি প্ৰথম প্ৰকাশিত হয়। এই গ্ৰন্থৰ প্ৰতিপাদ্য বিষয় "অসমীয়া ব্যাকৰণৰ স্বতন্ত্ৰতা; আখৰ জোটনিৰ বৈশিষ্ট্য; সন্ধি সমাস আদিত সম্পূৰ্ণ

শতিকাৰে পৰা অসমীয়া ভাষাৰ স্বাধীনতা; অসমীয়া উচ্চাৰণৰ বিশেষত্ব; চলিত অভিধান-ব্যাকৰণৰ আলোৱাহৰ আলোচনা; অসমীয়া তদ্ধিৎ, কৃৎ আৰু স্ত্ৰী প্ৰত্যয়; একাৰ্থক, সদৃশাৰ্থক বিপৰীতাৰ্থক শব্দমালা, অসমীয়া শব্দ বিভাগ, শব্দ গঠন, শব্দ যোজনা, জতুৱা ঠাঁচ আৰু ভুল শুধৰণী।"

এই গ্ৰন্থই অসমীয়া ব্যাকৰণৰ ওপৰত নেওগদেৱৰ আধিপত্যৰ পৰিচয় দাঙি ধৰিছে। ভাষাৰ বিশুদ্ধতাৰ প্ৰতি নেওগে সততে দৃষ্টি ৰাখিছিল। তেওঁ বিশ্বাস কৰিছিল যে বিশুদ্ধ ভাষা ভাবাৰূকৰ কাণ্ড। কাণ্ড নিৰোগী নহলে বহিঃপ্ৰভাৱৰ হেচাত ভাষা জননী বৰ্ত্তি থাকিব নোৱাৰে আৰু জাতীয় সাহিত্যও সুস্থ-সবল হব নোৱাৰে। ভাষাৰ বিশুদ্ধতা বলিষ্ঠ সাহিত্যৰ ভেটি।

### বিচিত্ৰা

নেওগদেৱৰ আন এখনি কবিতাৰ গ্ৰন্থ "বিচিত্ৰা।" ই ৫০০ শকৰাব্দত প্ৰথম প্ৰকাশিত হয়। ডক্টৰ সুনীতি কুমাৰ চেটাৰ্জ্জীয়ে এই গ্ৰন্থৰ পাতনি লিখিছে আৰু নেওগৰ বহুমুখী প্ৰতিভাৰ প্ৰশংসা কৰিছে। তেওঁ কৈছে, "যোৰহাটৰ ডিম্বেশ্বৰ নেওগ এজনা অসম বিখ্যাত পণ্ডিত। তেওঁ বিজ্ঞানৰ ছাত্ৰ অথচ কবি, শিক্ষাবিদ আৰু তেওঁৰ প্ৰদেশৰ ভাষা আৰু সংস্কৃতিৰ বুৰঞ্জী প্ৰণেতা। তেওঁ সকলো জ্ঞানৰ ভাণ্ডাৰ।"

"বিচিত্ৰা" উনচল্লিশটা কবিতাৰ অনুপম সমাহাৰ। এই কবিতাবোৰ তেওঁ বিভিন্ন সময়ত বিভিন্ন ঠাইত ৰচনা কৰিছে বুলি জনা যায়। সকলোগিনি কবিতাই ইতিপূৰ্ব্বে "বাঁহী" আদি আলোচনীত প্ৰকাশিত হৈছিল। কবিতাবোৰ বিভিন্ন সুৰৰ। ইবোৰক প্ৰধানকৈ প্ৰণয়, ৰগৰ, উপহাৰ, অঞ্জলি, উচ্ছ্ব, প্ৰকৃতি, যৌৱন, জীৱন, ন-যুগ, সাধনা, বিৰহ, আবেগ আৰু মাধুৰীসূচক সুৰত প্ৰতিষ্ঠাপিত কৰিব পাৰি, "বিচিত্ৰা"ৰ কবিতাবোৰ নেওগৰ কবি-কৃতীৰ আন এটি মাইলৰ খুটি।

### অসমা

১৯৪৭ চনত নেওগদেৱৰ "অসমা" নামৰ কবিতাৰ গ্ৰন্থই প্ৰথম প্ৰথম পোহৰৰ মুখ দেখে। ইয়াত মুঠতে বাৰটা কবিতা সন্নিবিষ্ট কৰা হৈছে। কবিতাবোৰ ক্ৰমে— আগন্তুক, নৱযুগ, শক্তি-আবাহন, মিলন-যজ্ঞ, বিশ্ব-বাণী, বুৰঞ্জী লেখক, শাপমুক্তা, শেষ-গায়ক, ৰবদোৱা, শেষ-প্ৰয়াস, আত্ম-দান আৰু মাতৃ-স্বৰ্গ। কবিতাবোৰ গ্ৰন্থৰ আকাৰত উলিওৱাৰ আগেয়ে বিভিন্ন সময়ত বাঁহী, মিলন, সাধনা, জন্মভূমি আৰু অসম সাহিত্য সভা পত্ৰিকাত প্ৰকাশ পাইছিল।

কলিকতা বিশ্ববিদ্যালয়ৰ পুৰণি ভাৰতীয় ইতিহাস, সংস্কৃত আৰু পালি সাহিত্যৰ অধ্যাপক, ত্ৰিপিটকাচাৰ্য্য ডক্টৰ বেণীমাধৱ বৰুৱাদেৱে গ্ৰন্থ আৰু কবিৰ এটি সম্যক পৰিচয় দিছে।

স্বৰ্গীয় নেওগৰ লগত প্ৰথম সাক্ষাতৰ কথা উল্লেখ কৰি বৰুৱাদেৱে লিখিছে, "তেওঁ অসমৰ উদীয়মান জনগণৰ শিক্ষক, নায়ক আৰু বিনায়ক। তাৰ পাছত মই জানিব পাৰিলোঁ, নেওগ ডাঙৰীয়া অকল শিক্ষকেই নহয়; তেওঁ একেধাৰে অসমীয়াৰ বৰ কবি, ভাষাবিদ, পণ্ডিত, সাহিত্যিক আৰু সাহিত্যৰ এক যশস্বী বুৰঞ্জী লেখক।"

নেওগৰ কবিতাৰ বিশেষত্ব প্ৰশংসা কৰি বৰুৱাদেৱে কৈছে, "নেওগ ডাঙৰীয়া শুদা কবি নহয়; তেওঁ কবি-গায়ক, কবি-বৰাগী। কিন্তু তেওঁৰ হাতত তানপুৰা নাই, ৰবীন্দ্ৰ নাথৰ বৰাগী-বাউলৰ একতাৰা নাই, কৃষ্ণৰ বাঁহী নাই, শিৱৰ শিঙা আৰু ডম্বৰু নাই; তেওঁৰ হাতত আছে বৈদিক ঋষি আৰু স্বৰ্গৰ গায়ক পঞ্চশিখৰ বীণা, ভগৱদ-গীতাৰ পাঞ্চজন্য শঙ্খ, বিজয় শঙ্খ।"

"অসমা"ৰ ছন্দ-ৰীতি আৰু শব্দালঙ্কাৰৰ প্ৰশংসা কৰি বৰুৱাদেৱে উল্লেখ কৰিছে, "তেওঁৰ ছন্দবোৰত আছে বহু নতুনত্ব। তেওঁৰ শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰবোৰ দোষমুক্ত আৰু নিৰ্ভুল। শব্দৰ যোজনা আৰু অৰ্থৰ ব্যঞ্জনা অতি সুন্দৰ। তেওঁৰ ৰচনাত কষ্ট কল্পনা নাই। মোৰ মনত লাগিছে ছন্দ, সুৰ আৰু পদ-বন্ধবিলাকৰ সাৱলীল গতি। তেওঁক আধুনিক অসমীয়া কবিৰ ভিতৰত শ্ৰেষ্ঠ আসন দিব পাৰোঁ।"

"অসমা"ত সন্নিবিষ্ট সৰহ ভাগ কবিতাৰ অন্তৰালেদি দেশ-প্ৰেমৰ ফল্গুধাৰা প্ৰবাহিত হৈছে। "অসমা"ত ইতিহাস আৰু কবিতাৰ অপূৰ্ব্ব সমন্বয় সাধিত হৈছে। বৰুৱাদেৱে কৈছে, "অধ্যাপক সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই জীৱন ব্যাপী একনিষ্ঠ সাধনাৰে অসমৰ বুৰঞ্জীসমুদ্ৰ মথি আমাৰলৈ যি অমৃত তুলিলে সি সাৰ্থক হৈছে নেওগ কবিৰ অতুলনীয় লেখনীত।"

### অসমীয়া সাহিত্যৰ বুৰঞ্জী

কঠোৰ পৰিশ্ৰম আৰু সাধনাৰ মাজেদি নেওগে অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনা কৰি উলিয়ায়। ১৯২১-২২ চন মানৰে পৰা তেওঁ সাহিত্যৰ বুৰঞ্জীৰ কাৰণে সমল গোটায়।

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ প্ৰথম আভাস "অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি" নামৰ ৰচনাখনি ১৯২৫-২৬ চন মানত অসম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ "মিলন" কাকতৰ চতুৰ্থ বছৰৰ প্ৰথম তিনি সংখ্যাত প্ৰবন্ধৰূপে প্ৰকাশ পায় আৰু তাৰ বাবে তেওঁ কৃষ্ণপ্ৰসাদ সোঁৱৰণী বঁটা লাভ কৰে।

১৯৫৭ চনত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ চতুৰ্থ তাঙৰণ প্ৰকাশিত হয়। খৃষ্টাব্দ ৬০০ ৰ পৰা বৰ্ত্তমান সময়লৈ প্ৰয়োজনীয় সকলো কথাকে অসমীয়া সাহিত্যৰ বুৰঞ্জীত সন্নিবিষ্ট কৰা হৈছে। দেবেন্দ্ৰনাথ বেজবৰুৱাৰ পিছত প্ৰকৃতপক্ষে নেওগদেৱে বিস্তৃতভাৱে অসমীয়া সাহিত্যৰ বুৰঞ্জী লিখাৰ আদৰ্শ দাঙি ধৰে। আন সাহিত্যৰ বুৰঞ্জীৰ লগত নেওগে দাঙি ধৰা সিদ্ধান্তবোৰৰ কোনো কোনো ক্ষেত্ৰত বৈপৰীত্য দেখা যায়। এয়ে অসমীয়া সাহিত্যৰ চিন্তাশীল ব্যক্তিসকলক এসময়ত বিমোৰত পেলোৱা দেখা গৈছিল। ডক্টৰ কাকতীৰ "অসমীয়া ভাষা: ইয়াৰ গঠন আৰু বিৱৰ্ত্তন" গ্ৰন্থ সম্পৰ্কেও নেওগে তেওঁৰ সাহিত্যৰ বুৰঞ্জীৰ আগকথাত কেতবোৰ নতুন কথাৰ সম্ভেদ দিছে।

অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ কাৰণে সমল গোটাওঁতে তেওঁৰ হাতত আধুনিক অসমীয়া কাব্য-প্ৰতিভা, আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী, অসমীয়া কথা-প্ৰতিভা আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি আদি সাহিত্যৰ বুৰঞ্জীবিষয়ক তথ্য সম্বলিত গ্ৰন্থৰ সৃষ্টি হয়। এই সকলোবোৰ গ্ৰন্থ ৰচনা কৰোঁতে তেওঁ যি অপূৰ্ব্ব ধৈৰ্য্যৰ পৰিচয় দিছে সেই কথা ভাবিলে বিস্ময় মানিব লাগে। অসমীয়া সাহিত্যৰ বুৰঞ্জী তেওঁৰ গবেষণা প্ৰীতিৰ অপূৰ্ব্ব নিদৰ্শন।

### অসমীয়া সাহিত্যৰ বুৰঞ্জীত নতুন আলোক

নেওগৰ যুগজয়ী কীৰ্ত্তি "অসমীয়া সাহিত্যৰ বুৰঞ্জীত নতুন আলোক" ১৯৬২ চনত প্ৰকাশিত হয়। এই গ্ৰন্থই তেওঁক এগৰাকী বিচক্ষণ পণ্ডিত আৰু গবেষক হিচাপে প্ৰতিষ্ঠাপিত কৰিছে। অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ সকলো দিশকে ইয়াত খুটি-নাটি মাৰি বৈজ্ঞানিক দৃষ্টি-ভঙ্গীৰে আলোচনা কৰা হৈছে। এই গ্ৰন্থখনি ইংৰাজী মাধ্যমত প্ৰণীত হৈছে। ইয়াৰ ফলত অনা-অসমীয়া লোকে অসমীয়া সাহিত্যৰ সোৱাদ বুজিবলৈ সুচল হৈছে। এই গ্ৰন্থখনি তেওঁৰ পূৰ্ব্বে অসমীয়া ভাষাত প্ৰকাশিত অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ সমান্তৰাল গ্ৰন্থ।

বিভিন্ন ব্যক্তিয়ে গ্ৰন্থখনিৰ ভূয়সী প্ৰশংসা কৰিছে। মাদ্ৰাজৰ ভূতপূৰ্ব্ব ৰাজ্যপাল শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াই গ্ৰন্থৰ এটি পৰিচয় দাঙি ধৰিছে। ডক্টৰ সুনীতিকুমাৰ চেটাৰ্জ্জীয়ে গ্ৰন্থৰ পাতনি লিখিছে। পেৰিছৰ ডক্টৰ জুলচ ব্লকে আগকথা আৰু ডক্টৰ বেণীমাধৱ বৰুৱাই গ্ৰন্থকাৰৰ চমু জীৱন-বুৰঞ্জী লিখিছে। ইয়াৰ বাহিৰেও গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ডক্টৰ সূৰ্য্য-কুমাৰ ভূঞা ডাঙৰীয়াৰ গ্ৰন্থ সম্পৰ্কে কৰা অভিমতো গ্ৰন্থত সন্নিবিষ্ট কৰা হৈছে। ভূঞা ডাঙৰীয়াই কৈছে "এই গ্ৰন্থ প্ৰাচীন কালৰে পৰা বৰ্ত্তমান সময়লৈ

অসমীয়া সাহিত্যৰ ক্ৰমোন্নতিৰ বিস্তৃত তথ্যেৰে সমৃদ্ধ। ই গ্ৰন্থকৰ্ত্তাৰ জীৱনজোৰা সাধনাৰ প্ৰতীক। তেওঁৰ সাধনাৰ ফল ইতিমধ্যে আন কেইবাখনো অসমীয়া গ্ৰন্থত লিপি-বদ্ধ হৈছে।"

### থাপনা

"থাপনা" কবিতাৰ পুথি ১৮৭০ শকত প্ৰথম প্ৰকাশিত হয়। ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাদেৱৰ উদগনিত এই কবিতাৰ পুথিখনিয়ে পোহৰৰ মুখ দেখিবলৈ পায়। কণ কণ ল'ৰা-ছোৱালীৰ উপযোগীকৈ এই কবিতাৰ পুথি খনি ৰচনা কৰা হৈছে বুলি কোৱা হৈছে

কবি নেওগদেৱে নিবেদন শিতানত উল্লেখ কৰিছে, "সৰু সৰু ল'ৰা-ছোৱালীক ভক্তি, দেশপ্ৰেম, সমাজ হিত-ব্ৰত আদিৰ উদ্দীপনা দিব পৰাকৈ এই কবিতা কেইটি ১৯২২-২৭ খৃষ্টাব্দৰ ভিতৰত লিখা হৈছিল। ইয়াৰে স্বদেশ কবিতাটি জন্মভূমি কাকতত, থাপনা আৰু আইতা কবিতা দুটি অৰুণত আৰু আত্ম-প্ৰসাৰ, মঙ্গল যাত্ৰা আৰু যাত্ৰী কবিতা কেইটি পুৰণি বাঁহী কাকতত ৰচনা কৰাৰ পাছে পাছে ওলাই গৈছিল।"

"থাপনা"'ত সন্নিবিষ্ট কবিতাবোৰ ক্ৰমে— থাপনা, স্বদেশ, আইতা, আত্ম প্ৰসাৰ, মঙ্গল যাত্ৰা আৰু যাত্ৰী। এই কবিতাবোৰ বিভিন্ন ভাব আৰু অনুভূতিৰে সিক্ত হৈ উঠিছে। থাপনাত ভক্তি, স্বদেশত দেশানুৰাগ, আৰু আইতা সমাজ হিতৈষণাৰ ভাবেৰে অনুৰণিত। ইয়াৰ বাহিৰেও আত্ম প্ৰসাৰত সোঽহং, মঙ্গল-যাত্ৰাত সত্যম্ শিৱম আৰু যাত্ৰীত ভূমৈৱ সুখম্, বসুধৈৱ কুটুম্বকম্ আৰু ৰসো বৈ সঃ ভাবৰ ছিটিকনি পৰিছে।

বৰ্ত্তমানৰ যুগ বস্তুবাদৰ যুগ। বস্তুবাদী যুগত মানুহ ধনৰ দাস। মানুহে ধনকে পূজা কৰে, ধনকে সকলো বুলি ভাবে। ১৯২৩ চন মানতে ৰচিত যাত্ৰী কবিতাৰ শেষ স্তৱকত তেওঁ ভৱিষ্যত বক্তাৰ দৰে ব্যক্তি আৰু সমাজ-জীৱনত ধনৰ প্ৰভাৱৰ স্পষ্ট আভাস এটি দাঙি ধৰিছে।

"ধনকে পাতিছা ধৰ্ম্ম অৱতাৰ,
ধনেই গুৰুৰো গুৰু;
ধনেৰেই ছুঁথি নৱ-তুলসীক
পাতিছা ডাঙৰ সৰু!
ধন ধন কৰি ধনকে ঘটিছা
পৰম যতন কৰি;
ধনকে চিনিছা মানুহ নিচিনা?
ধন হ'ল কাল বৈৰী।
পৰমাৰ্থ জ্ঞান হেৰুৱাই আৰু'
অধনক বুলিছা ধন;
ই ধনে নাশিব ইকাল সিকাল,
ভালকৈ কৰিবা মন।"

আধ্যাত্মিক ভাবৰ আঁচোৰ পৰাত কবিতাবোৰে এটা বিশিষ্ট সুৰলৈ গতি কৰিছে। কলেবৰত সৰু হলেও গুণত থাপনাৰ এটা বিশিষ্ট মূল্য আছে। কবিতাবোৰ মন দি পঢ়িলেই এই কথা সহজে উপলব্ধি কৰিব পাৰি।

### গাৱেঁ-নগৰে

নেওগদেৱৰ উপন্যাস সংখ্যাত মাথোন এখন আৰু সেয়ে হ'ল "গাৱেঁ-নগৰে।" ১৯৬০ চনৰ এটি শুভ মুহূৰ্ত্তত তেওঁৰ "গাৱেঁ-নগৰে" প্ৰথম ছপা হৈ ওলায়। ই এখনি সামাজিক উপন্যাস। "গাৱেঁ-নগৰে" উপন্যাসৰ মূল বক্তব্যৰ বিষয়ে নেওগদেৱে আগকথাত ইঙ্গিত দিছে, "অসমৰ সমাজ-বীণৰ সেই প্ৰথম সংঘাতৰ পৰা এতিয়াৰ অমিল অজীণ সুৰলৈকে গাৱেঁ-নগৰে প্ৰতিধ্বনিত হৈছে। এইবোৰ আমাৰ সমাজৰ প্ৰকৃত জীৱন্ত আৰু জলন্ত চিত্ৰ; চিত্ৰ কিন্তু প্ৰতিকৃতি নহয়। বাস্তৱ জীৱনৰ খণ্ডবোৰ লগ লগাই কাল্পনিক ঘটনা, চৰিত্ৰ আৰু নাম দি এই উপন্যাস গঢ়া হৈছে।

"বিচাৰশীলতাৰ বাহিৰে কোনো দলীয় প্ৰচাৰমূলক আৰু কাৰো গাইগুটীয়া নিন্দা-প্ৰশংসামূলক উদ্দেশ্য ইয়াত নাই। মন্তব্য-প্ৰতিমন্তব্য সকলোটি ইয়াৰ চৰিত্ৰ আৰু ঘটনাবোৰৰ লগৰীয়া; সেইবোৰৰ সত্যাসত্য বিজ্ঞ পঢ়ুৱৈয়ে নিজে নিজে বিচাৰ কৰি লব।"

উপন্যাস হিচাপে "গাৱেঁ-নগৰে"ৰ সফলতা চিন্তা কৰিবলগীয়া।

### অসমীয়া সাহিত্যৰ অধ্যয়ন

১৯৬৪ চনত "অসমীয়া সাহিত্যৰ অধ্যয়ন" প্ৰকাশিত হয়। প্ৰকৃতপক্ষে এই গ্ৰন্থখন নতুন গ্ৰন্থ নহয়। ১৯৫২ চনত প্ৰকাশিত "অসমীয়া সাহিত্যৰ জেউতি" আৰু ১৯৩৮ চনত প্ৰকাশিত "অসমীয়া সাহিত্যৰ জিলিঙনি" একত্ৰিত কৰি অসমীয়া সাহিত্যৰ অধ্যয়নৰূপে নতুনকৈ প্ৰকাশ কৰা হৈছে মাথোন। "অসমীয়া সাহিত্যৰ জেউতি" লিখি এসময়ত তেওঁ পুৰস্কাৰো লাভ কৰিছিল।

"অসমীয়া সাহিত্যৰ অধ্যয়ন"ত জন-সাহিত্য, মনসা কাব্য, বিবিধ ধৰ্ম্মীয় কাব্য, বৈষ্ণৱ কাব্য আৰু নৱন্যাস যুগৰ অসমীয়া কবিতাৰ আলোচনা সন্নিবিষ্ট কৰিছে।

"অসমীয়া সাহিত্যৰ জিলিঙনি" সম্পৰ্কে এসময়ত ডক্টৰ বাণীকান্ত কাকতীয়ে লিখিছিল, "আমাৰ ভাষাত সমালোচনাৰ পুথি এতিয়ালৈ ওলোৱা নাই; গতিকে অন্ততঃ বিষয় হিচাপে ই আমাৰ সাহিত্যৰ পৰিসৰ বঢ়াব নিশ্চয়। শ্ৰীযুত নেওগৰ নিজৰে কবিতা লিখাত ভাল বাপ আছে দেখি তেওঁ সাহিত্যৰ সূক্ষ্ম ভাববোৰ সহজে উপলব্ধি কৰিব পাৰিছে।"

আন এজন প্ৰথিতযশা সাহিত্যিক আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াই "অসমীয়া সাহিত্যৰ জিলিঙনি" সম্পৰ্কে কৈছে, "অসমীয়া সাহিত্যৰ জিলিঙনি' আগ্ৰহেৰে মেলি লৈ পঢ়ি চাই পৰম সন্তোষ পালোঁ। আপোনাৰ পৰিশ্ৰম সাৰ্থক হৈছে। সুধীবৃন্দই এই পুথি পঢ়ি নিশ্চয় সোৱাদ পাব। আমাৰ ভাষাত সমালোচনাৰ পুথিৰ বৰ অভাৱ। এই পুথিয়ে সেই অভাৱ কিছু পৰিমাণে দূৰ কৰিলে। সাহিত্য ক্ষেত্ৰত আপোনাৰ অদম্য উদ্যম আৰু অক্লান্ত পৰিশ্ৰম দেখি মোহিত হৈছোঁ।"





ইয়াৰ বাহিৰেও উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ আদিয়ে এই গ্ৰন্থৰ উচ্চ প্ৰশংসা কৰিছে।

নেওগদেৱৰ সাহিত্য সমালোচনাৰ এটা বিশিষ্ট ষ্টেণ্ডাৰ্ড আছে। ডক্টৰ কাকতীৰ দৰে তেওঁৰ সমালোচনাত ভাবোচ্ছাসৰ আতিশয্য নাই। তেওঁৰ সমালোচনা প্ৰশংসাৰ ফাকুগুৰিৰে ধুঁৱলি-কুঁৱলীও নহয়। তেওঁ যথাসম্ভৱ নিৰ্লিপ্ততা অৱলম্বন কৰি সাহিত্যৰ সমালোচনা ক্ষেত্ৰত অৱতীৰ্ণ হৈছে। তেওঁৰ সমালোচনা পদ্ধতি তেওঁৰ স্বাধীন চিন্তাৰ অপূৰ্ব্ব নিদৰ্শন।

### সাহিত্য কি

১৮৭৪ শকত "সহিত্য কি" নামৰ সৰু গ্ৰন্থ এখনি নেওগ ডাঙৰীয়াই লিখি উলিয়ায়। এই গ্ৰন্থত সাহিত্যৰ লক্ষণ, সাহিত্যৰ সৌন্দৰ্য্য, সাহিত্যৰ বিভাগ, সাহিত্যৰ আৱশ্যকতা, অলঙ্কাৰ, ছন্দ, কলা বিদ্যা আৰু সৌন্দৰ্য্য আদি জটিল বিষয়বোৰৰ চমুকৈ আলোচনা আগ বঢ়োৱা হৈছে।

### বনবেণু

"বনবেণু" ১৯৬১ চনত প্ৰকাশিত হয়। এই পুথি খনি পূৰ্ব্বে প্ৰকাশিত আকুল পথিক, ফাগুনী আৰু বিহুৱতী নামৰ গ্ৰন্থৰ সমষ্টি। বনবেণু লোকগীতৰ এটি অনুপম সংগ্ৰহ। অসমীয়া লোকগীত সংগ্ৰহৰ ক্ষেত্ৰত ডিম্বেশ্বৰ নেওগ আগ-বগুৱা আৰু পথ-প্ৰদৰ্শক। এসময়ত "বনবেণু"ত সন্নিবিষ্ট কৰা লৌকিক গীতবিলাকত অশ্লীলতাৰ পৰশ পাই এচাম লোকে তেওঁক সমালোচনা কৰিছিল। কিন্তু এই সমালোচকসকলক যেতিয়া লৌকিক গীতবোৰৰ সৌন্দৰ্য্য ফহিয়াই দেখুওৱা হ'ল, তেওঁলোকে তেতিয়া ছত্ৰভঙ্গ দিবলৈ বাধ্য হ'ল।

আকুল পথিকত বদন. পূৰ্ব্বৰাগ, অনুৰাগ আৰু বিৰাগ-সূচক কেতবোৰ লোকগীত থুপাই থোৱা হৈছে।

ফাগুনীত নৱৰাগ, প্ৰীতিৰাগ, অভিসাৰ আৰু বিৰহ বিষয়ক কেতবোৰ লোকগীত সন্নিবিষ্ট কৰা হৈছে।

বিহুৱতীত হুঁচৰি গোৱা, বিহু যোষা আৰু বিহু-তলীৰ নাম কিছুমান সন্নিবিষ্ট কৰা হৈছে।

বনবেণু সম্পৰ্কে সংগ্ৰাহকে কৈছে, "কোনো কোনো হাবিত হেনো নল-খাগৰিৰ নিচিনা, পাছে ফুটা থকা, এবিধ লাহি কাঁচক বাঁহ পাকে ; বতাহৰ ছাটি গাত লাগিলেই সিহঁত আপোনাআপুনি সুৰদি-সুৰীয়া হৈ বাজি উঠে। মানুহৰ কবিপ্ৰাণো তেনেকুৱাই ; সাক্ষৰ নাই, নিৰক্ষৰ নাই, বৰঞ্চ সাক্ষৰতকৈ নিৰক্ষৰৰ নিৰ্ম্মল অন্তঃকৰণ যৌৱন মলয়াৰ তপত বাৰ ঢৌ লাগিলেই গীত-মুখৰ হৈ উঠে। অসমীয়া সৰলচিতীয়া ডেকা-গাভৰুৰ পৱিত্ৰ প্ৰণয় গীতৰ থলকনিৰেই এই বনবেণু।

"অসমৰ সাৰুৱা মাটি, বুকু ভুৰোৱা বতাহ পানী, চকু-ৰোৱা পৰ্ব্বত-ভৈয়াম, মহাবাহু ব্ৰহ্মপুত্ৰ যেনেকৈ অসমৰেই নিজস্ব পূৰ্ব্বৰাগ, অনুৰাগ, প্ৰীতিৰাগ, বিৰাগ পৰিপূৰ্ণ এনে এখনি সম্পূৰ্ণ মৌখিক জন কাব্যও তেনেকৈ 'অসমা সুষমা কামৰূপা'ৰ আপুৰুগীয়া সাহিত্য সম্পদ যে সন্দেহ নাই। মৌ-মিঠা শব্দ গাঁথনি, বিতোপন অৰ্থালঙ্কাৰ, সুকোমল অনুপ্ৰাস, সুললিত ছন্দৰ জোকাৰ, বিবিধ মানস চিত্ৰৰ সমাবেশ আৰু সুমধুৰ বিচিত্ৰ ভাবাবেশ ভৰা অসমীয়া স্বভাৱ কবিৰ এই গীতবোৰে বিশ্বকবিৰ কীৰ্ত্তি ও গৌৰৱ উজ্জ্বল কৰিব পাৰিলেহেঁতেন নিশ্চয়।"

"অসমীয়া সমাজৰ যোৱা ছকুৰি বছৰৰ পুৰণি চিনাকি আকুল পথিক, ফাগুনী, বিহুৱতী তিনিওকে সামৰি বনবেণুত থোৱা হৈছে। তাত প্ৰতিধ্বনিত হৈছে যুগ যুগ ধৰি গুজৰি গুমৰি থকা অসমীয়া প্ৰাণৰ অন্তত অকথিত কথা, অলিখিত বাণী, অগীত গান !"

বেজবৰুৱা ডাঙৰীয়াই "বাঁহী" আলোচনীত লৌকিক গীত সংগ্ৰহ কাৰ্য্য আৰু নেওগৰ প্ৰশংসা কৰি লিখিছে, "আমি আজি-কালি যাক শিক্ষা বুলিবলৈ শিকিছোঁহঁক তেনে শিক্ষাত অশিক্ষিত অসমীয়া স্বভাৱ কবি 'বিয়াকুল বাটকুৱা'ৰ বনঘোষাৰ এই ক্ষুদ্ৰ সমষ্টি পাই আমি নৈপে সন্তোষ লাভ কৰিছোঁহঁক। কিতাপৰ পাতনিত নেওগ-দেৱে গীতবোৰৰ চমুকৈ যি বিশ্লেষণৰ চেষ্টা কৰিছে সিও সন্তোষজনক হৈছে।......অসমীয়া সাহিত্য তেওঁৰ ওচৰত ধৰুৱা।"

বনবেণুত সন্নিবিষ্ট জনকাব্যৰ কেইবাটাও তাঙৰণ ইতিমধ্যে প্ৰকাশ পাইছে। এয়ে গীতবোৰৰ জনপ্ৰিয়তা সূচাইছে।

## মালতী

তেওঁৰ আন এখনি ৰসাল কবিতাৰ পুথি "মালতী"। মালতী সম্পৰ্কে অসমীয়া কাকতে সমালোচনা প্ৰসঙ্গত কৈছে, "গ্ৰন্থকাৰে যিমান বেগেৰে কিতাপ ছপাব লাগিছে, তাৰ পৰা তেওঁৰ চিনাকি অসমীয়া পাঠক সমাজত নিষ্প্ৰয়োজন যেন লাগে। বেগেৰে ছপোৱা বুলিও তেওঁৰ কবিতাবোৰত ভাষা বা সৌন্দৰ্য্যৰ কোনো খতিগুন হোৱা নাই ; বৰং কবিতা ৰচনাত যে তেওঁ ক্ষিপ্ৰহস্ত সেই-টোৱেহে প্ৰমাণ হৈছে। কবিতাৰ ভাষাত তেখেতৰ সম্পূৰ্ণ অধিকাৰ জন্মিছে। কবিতাবোৰত ভাবৰ মধুৰতা আৰু ভাষাৰ মৃদু হিল্লোল গতি আছে। কবিতাবোৰ পঢ়িলে মনত প্ৰসাদ ভাব ওপজে। বৰ্ত্তমান যুগত যিসকলে কবিতা ৰচনা কৰিছে বা কৰিব লাগিছে, লিখকৰ ঠাই সিসকলতকৈ বহুত ওপৰত আৰু তেখেতৰ সাহিত্যিক জীৱনত যদি কোনো ব্যাঘাত নজন্মে, তেনে-হলে ভৱিষ্যতে তেখেতক লৈ আমি গৌৰৱ কৰিব পাৰিম বুলি অনুমান হয়। 'বসন্ত কালত', 'তাহানিৰ কথা', 'বিৰহ মেল' ইত্যাদি কবিতাৰ ভাব আৰু ভাষাত অসমীয়া পদ্য সাহিত্যত নতুন প্ৰাণ-স্পন্দনৰ আভাস পোৱা হয়।"

## মুকুতা

স্বনামধন্য কবি নেওগদেৱৰ আন এখনি কবিতাৰ শৰাই "মুকুতা"। মুকুতা সম্পৰ্কে অসমীয়া কাকতে অভিমত প্ৰকাশ কৰিছে : "সৰহভাগ কবিতাতে অসমীয়া সাহিত্যৰ একনিষ্ঠ সেৱক সুকবি নেওগদেৱৰ স্বভাৱ-সুলভ আবেগৰ আকুলতা আৰু গভীৰ আন্তৰিকতা ফুটি উঠিছে। 'বকুল বনত বহি' টোকা আবেগৰ চকুলোৰে এই 'মুকুতা' ৰচি তাৰে মালা এধাৰি কবিৰ জীৱনৰ লগৰীলৈ উচৰ্গ কৰা 'অৰ্পণ' কবিতাটি অতি সুৱলা হৈছে। এখানমান হলেও 'মুকুতা'ই অসমীয়া সাহিত্যৰ সম্পদ বঢ়োৱাত আমি সন্তোষ পাইছোঁ।"



## কামৰূপ

কামৰূপ নেওগদেৱৰ ৰচিত এখনি সফল নাটক। বাতৰি কাকতে এই নাটখনৰ আলোচনা প্ৰসঙ্গত কৈছে, "প্ৰথিতযশা সাহিত্যিক আৰু সুকবি নেওগদেৱৰ এই মৌলিক অসমীয়া নাটখনি নাট হিচাপে নিখুঁত হোৱাৰ উপৰিও অসমীয়া সাহিত্য ভঁৰালৰ এখনি আপুৰুগীয়া গ্ৰন্থ হৈছে। অভিনৱ পৰিকল্পনাৰ সমাবেশ নেওগদেৱৰ নিজস্ব ভাব আৰু ভাষাৰে এই কিতাপখনিত ধুনীয়া হৈ ফুটি ওলাইছে। কুলি, কেতেকী, বসন্ত, পঞ্চম, নৱমল্লিকা, নাহৰ আদি স্বভাৱ ৰাজ্যৰ মূৰ্ত্ত ৰূপবিলাকৰ মুখত দিয়া গীতবিলাকৰ ভাষা-ভাব অতি মনোৰম হৈছে।"

## বিবিধ গ্ৰন্থ

ইয়াৰ বাহিৰেও "ভোগজৰা," "খুপিতৰা" আৰু "ইন্দ্ৰধনু" তেওঁৰ বিখ্যাত কবিতাৰ পুথি। তেওঁ ইন্দ্ৰধনুৰ কবি বুলি অসমীয়া সাহিত্যসেৱীসকলৰ মাজত সুপৰিচিত।

নেওগ কবিও, গল্প লিখকো। "দীপাৱলী" তেওঁ লিখিত দহোটা গল্পৰ সমষ্টি। এই গল্প সংগ্ৰহ সম্পৰ্কে অসমীয়া কাকতে মন্তব্য কৰিছে, "দীপাৱলীয়ে সুকবি নেওগদেৱৰ অসমীয়া গল্প সাহিত্যত আৰু গদ্য-ৰচনাতো হাত আছে বুলি চিনাকি দিছে। গল্পকেইটাৰ ভাব ভাল, ভাষাও অতি নিমজ। দীপাৱলীৰ পোহৰত অসমীয়া সাহিত্য-মন্দিৰৰ এক অংশ নিশ্চয় জিলিকি উঠিছে।"

ইয়াৰ বাহিৰেও নেওগদেৱে পুতলি, নাম পাৰিজাত, নামতী, ৰহৰহী পানী মিঠৈ, অসমীয়া কাব্য প্ৰতিভা, গুৱনি, পাৰিজাত, সঁফুৰা, মেঘদূত, অসমীয়া ভাষা আৰু লিপিৰ কাহিনী, বৰ্ণনিৰ্ণয়, নাৰদীয় ভক্তি সূত্ৰ, বৈষ্ণৱ ধৰ্ম্মৰ আঁতিগুৰি, বৈষ্ণৱ ধৰ্ম্মৰ ভক্তিতত্ব, বৈষ্ণৱ ধৰ্ম্মৰ ক্ৰমবিকাশ, অসমীয়া সাহিত্যৰ জেউতি, অসমীয়া ভাষাতত্বৰ নতুন বিচাৰ, বিশ্বসাহিত্যৰ জিলিঙনি, যুগনায়ক শঙ্কৰদেৱ, সমাজ চিন্তামণি, অতীত মাধুৰী, মধ্যমিকা অসমীয়া, পত্ৰলেখা, প্ৰাক্ ঐতিহাসিক অসম, ত্ৰিবেণী, অসমীয়া কথা প্ৰতিভা আদি গ্ৰন্থেৰে অসমীয়া সাহিত্যৰ সমৃদ্ধি সাধন কৰিছে।

তেওঁৰ আন কেতবোৰ অপ্ৰকাশিত গ্ৰন্থ হ'ল—মানুহ, বিহুৱতী, মালতী, ভোগজৰা, সাহিত্যৰ জিলিঙনি, বৰ্ত্তমান অসমীয়া সাহিত্য, বৈষ্ণৱ ধৰ্ম্মৰ বুৰঞ্জী আদি।

বৈষ্ণৱ ধৰ্ম্ম সম্পৰ্কে আলোচনা কৰি তেওঁ ইংৰাজীতো এখন গ্ৰন্থ ৰচনা কৰি প্ৰকাশ কৰিছিল। তেওঁৰ আন আন ইংৰাজী গ্ৰন্থ—অসমৰ পৰিচয়, জগতগুৰু শঙ্কৰদেৱ, মহাপুৰুষীয়া ধৰ্ম্ম আৰু অসমীয়া ভাষাৰ মূল আৰু ক্ৰমবিকাশ।

ব্যঙ্গাত্মক ভাৱত সিক্ত কৰি তেওঁ বিশ্ববিদ্যালয়, বিহুমেটেকা আৰু কলিৰ কাহিনী আদি গ্ৰন্থও প্ৰণয়ন কৰিছিল। এই গ্ৰন্থবোৰত আমাৰ সমাজৰ ত্ৰুটি-বিচ্যুতিৰ কথা লিপিবদ্ধ কৰা হৈছে।

ইয়াৰ বাহিৰেও কিৰণমালা, ব্ৰহ্মপুত্ৰ বীডাৰ, সৰল জ্যামিতি আৰু বিজ্ঞানৰ আগকথা, শান্তি-কৱচ, নীতি কৱচ আৰু প্ৰীতি কৱচ আদি স্কুলীয়া পাঠ্যপুথি ৰচনা কৰি শিক্ষাৰ্থীসকলৰ বিশেষ উপকাৰ সাধন কৰিছে।

নেওগ এজন ব্যক্তি। কিন্তু অসমীয়া সাহিত্য ক্ষেত্ৰত তেওঁ অকলে এটা বৃহৎ অনুষ্ঠানৰ কাম কৰি গৈছে। তেওঁ একাধাৰে গ্ৰন্থ লিখক, প্ৰকাশক আৰু প্ৰচাৰক। এজন কৰ্ম্মযোগী পুৰুষৰ প্ৰতিভা তেওঁৰ গাত আছিল কাৰণে অসমীয়া সাহিত্য জগতত তেওঁ মুকুটবিহীন সম্ৰাটৰ আসনত অধিষ্ঠিত আছিল। নেওগৰ মৃত্যুত অসমীয়া সাহিত্যৰ এটা যুগৰ অন্ত পৰিল।

অসমীয়া সাহিত্যত নেওগ এজনা প্ৰভাৱশালী ব্যক্তি। বৌদ্ধিক সাধনৰ মাজেৰে অসমীয়া সাহিত্য ক্ষেত্ৰত তেওঁ বলিষ্ঠ নেতৃত্ব দিব পাৰিছিল। তেওঁ প্ৰকৃত অৰ্থত নেতা-সাহিত্যিক। গোটেই জীৱন জুৰি তেওঁ সাহিত্যৰ সাধনা কৰিছিল। সাহিত্য তেওঁৰ জীৱনৰ শ্বাস-প্ৰশ্বাস।

মৃত্যুৰ আগেয়ে তেওঁৰ শতাধিক গ্ৰন্থ প্ৰকাশিত হোৱা-টোৱেই তেওঁৰ একনিষ্ঠতাৰ প্ৰকৃষ্ট প্ৰমাণ। তেওঁ জীৱন কালত প্ৰায় এহেজাৰকৈও অধিক প্ৰবন্ধ প্ৰণয়ন কৰি গৈছে। এয়ে এই সিংহ পুৰুষজনাৰ সাধনাৰ বিশেষত্ব। এই সাধনাই অসমীয়া সাহিত্যক মহিমান্বিত কৰিছে।

অসমীয়া সাহিত্যৰ এই একনিষ্ঠ সাধকজনাই ডুবাৰোগ্য কেন্সাৰ ৰোগত ভুগি আকস্মিকভাৱে যোৱা ১২ নৱেম্বৰ তাৰিখে পৰলোকলৈ গমন কৰিলে। তেওঁৰ মৃত্যুত সমগ্ৰ অসমবাসী শোকত ম্ৰিয়মান হ'ল। তেওঁৰ গুণমুগ্ধ ৰাইজে সভা-সমিতি পাতি বিদেহ আত্মাৰ সদ্গতি কামনা কৰিলে।

তেওঁৰ মৃত্যুৰ বতৰা পাই অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই শোক-বাণীত কলে, "শিক্ষা আৰু সাহিত্যতে আত্ম-নিয়োগ কৰি নেওগে জীৱনৰ শেষবিন্দু ৰক্তপাত কৰি গ'ল।"

সাহিত্য সভাৰ আন এজনা প্ৰা ন সভাপতি শ্ৰীবেণুধৰ শৰ্মাই কলে, "শ্ৰীডিম্বেশ্বৰ নেওগৰ মৃত্যুত আমি অসমীয়া ভাষা সাহিত্যৰ ডাঙৰকোঁজা সাধকজনক হেৰুৱালোঁ।" প্ৰবীণ কবি শ্ৰীৰঘুনাথ চৌধাৰী ডাঙৰীয়াই শোকত অভিভূত হৈ কলে, "জাতীয়তাবোধ আৰু দেশৰ প্ৰতি প্ৰগাঢ় ভালপোৱা আছিল কবি-সাহিত্যিক শ্ৰীডিম্বেশ্বৰ নেওগৰ অন্যতম চাৰিত্ৰিক বৈশিষ্ট্য। তেওঁ দেশখনৰ বিষয়ে ভাবিছিল আৰু কায়মনোবাক্যে দেশৰ সমস্যাৱলীৰ প্ৰতি সজাগ দৃষ্টি ৰাখিছিল। অসমৰ বা দেশৰ ৰাজনীতিৰ লগত তেওঁৰ সক্ৰিয় সম্পৰ্ক নাছিল সঁচা, কিন্তু অসমখন যে অসমীয়াৰহে সেই বিষয়ে তেওঁৰ প্ৰগাঢ় বিশ্বাস আছিল আৰু কামো কৰিছিল সেই উদ্দেশ্যেৰে। তেওঁৰ দেশপ্ৰাণ হৃদয় অনস্বীকাৰ্য।"

নেওগ এগৰাকী বহুমুখী প্ৰতিভাৰ লোক। তেওঁ একাধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, গল্পকাৰ, সমালোচক, সাহিত্যৰ বুৰঞ্জী লিখক আৰু গৱেষক। অসমীয়া সাহিত্যৰ নিৰ্ভীক কাণ্ডাৰীজনৰ ছবি এটা আমাৰ মনত এতিয়াও এনেভাৱে উজলি আছে—এই সিংহ পুৰুষজন বৰ ওখও নহয়; চাপৰো নহয়। চুলিবোৰ ঠৰডা, ৰুক্ষ, ভাজলগা, পিঠিৰ ফাললৈ বৈ পৰা—দাৰ্শনিকৰ চুলি। কৃষ্ণকায় লোকজনা ক্ষীণ নহয়; কিন্তু শকতো বুলিব নোৱাৰি—নিৰোগী আৰু বলিষ্ঠতাৰ প্ৰতিমূৰ্ত্তি। চকুত এটি আভিজাত্য আৰু বেপৰোৱা ভাব। পৰিধানত এখন সামান্য ধুতী আৰু এটা পাঞ্জাবী, ভৰিত এযোৰা কেহৰাজী বৰণৰ পামচু—ধূলি-মাকতিৰে বিবৰ্ণ। এইজনেই ডিম্বেশ্বৰ নেওগ, যিজন আৰু সাহিত্য সভাৰ কৰ্মীসকলৰ মাজত নাই। সকলো তৰৰ অন্যায়ৰ বিৰুদ্ধে দৃপ্তকণ্ঠে ৰণহুঙ্কাৰ কৰা নেওগক আৰু সোঁশৰীৰে আমি নেদেখো। তেওঁৰ খুহটীয়া মন্তব্য শুনাৰ পৰা আমি চিৰদিনৰ কাৰণে বঞ্চিত হলোঁ আৰু বঞ্চিত হলোঁ অসমীয়া সাহিত্যৰ এজন লৌহমানৱৰ নিভৰযোগ্য পৰামৰ্শ আৰু সহৃদয় অন্তৰৰ সাহচৰ্যৰ পৰা। সন্দেহ নাই, দিন যিমানে পুৰণি হব সিমানেই এইজন ব্যক্তিৰ জীৱনৰ নতুন মূল্যাঙ্কণ হব!

---

# ডিম্বেশ্বৰ নেওগৰ শেষ ৰচনা

[**টোকা:** স্বৰ্গীয় ডিম্বেশ্বৰ নেওগদেৱৰ অপ্ৰকাশিত কিছুমান লেখা তেওঁৰ ভ্ৰাতৃ ডঃ মহেশ্বৰ নেওগৰ পৰা পোৱা হৈছে। তেওঁৰ জীৱনৰ শেষ ৰচনা আৰু থাকিব পাৰে। আমাৰ হাতত পৰাখিনি আমি ইয়াত প্ৰকাশ কৰিছো।

ইয়াৰে "ক" ভাগটো এখন সভাৰ সভাপতিৰ অভিভাষণৰ এটি অংশ। গুৱাহাটী বিশ্ববিদ্যালয়ক কেন্দ্ৰ কৰি প্ৰাগজ্যোতিষ সাহিত্য সভা নামে এটি অনুষ্ঠান স্থাপন কৰিবলৈ বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু আন আন লোকৰ এখন সভাত থিৰ কৰা হৈছিল। তাৰ উদ্বোধনী অধিবেশনৰ দিন-বাৰ ঠিক কৰি স্বৰ্গীয় নেওগদেৱক তাত সভাপতিত্ব কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছিল। কিন্তু মুঠতে সেই সভা নহ'ল আৰু সেই বুলি নেওগদেৱক জনোৱা হ'ল। কিন্তু ইতিমধ্যেই তেওঁ অভিভাষণৰ আঁচনি কৰি লিখিবলৈ আৰম্ভ কৰিছিল। বিবিধ আকাৰ-প্ৰকাৰৰ এপিঠিত লিখিব পৰা তিনি খিলা কাগজত এই ভূমিকা ভাষণখিনি পোৱা হৈছে—তৃতীয় পিঠিৰ শেষৰ বাক্যটোও শেষ হোৱা নাই। লেখাখিনিৰ শিৰোনামাও দিয়া আছিল—"প্ৰাগজ্যোতিষ সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ"—তাৰিখ দিয়া আছিল ১৪৬৬ (এই পদ্ধতিৰেই নেওগদেৱে তাৰিখ দিছিল)। আমি পোন প্ৰথমৰ সভাক সম্বোধন কৰি লিখা সৰু ছেদটো ইয়াত প্ৰকাশ কৰা নাই। তদুপৰি প্ৰকাশিত দ্বিতীয় ছেদৰ দ্বিতীয় বাক্যটোত বন্ধনীৰ মাজত থকা "সাহিত্য" শব্দটো অৰ্থ বুজাত সহায়ক হব বুলি ভাবি, সংযোগ কৰি দিছো।

"খ" ভাগৰ কথাখিনি ছখিলা সৰু সৰু বিচিত্ৰ কাগজত—এইবোৰো এপিঠিত লিখিব পৰা কাঠ-পেন্সিলেৰে লিখা আছিল। এই কথাখিনি নেওগদেৱৰ "জীৱন-ৰহস্য"ৰে এটা অংশ বুলি আৰু এইখিনিও অসম্পূৰ্ণ বুলি জনোৱা হৈছে। নিজৰ ব্যৱহাৰৰ কাৰণে টোকা হিচাপে লিখা কাৰণে আৰু তাকো কাট-কুটকৈ কাঠ-পেন্সিলেৰে লিখা কাৰণে এইবোৰৰ পাঠোদ্ধাৰ আমাৰ পক্ষে বৰ সহজ হোৱা নাই; ক'ৰবাত ভুলো হৈ যাব পাৰে। সেই বাবে সামান্য অংশ ইয়াত দিয়াৰ পৰা আমি বিৰত থাকিলোঁ। পাত কিখিলা ক্ৰমিক নম্বৰ দি নেওগদেৱে একাদিক্ৰমে নিজে গাঁথি থৈ গৈছিল।

—পত্ৰিকা সম্পাদক]

## [ ক ]

সাহিত্য বুলিলেই প্ৰায়ে ৰূপাৰৰ ৰৰৰুৱাৰ এফাকি কৱিতা মনত পৰে: "গইদ্ লিখো, পইদ্ লিখো; আকাশ-পাতাল শুদা দেখো: ৰ'ল; থোৰা ৰ'ল হেলো-হুইছো।"

চকুত, আৰু লগতে বুকুতো, শুদা বা শূইনটো লৈ গইদ্-পইদ্ লিখা মাদশ্ৰম বহুতেই কৰে; হেলো-হুইছো সেই বিফল ৰণোদ্যমৰ নিষ্ফল আটাহ, সন্দেহ নাই।

'ভাষাই সাহিত্য', 'সাহেই সাহিত্য', এনে মতবাদৰ প্ৰভাৱত ভুলে-শুদ্ধে জতুৱা ঠাচ আৰু সাহসে-দুঃসাহসে লিখা পাঠ্য-অপাঠ্যেৰে আমাৰ সাহিত্য-গগণ ভাৰাক্ৰান্ত হৈ পৰে। নিচেই তাকৰ লেখকেহে সাহিত্যৰ সত্য আৰু সাধনা বুজিবৰ প্ৰয়াস কৰে; গতিকে অনৃত মৰ্থোতে গৰল ওলোৱা স্বাভাৱিক।

পুৰণি সংস্কৃত কবিয়ে গাইছিল—"বিনাশ্ৰয়ে ন জীৱন্তি পণ্ডিতা ৰনিতা লতা।" অলপ সুকীয়া অৰ্থত হলেও আমি কব খোজো, স্বয়ং সাহিত্যক, সাহিত্যিকৰ কথা কোৱা নাই, থিৰ হবৰ বাবে এটি আলম নহলেই নচলে। সাহিত্যৰ লতা পত্ৰে-পুষ্পে জাতিস্কাৰ হবলৈ হলে লাগে বিৰাট লক্ষ্য বা বিপুল আদৰ্শৰূপী সুদূৰ-প্ৰসাৰী মহা-মহীৰুহ।

আত্মা বিহনে যেনেকৈ শৰীৰ শুদা শৱ মাত্ৰ, ভাৱ বিহনে ভাষাও তেনে; গতিকে ভাৱহে সাহিত্য, ভাষা নহয়; ভাষা তাৰ আভৰণ মাত্ৰ। ঈঠাৰৰ তৰঙ্গ অন্তৰ্তৰঙ্গ থকাৰ দৰে ভাৱৰো নানান তৰপ আছে।

এটি উদাহৰণেৰে কথাটি মুকলি কৰা হওক। ভাৰতৰ নৱ-বৈষ্ণৱ সাহিত্যক কিছুমান স্থানীয় বৈশিষ্টৰ বাবে মহাপুৰুষীয়া সাহিত্য বুলিব পাৰি। কিন্তু এই নৱ-বৈষ্ণৱ বা মহাপুৰুষীয়া (সাহিত্য) বাস্তৱতে কোনো সাহিত্য-আন্দোলন নহয় আৰু সাহিত্যৰ নিজা কোনো আন্দোলন থাকিব নোৱাৰে। ই বিশ্বজোৰা এক সামাজিক আন্দোলনৰ এটি হেন্দোলনি মাত্ৰ।

অসমীয়া এটি সাঁথৰত কয়, "ত'তে মাৰিলে টিপা। গৰ্‌াও পালেগৈ শিপা॥" গড়গাঁৱত স্থানীয় "শিপা"ৰ বিচাৰ হব পাৰে, "ত'তে" মৰা "টিপা" বা কম্পন কেন্দ্ৰৰ অনুসন্ধান স্তাত নহয়। তেনেকৈয়ে, বৃহত্তৰ মানৱ-সমাজৰ নতুন স্বাধীন চিন্তাৰ যি ভূ-কম্পন ভাৰতত বা অসমত অনুভৱ কৰা হ'ল, তাৰ কেন্দ্ৰ অন্বেষণত আমি ৰত দূৰলৈ যাব লাগিব।

শঙ্কৰদেৱৰ আবিৰ্ভাব (১৪৪৯ খৃঃ) জগতৰ সামাজিক বিপ্লৱৰ এক অপূৰ্ব মাহেন্দ্ৰ ক্ষণত। এই পঞ্চদশ শতিকাৰ ভিতৰতে বিশ্ব-ইতিহাসত প্ৰসিদ্ধ মধ্যযুগৰ অমানিশাৰ ওৰ পৰে আৰু আধুনিক যুগৰ ফেহুজালি ওনিবলৈ পোৱা হয়। এই মধ্যযুগৰ বিদায় আৰু আধুনিক যুগৰ আগমনৰ সন্ধিক্ষণতেই প'পৰ অধীনৰ বিশ্ব-গিৰ্জা আৰু ৰ'ম-সাম্ৰাজ্যৰ সেই মধ্যযুগীয় কল্পনাৰ দুইখন ডেউকা ভাগি অকামিলা হৈ পৰে। সম্ৰাটৰ অধিকাৰৰ তেতিয়াও ষিকেৰা অৱশিষ্ট অকল জাৰ্মেনীত মাত্ৰ আছিল, তাতো তাৰ বিৰুদ্ধে মানুহে কেপেৰি পাতি উঠিছিল।

য়ুৰপৰ বিভিন্ন শক্তিয়ে পাল পাতি প'প আৰু সম্ৰাটৰ খৈয়া-নথৈয়া যুদ্ধ চলাইছিল, আৰু প্ৰধান বিচাৰ সভায়ো জন-গণৰ পক্ষকে সমৰ্থন কৰিছিল। ইফালে পুৰণি সমাজখন ভাগি-ছিগি থান-বান হ'ল; যিবোৰ ডোলে জীৱিকা, বেহা-বেপাৰ, খেতি-বাতি, মাটিৰ গৰাকি, জ্ঞাতি-মিত্ৰ আদিৰে বান্ধি ৰাখিছিল, সেইবোৰো ছিগি ডোথৰ ডোথৰ হ'ল। ব্যক্তি-প্ৰধান আধুনিক যুগ এই দৰেই আগবাঢ়ি আহিল। প্ৰাচীন সদাগৰী সভাৰ বান্ধ-ছাট ছিগি যোৱাত আধুনিক প্ৰতিযোগিতামূলক ব্যৱসায়ৰ পাতনি হ'ল! যেনেকৈ চিন্তাত তেনেকৈয়ে ব্যৱহাৰিক জীৱনত ব্যক্তি-তত্ত্ব স্বাধীনতাই নিজ আসন দাবী কৰি বহিল।

প্ৰতিদ্বন্দী স্বাৰ্থৰ এনেবোৰ থকা-খুন্দাৰ মাজতে মানুহৰ মাজত নতুন এক ঐক্য-সূত্ৰ জাঁত লৈ উঠিল, তাৰ নামকৰণ হ'ল জাতীয়তা। উমৈহতীয়া স্বাৰ্থ, ধৰ্ম্ম, ভাষা ৰক্ষাৰ বাবে, ব্যক্তি তান্ত্ৰিকতা ৰনৰীয়া কোঁৱৰলৈ আৰু ৰ'ম সাম্ৰাজ্যৰ ভাঙণমুখী ধৃমহাক অত্যন্ত ধ্বংসমুখী হবলৈ নিদিয়াকৈ সমাজক সাম্প্ৰতিকভাৱে ৰক্ষা কৰাৰ ই এক উৎকৃষ্ট উপায় হ'ল।

এই অৱস্থাও সৰহ দিন নিটিকিল আৰু ৰিফৰ্মেশ্যন বোলা নতুন আন্দোলনে পাশ্চত্য গিৰ্জা আদি ভাঙি দি মধ্যযুগীয় সদৌ সমস্যা নিজৰ বুকুত সুমাই লৈ বিপ্লৱ আৰম্ভ কৰিলে। এহাতে নীতি আৰু সংস্কাৰৰ হেপাহ; আৰু ইহাতে সাহিত্য আৰু সুকুমাৰ কলা, দৰ্শন আৰু বিজ্ঞানৰ নতুন জনম, এয়ে আছিল ৰিফৰ্মেশ্যনৰ কাৰ্য্যক্ৰম; কিন্তু তাৰ মূল লক্ষ্য আছিল মধ্যযুগীয় দাসত্বৰ পৰা মানৱ-মনৰ উদ্ধাৰ। এই মূল লক্ষ্যত নেতৃত্ব দিয়া লোক মাৰ্টিন লুথাৰ (১৪৮৩-১৫৪৬), প্ৰায় মাধৱদেৱৰ কাণসমনীয়া। ১৫২০ ৰ জুলাইত 'জাৰ্মান জাতিৰ ডাঙৰীয়াসকললৈ' আৰু অক্টোবৰত 'বেবীলনীয় দাসত্ব' পুথি লিখি প'পৰ বশ্যতা অস্বীকাৰ কৰিয়ে ক্ষান্ত নহ'ল, পুৰোহিতালি আদি মধ্যযুগীয় দাস-মনোবৃত্তিৰ বিৰুদ্ধেও তেওঁ যুদ্ধ ঘোষণা কৰিলে। তেতিয়াৰ জাৰ্মান সম্ৰাট চাৰ্লছে অকল ধৰ্মদ্ৰোহী বুলিয়ে নেৰিলে, ৰাজদ্ৰোহী বুলিও অভিযুক্ত কৰিলে। লুথাৰ পলাই গৈ জ্ঞানী ফ্ৰেডাৰিকৰ আশ্ৰয় লৈ সাৰিল।

পঞ্চাদশ-ষোড়শ শতিকাৰ সেই বিপ্লৱ আৰু বিদ্ৰোহৰ তপত খোলা এৰি ভাৰতবৰ্ষলৈ আহিলে সামাজিক তথা ধাৰ্মিক জগতত আমি তাৰে এটি সুকীয়া দৃশ্য দেখিবলৈ পাওঁহক। পাৰিপাৰ্শ্বিক নানা কাৰণত ভাৰতত আমি য়ুৰপৰ ধাৰ্মিক ৰাজনৈতিক দৃশ্যটো দেখা নাপাওঁ সঁচা, কিন্তু ধাৰ্মিক-সামাজিক ফালটোত স্বাধীন চিন্তা আৰু ব্যক্তি-তত্ত্বই যি অভূতপূৰ্ব প্ৰতিক্ৰিয়া চলালে তাত য়ুৰপীয় আৰু ভাৰতীয় মনৰ একে ঘোৰ মূৰ্ত্তি দেখোহক।

শঙ্কৰাচাৰ্য্যয়ে জয়ে জয়ে বেদান্ত-সূত্ৰৰ ভাষ্য লিখিলেও আৰু ৰামানুজাচাৰ্যই সামান্য ইফাল-সিফাল কৰি তাৰ ওপৰতে বৈষ্ণৱ ধৰ্মৰ দাৰ্শনিক ভেটি থাপিলেও, বাস্তৱতে ৰামানন্দৰ পৰাহে বৈষ্ণৱ মত প্ৰচাৰিত হয়। কাৰো মতে শিষ্য-পৰাম্পৰাত ৰামানন্দ ৰামানুজৰ চতুৰ্থ আৰু কাৰো মতে পঞ্চম (১২৯৯-১৪১০); কিন্তু ৰামানুজৰ শ্ৰী-সম্প্ৰদায় আৰু ৰামানন্দৰ ৰামী সম্প্ৰদায়ৰ লগত শঙ্কৰদেৱৰ মহাপুৰুষীয়া মতৰ কোনো প্ৰকৃত সম্পৰ্ক নাই। কবীৰক (১৩৯৮-১৫১৮) ৰামানন্দৰ শিষ্য বোলা হয়; কিন্তু তেওঁ লুথাৰৰ দৰে ধৰ্ম-সমালোচকহে,...... (ইয়াৰ পিচত কি লিখা হৈছিল বিচাৰি পোৱা হোৱা নাই —পত্ৰিকা সম্পাদক।)

---

## [ খ ]

১৯২৪-২৬ ত এজন ইংৰাজ শিক্ষকৰ তত্বাৱধানত ইংৰাজী স্নাতকোত্তৰ শ্ৰেণীত মই ইংৰাজী ভাষাতত্বৰ আভাস লভো। সেই আপাহতে অসমীয়া ভাষাতত্ব চৰ্চাৰ বাবে ধাউতি ওপজে, আৰু সেই চকুৰেই দুই-চাৰিখন পুৰণি অসমীয়া পুথি পঢ়ো আৰু অসমীয়া ভাষাৰ মূল সম্পৰ্কে চিন্তা কৰো।

১৮৫১ শক (১৮শ বছৰ)ৰ আষাঢ় (৩য়) আৰু মাঘ (১০ম) সংখ্যা "বাঁহী"ত যথাক্ৰমে মোৰ "চোৰ-গৃহস্থ আৰু গৃহস্থ-চোৰ" আৰু "সংস্কৃত, প্ৰাকৃত আৰু অসমীয়া" প্ৰবন্ধ দুটি প্ৰকাশিত হয়, আৰু পঢ়ুৱৈ মহলত অলপ আলোড়ন তোলে। ইয়াৰ পাছৰ দহ বছৰৰ (১৯২৯-৩৯) ডাকৰ বচনৰ বাহিৰেও চণ্ডীদাসৰ কৃষ্ণকীৰ্ত্তন, গোপীচন্দ্ৰৰ গান, সঞ্জয় মহাভাৰত, শূন্যপুৰাণ, কবীন্দ্ৰ মহাভাৰত, চৰ্যাপদ, দীনেশচন্দ্ৰ সেনৰ "বঙ্গভাষা ও সাহিত্য", History of Bengali Language and Literature, ৰাখাল দাস বানাৰ্জীৰ History of the Bengali script, সুনীতি চেটাৰ্জীৰ Origin and Development of Bengali Language আদি সম্পৰ্কে ধাৰাবাহিক ৰূপে মোৰ বিষোৰ আলোচনা-সমালোচনা "বাঁহী", "অসম সাহিত্য সভা পত্ৰিকা," "Journal of the Assam Research society"ত

ওলাইছিল, তাৰ আভাস মোৰ New Light on History of Asamiya Literature পুথিৰ পৰিশিষ্টত দিয়া হৈছে।

ইয়াৰ পাছত ১৯৫২ত "অসমীয়া ভাষাৰ বুৰঞ্জী" আৰু "অসমীয়া লিপিৰ বুৰঞ্জী" বুলি দুখনি সৰু পুথি প্ৰকাশিত হয়, আৰু ১৯৫৬ত "অসমীয়া সাহিত্যৰ বুৰঞ্জী"ৰ (বিস্তৃত) "পাতনি" ৰূপে বিষয়টিৰ নতুন দৃষ্টিপাত কৰা হয়। ১৯৬৪ত The Origin and Growth of the Asamiya Language আৰু The Development of the Asamiya Script বুলি ইংৰাজীত আন এখনি পুথি উলিওৱা হয়। কোৱা বাহুল্য, "অসমীয়া ভাষাতত্ত্বৰ নতুন বিচাৰ" আলোচ্য বিষয়ত ইয়াৰ পূৰ্ববৰ্ত্তী ইংৰাজী গ্ৰন্থখনিৰ লগত একে হলেও ইখন সিখনৰ ভাঙনি নহয়। আৰু এটি উল্লেখযোগ্য কথা, ভাষাতত্ত্বৰ চিন্তা কাৰ্য্যতঃ ১৯২৪ মানৰ পৰাই কৰি আহিছো যদিও আৰু মাগধী প্ৰাকৃতৰ পৰা অসমীয়া-বঙলা ভাষা ওলোৱা কথাত আদিৰে পৰা সন্দেহ কৰিলেও, অসমীয়া-বঙলা ভাষাৰ কঠিয়াতলী ক'ত সঠিক ধৰিব পৰা নাছিলোঁ। ১৯৪৭ত অসমীয়া ভাষাতত্ত্বৰ ক্ষেত্ৰত প্ৰাতঃস্মৰণীয় পণ্ডিত ত্ৰিপিটকাচাৰ্য বেণীমাধৱ বৰুৱাই এটি প্ৰবন্ধ লিখি নিজ হাতে মোলৈ পঠাই সেই বিষয়লৈ মোৰ স্পষ্ট দৃষ্টি আকৰ্ষণ কৰে, আৰু তেতিয়াৰ পৰা মই স্পষ্টভাৱে কামৰূপী প্ৰাকৃতৰ স্বৰূপ ঘোষণা কৰিছো। তেতিয়াৰ পৰা মোৰ আন সকলো পুথি-প্ৰবন্ধৰ উপৰি মোৰ অসম সাহিত্য সভাৰ দ্বাত্ৰিংশৎ অধিবেশনৰ সভাপতিৰ অভিভাষণত মই এই কামৰূপী প্ৰাকৃতৰ কথা আৰু সন্তালনিকৈ প্ৰচাৰ কৰো।

অতি দুখ আৰু লাজ লগা কথা, অসমীয়া পাৰত গজা পণ্ডিত কেজন মানে এই বিষয়ৰ নাম-গোন্ধ আগতে নাপালেও মোৰ প্ৰবন্ধ খিনি প্ৰচাৰৰ পাছত চোৰাত সেলেঙি লগাই হাতলৰ স্বভাৱেৰে নি গৰাকিৰ নাম নোলোৱাকৈ সেইবোৰ নিজৰ নামত প্ৰচাৰ কৰি এতিয়া পণ্ডিত বোলাবলৈ দ্বিধা কৰা নাই। গৱেষণাৰ ক্ষেত্ৰত ইয়াতকৈ হীন আৰু নীচ কাৰ্য্য একো হব নোৱাৰে; এনে অপকাৰ্যৰ পৰা অকল অকৃতজ্ঞতা পাপকে যে কৰা হয় এনে নহয়, তাৰ দ্বাৰা গৱেষণাৰ পৱিত্ৰ ক্ষেত্ৰ অশুচি কৰি বিদ্যাৰ অগ্ৰগতিত হেঙাৰ দিয়া হয়। এই পণ্ডিতনামা প্ৰাণীবোৰে অন্ততঃ এই কথা জনা উচিত, ঋণ অস্বীকাৰ কৰাই অপণ্ডিতৰ কাম, স্বীকৃতি পাণ্ডিত্যই। এই চুৰি-বিদ্যাবিশাৰদবিলাকে আমি য'ত যিবিলাক মূল উল্লেখ কৰিছো সেই মূলবোৰ পৰ্যন্ত তেনেকৈ আৰু য'ত কোনো কাৰণত মূলৰ উল্লেখ এৰিছো তাত সেইদৰেই এৰিছে। মোৰ আগত ডাকৰ বচন, চৰ্যপদ, গোপীচন্দ্ৰ গীত একাধিক লেখকে উপকৰণ ভাৱে উল্লেখ কৰিছে সঁচা, কিন্তু অসমীয়া সাহিত্যত সেইবোৰৰ সঠিক কাল আৰু স্থান দি মই পোনতে বিদৰে প্ৰতিষ্ঠাপিত কৰিছিলোঁ, তাৰ যুক্তি পৰ্যন্ত বিনা উল্লেখে অপহৰণ কৰি পুথি-প্ৰবন্ধ প্ৰকাশ কৰা বহুত উদাহৰণলৈ মোৰ দৃষ্টি আকৃষ্ট হৈছে। মহা-পণ্ডিতৰ বৰ পাগ মাৰি ধৰ্মপুটাত আউজি ধৰ্মধৰ্মকৈ বহি থকা এই পণ্ডিতবিলাকৰ বিৰুদ্ধে আইন-আদালতত মেন্ধু-মাছিয়া লৈ বহা পণ্ডিতবোৰেও বিৰূপ মন্তব্য দিবলৈ সাহ নকৰে; গতিকে এনে (ইয়াৰ পিচত এটা শব্দ ধৰিব পৰা নগ'ল—পঃ সঃ) বিৰুদ্ধে ন্যায়ালয় তৈয়াৰ হোৱাৰ সুবিধা বৰ্ত্তমান সহজে নহৈছে।

আন হাতে আন এটা বিপদৰ অভিজ্ঞতা লাভ কৰিছো; কোনো কথাত একমত হব নোৱাৰিলেও কোনো পূৰ্ববৰ্ত্তী মত বাদ নিদিয়াকৈ আৰম্ভক অনুসাৰে আলোচনা কৰি যোৱা পৰবৰ্ত্তী পৰবৰ্ত্তী লেখকৰ অৱশ্য কৰ্ত্তব্য। কিন্তু সেই মত খণ্ডন কৰাৰ যুক্তি ধৰোতে কোনো কোনো শিক্ষিত-নামাধাৰী "মৰা মানুহক গালি পাৰিবলৈ এৰা নাই" আদি অযুক্ত কুৎসা ৰটাৰ উপৰি "মানহানি"ৰ ৰাম-টাঙোন জোকাৰিবলৈও বাকী থোৱা নাই; তেনে লেখকৰ উল্লেখ উক্ত হেতুকে বাধ্য হৈ বাদ দিছো। মই সদায় নিজ মতকেহে শুদ্ধ বুলি ধৰোঁ বুলি আন কোনো পণ্ডিত-নামাই দুখ কৰে; মই তেওঁলোকক পুতৌ কৰি কওঁ, "তেওঁলোকৰ মত শুদ, মোৰে ভুল" বুলিবলৈ হলে দেখোন মোৰ এই মালশ্ৰমৰ অৰ্থই নাথাকে। মুঠতে অসমীয়া ভাষা-সাহিত্যৰ গৱেষণা-ক্ষেত্ৰ আজিও তমসাচ্ছন্ন। ইয়াৰ পিছৰ অৱশিষ্ট দুটা মান বাক্য ভাল দৰে আমি উদ্ধাৰ কৰিব নোৱাৰিলো।—পঃ সঃ)

# সম্পাদক নেওগ

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

তেৰ নৱেম্বৰ, ১৯৬৬ চন। আগনিশা কালীপূজা হৈ গৈছে। ৰাতিপুৱা। ৰাতৰি-কাকতত ডিম্বেশ্বৰ নেওগদেৱৰ অৱস্থা সঙ্কটজনক বুলি এটা অমঙ্গলীয়া বাতৰি পঢ়ি চিন্তান্বিত হলোঁ। স্বয়ং ডাঃ শ্ৰীমথুৰা ভট্টাচাৰ্য্যই উদ্বেগ প্ৰকাশ কৰিছে যেতিয়া কথা নিশ্চয় বিষমেই হব বুলি ধৰি লৈছিলোঁ। তাৰ দুঘণ্টামান পিছতে অপ্ৰত্যাশিতভাৱে আহিল তাতোতকৈ নিৰ্ম্মম শোকৰ বাতৰি। ডাঃ কনক বৰুৱাই জনালেহি — নেওগ আৰু ইহসংসাৰত নাই। পুৱতি নিশাতে তেওঁ চকু মুদিলে—চিৰদিনলৈ। দীপাৱলীৰ বন্তি জলিবলৈ নৌপাওঁতেই নেওগৰ জীৱন বন্তি নুমাল। আমাৰ শ্ৰদ্ধাভাজন জ্যেষ্ঠস্থানীয় বন্ধু ডিম্বেশ্বৰ নেওগে অকালতে এইদৰে আমাক এৰি যাব বুলি কোনেও ভবা নাছিলোঁ। কেইদিনমান আগতে মাথোন গুৱাহাটী আকাশবাণীৰ দ্বাৰা অনুষ্ঠিত কবি সন্মিলনীত আমি লগালগি হৈছিলোঁ। নেওগ হৈছিল উদ্বোধক, মই হৈছিলোঁ সভাপতি। তেওঁ দীঘলীয়া কবিতা এটা নিজে পাঠ কৰি শুনাইছিল। সেইদিনা আমি কোনেও ভবা নাছিলোঁ যে তেওঁ অতি সোনকালে এই সংসাৰৰ পৰা গুচি যাব। তক্ষকৰূপী কৰ্কট ৰোগেই যে তেওঁৰ হাড়ৰ আঁহে আঁহে বাহ লৈছে তাৰ আভাসমাত্ৰ আমি কোনেও পোৱা নাছিলোঁ, নেওগে নিজেও সেই বিষয়ে ভু পোৱা নাছিল। সেয়েহে কবিয়ে গাইছে—

"কালি ৰাম ৰজা হ'ব, কত মনে আশ
কিন্তু কোনে জানিছিল হ'ব বনবাস!"

নিৰ্ম্মম নিয়তি! বিনা মেঘে বজ্ৰপাত হ'ল। অসমীয়া সাহিত্য সংস্কৃতিৰ ওপৰত ই এক নিদাৰুণ ৰামটাঙোন।

শিৱসাগৰৰ দিখৌপৰীয়া কমাৰফদীয়া গাৱঁত আজিৰ পৰা তিনি কুৰি সাত বছৰ আগতে জন্মি লৰাকালৰ পৰা জীৱনৰ শেষ কাললৈকে সাহিত্যসেৱাৰ যোগেদি একেৰাহে আৰু অকপটভাৱে নেওগদেৱে চিৰচেনেহী ভাৰা জননীৰ পূজা কৰি গ'ল। যি সময়ত দেশে তেওঁৰ পৰা সাহিত্যৰ নেতৃত্ব পাবলৈ আশা কৰিছিল, সেই সঙ্কটপূৰ্ণ সময়তে তেওঁ আজি আমাৰ মাজৰ পৰা অন্তৰ্দ্ধান হ'ল। এইদৰে এদিন সাহিত্যৰথী বেজবৰুৱা ডাঙৰীয়াইও নিজৰ দৰ এৰি ডিবৰুৰ ধৰলুইতৰ দাঁতিতে হাড় পেলাইছিল। সেইদৰে নেওগেও সিদিনা গুৱাহাটীৰ শিলং আলিৰ দাঁতিত পাতি লোৱা "জ্ঞানাশ্ৰম" এৰি চিকিৎসাৰ বাবে ডিবুকলৈ আকাশীযানত উৰা মাৰিছিল। সেই যাত্ৰাই তেওঁৰ শেষ যাত্ৰা হ'ল— মহাপ্ৰস্থানৰ যাত্ৰা হ'ল। শিক্ষা আৰু সাহিত্যতে একশৰণীয়াভাৱে নেওগে আত্মনিয়োগ কৰি জীৱনৰ শেষ বিন্দু ৰক্তদান কৰি গ'ল। প্ৰথমতে নেওগক আমি 'ইন্দ্ৰধনু'ৰ কবি বুলিয়েই জানিছিলোঁ। যদিও এয়েই তেওঁৰ একমাত্ৰ পৰিচয় নহয়। কবিতাৰ উপৰিও ভাষা-সাহিত্যৰ বুৰঞ্জী, সাহিত্য-সমালোচনা, আলোচনী সম্পাদনা আদিতো তেওঁৰ অতুলনীয় দক্ষতা আছিল। পৃথিৱীৰ কেবাজনো বিশিষ্ট ভাষাবিদৰ দ্বাৰা উচ্চ প্ৰশংসিত New Light on History of Assamiya Literature নামৰ ইংৰাজী গ্ৰন্থখনে কেৱল অসমতে নহয়,

অসমৰ বাহিৰতো নেওগৰ পাণ্ডিত্য আৰু সাহিত্যসেৱাৰ সাক্ষ্য বহন কৰি জিলিকি থাকিব নিশ্চয়। যোৱা শাৰদীয় সংখ্যা 'নীলাচল'ত নেওগে নিজহাতে নিজ জীৱনৰ কেইবাখিলা পাতৰ কাহিনী লিপিবদ্ধ কৰি থৈ গৈছে। 'ৰামধেনু'ত ওলোৱা 'অতীত-মাধুৰী' নামৰ এখনি প্ৰবন্ধতো তেওঁৰ হেৰোৱা দিনৰ ছবিবোৰ ফটফটীয়া হৈ আছে।

সাহিত্যসাধক নেওগৰ বিষয়ে বহু কথাই কব পাৰি আৰু বিভিন্ন দিশৰ পৰা তেওঁক নিৰীক্ষণ কৰিবও পাৰি। আমি এই আলচত আলোচনীৰ সম্পাদক আৰু সভাৰ সম্পাদক স্বৰূপে তেওঁৰ বিষয়ে নিৰপেক্ষভাৱে আধাৰচেৰেক কথা লিখিব খুজিছোঁ। শিৱসাগৰ চৰকাৰী মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ অৱস্থাতে নেওগে তেওঁৰ সাহিত্যিক জীৱনৰ আথৰা আৰম্ভ কৰিছিল। ১৯১১ চনত তেওঁ সেই স্কুলৰ হাতেলিখা আলোচনীৰ সহকাৰী সম্পাদক হয় আৰু কুমলীয়া নেওগৰ কান্ধত সেয়েই আছিল প্ৰথম সম্পাদকীয় ভাৰ। তাত তেওঁ যি দুই-এটা কবিতা লিখিছিল তাতে সাহিত্য-বৰগছৰ অঙ্কুৰ নিহিত হৈ থকা গম ধৰিব পাৰি। শিক্ষক ৺ৰাজেন্দ্ৰনাথ বৰুৱাদেৱে ভৱিষ্যৎবাণী কৰি কৈছিল— Dimbeswar will be a big man. প্ৰবেশিকা মহলাত উঠি কটন কলেজলৈ অহাৰ পিছৰ পৰা ক্ৰমাৎ নেওগৰ সাহিত্যিক জীৱন বিকশিত হবলৈ ধৰে। সেই কালত কটনত এ এছ-এল ক্লাবৰ পূৰ্ণ পয়োভৰ আছিল আৰু সদৌ অসমৰ ছাত্ৰ সমাজকে এডালি সূতাৰে বন্ধা অসম ছাত্ৰ সন্মিলনৰো তেতিয়া জোৱাৰ-ভাটা চলি আছিল। জোৱাৰ-ভাটা বোলা হৈছে এই কাৰণেই যে অসহযোগ আন্দোলনৰ ধুমুহাই অসমৰ ছাত্ৰ সমাজকো বৰকৈ কোবাইছিল আৰু সেই সময়ত অসম ছাত্ৰ সন্মিলনৰ বৰঘৰৰ মুধচ উৰি যাওঁ উৰি যাওঁ হৈছিল আৰু ধুমুহাই শাম কটাত সি স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিছিল। কটন কলেজৰ ছাত্ৰাবাসৰ মুখপত্ৰ স্বৰূপে "সেউতী" নামৰ এখন হাতেলিখা আলোচনী নিয়মিতভাৱে ওলাই আছিল। আজিকালিৰ দৰে তেতিয়া স্কুলে স্কুলে আৰু কলেজে কলেজে ছপা আলোচনী উলিয়াব পৰা কথাটো সপোনৰো আগোচৰ আছিল। ছাত্ৰ সন্মিলনৰ মুখপত্ৰ প্ৰকাশ হোৱাৰ পূৰ্ব্বতে সেউতীয়েই কলেজীয়া ছাত্ৰসকলৰ সাহিত্য চৰ্চ্চাৰ কঠীয়াতলী আছিল। নেওগে সেউতীৰ সম্পাদনাৰ দায়িত্ব লোৱা নাছিল যদিও এই কাকততে প্ৰকাশিত তেওঁৰ 'মালিকা' নামৰ দীঘল শোক-কবিতাটো পিছত কিতাপৰ আকাৰত সহপাঠী ৺শুকদেৱ গোস্বামীয়ে যোৱা ১৯২১ চনত ছপা কৰি উলিয়ায়। মালিকাই তেওঁৰ প্ৰথম ছপা পুথি। ইয়াৰ পিছতে অসহযোগ আন্দোলনে মুজুৰা পেলোৱা অসম ছাত্ৰ-সন্মিলন সঞ্জীৱিত কৰিবলৈ চেষ্টা চলে। প্ৰথমতে সন্মিলনৰ মুখপত্ৰ স্বৰূপে "জন্মভূমি" নাম দি এখন তিনিমহীয়া আলোচনী প্ৰকাশ কৰা হয়। কাকতখনৰ সম্পাদক আছিল তিনিজন— শুকদেৱ গোস্বামী, ডিম্বেশ্বৰ নেওগ আৰু শ্ৰীদৈৱচন্দ্ৰ তালুকদাৰ। হাতেলিখা 'সেউতী'ৰ ঠাইত 'জন্মভূমি'ৰ জেউতি জিলিকি উঠিল। ছাত্ৰৰ তিনিজনৰ দ্বাৰা সম্পাদিত আলোচনী হলেও 'জন্মভূমি'য়ে তেতিয়াৰ প্ৰবীণ সাহিত্যিকসকলৰ মাজতো প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছিল। ডঃ সূৰ্য্যকুমাৰ ভূঞা, জ্ঞানদাভিৰাম বৰুৱা, বেজবৰুৱা, গোহাঞিবৰুৱা প্ৰভৃতিৰ প্ৰবন্ধয়ো এই আলোচনীৰ মূল্য বঢ়াইছিল। নেওগৰ দীঘলীয়া কবিতা, ছাত্ৰ-সন্মিলনীৰ সভাপতি টমাছ চাহাবৰ অভিভাষণৰ ভাঙনি আদিও 'জন্মভূমি'ত প্ৰকাশ হৈছিল। কাকতখনৰ তিনিটা মানোন সংখ্যা প্ৰকাশ হোৱাৰ পিছতে কেনা লাগিল। ছাত্ৰ-সন্মিলনীৰ বছেৰেকীয়া অধিবেশন বহাৰ আগে আগে বিষয় বাছনি সভা বহিল। সেই সভাত 'জন্মভূমি'ক ছাত্ৰ সন্মিলনৰ মুখপত্ৰ হিচাপে স্বীকৃতি দিয়া হব নে নহয় সেই বিষয়ে তিতা-কেহা আলোচনা হ'ল। আলোচনা বেয়াৰ ফালে ঢাল লোৱা দেখি নেওগ আৰু গোস্বামীয়ে খঙত সভাৰ এৰি ওলাই গ'ল। তালুকদাৰ অকলে থাকিল। তুমুল তৰ্ক-বিতৰ্কৰ অন্তত স্বত্বসাপেক্ষে 'জন্মভূমি'ক ছাত্ৰ-সন্মিলনৰ মুখপত্ৰ হিচাপে ৰাখিবলৈ স্থিৰ কৰা হ'ল। তালুকদাৰে এই বাতৰি গোস্বামী আৰু নেওগক দিলেগৈ। পিছে ফল হলে নধৰিলে। নেওগ আৰু গোস্বামীৰ তেতিয়াও লগৰীয়া প্ৰতিনিধিসকলৰ ওপৰত খং মাৰ যোৱা নাছিল। তেওঁলোকে 'জন্মভূমি'ৰ স্বত্ব কাকো এৰি দিয়া নহব বুলি খাটাং সমিধান দিলে। শুকদেৱ গোস্বামীয়ে লোকচান ভৰি হলেও অন্ততঃ দুবছৰলৈ নিজৰ গাঠিৰ ধন ভাঙি জন্মভূমিৰ খৰচ বহন কৰিব বুলি কথা দিলে। তেওঁৰ সেই অঙ্গীকাৰ লিপিবদ্ধ কৰি এখন ৰেজেষ্টি দলিলো কৰা হৈছিল। পিছে গালো বালো সকলো খোলাকটিৰ তাল হ'ল। জন্মভূমি মৰিল নি মৰিলেই। ৪ৰ্থ সংখ্যা প্ৰকাশ নহ'ল। শুকদেৱ গোস্বামীয়ে 'জন্মভূমি'ক নেওচা দি বিলাতলৈ যোৱাত বাকী দুজন সম্পাদকো নিতাল মাৰিবৰ বাধ্য হ'ল। ইফালেদি অসম ছাত্ৰ সন্মিলনৰ পৰা 'মিলন' নামেৰে নিজাকৈ এখনি তিনিমহীয়া আলোচনী প্ৰকাশ কৰা হ'ল। মিলনৰ প্ৰথম বছৰ সম্পাদকৰ ভাৰ লৈছিল শ্ৰীগৰ্গনাৰায়ণ চৌধুৰীয়ে।

নেওগে প্ৰথম বছৰ মিলনৰ পৰা ফালৰি কাটি আছিল। দ্বিতীয় বছৰত এই কাকতৰ তেৱেঁই সম্পাদক নিৰ্ব্বাচিত হ'ল আৰু একেৰাহে তিনি বছৰ তেওঁ এই কাকতৰ সম্পাদক স্বৰূপে আছিল। মিলন সম্পাদনাতেই নেওগৰ কৃতিত্ব সৰ্ব্বাধিক পৰিমাণে ফুটি ওলাইছিল আৰু অসমৰ সাহিত্যিক সমাজত তেওঁৰ খ্যাতি বিয়পি পৰিছিল। এই সময়তে তেওঁ লগৰীয়া আৰু কনিষ্ঠ এচাম সাহিত্যিকৰ পথ প্ৰদৰ্শক স্বৰূপ হৈছিল। আমিও এই চোৱা কালতে তেওঁৰ বেছি ওচৰ চাপিছিলোঁ আৰু 'মিলন'ৰ কামত আত্মনিয়োগ কৰিবলৈ সুবিধা পাইছিলোঁ। ৪ৰ্থ বছৰত 'মিলন' সম্ভৱতঃ দুমহীয়া হৈছিল। নেওগে কলেজীয়া শেষ পৰীক্ষা দি গুৱাহাটীৰ পৰা আঁতৰি গৈছিল আৰু সহকাৰী সম্পাদক হোৱাৰ উপৰিও মিলন পৰিচালনাৰ সকলো দায়িত্ব আমাৰ ওপৰতে পৰিছিল। নেওগৰ পিছত শ্ৰীবিনন্দ বৰুৱা আৰু তাৰ পিছত এই লিখকৰ মিলনৰ সম্পাদক হবলৈ সুযোগ মিলিছিল। সেই চোৱা কালত "বাঁহী"ৰ বাহিৰে ভাল অসমীয়া কাকত নাছিল। ছাত্ৰৰ মুখপত্ৰ আৰু বেছিভাগ ন-লিখক ছাত্ৰৰ হলেও 'মিলন' এখন জাকতজিলিকা আলোচনী বুলি সকলোৱে মানি লৈছিল। সেইদিনত কোনো অসমীয়া আলোচনীৰ সম্পাদকেই বেতনভোগী হোৱাৰ সৌভাগ্য নহৈছিল। সম্পাদনাৰ উপৰিও সম্পাদকেই কেনেকৈ বেহগছৰ পৰা কেহগছলৈ সকলো কাম কৰিবলগীয়া হৈছিল সেই কথা নেওগে এইদৰে কৈ গৈছে—১৯২৪ ত বি. এছ. চি. ডিগ্ৰী পৰীক্ষাত বহা কেদিনৰ ভিতৰতে ছাত্ৰ সন্মিলনৰ 'মিলন' আলোচনী ভি-পি মণিঅৰ্ডাৰৰ টকা গ্ৰহণ কৰা আৰু পৰীক্ষাৰ সময়ৰ বাহিৰত কামলতিৰ তলত এটোপোলা মিলন লৈ ভি-পি ডাকত দিবলৈ যোৱা কাম চলি আছিল। এদিন অকস্মাতে আমাৰ পদাৰ্থ বিজ্ঞানৰ শিক্ষক সুৰেন্দ্ৰ চেটাৰ্জ্জীয়ে মোক দেখি বিতৃষ্ণ হৈ সুধিলে— 'তুমি ডিগ্ৰী পৰীক্ষাত বহা নাই?' মোৰ মুখৰ পৰা মাত নসৰিল। 'বাৰু, কামৰ মানুহ' বুলি তেওঁ আঁতৰি গ'ল। জ্যেষ্ঠ লিখকসকলেও মিলনক তেওঁলোকৰ নিজা কাকতৰ নিচিনাকৈ মৰম কৰিছিল। সুখৰ বিষয়, অসমীয়া সাহিত্যৰ বুৰঞ্জীত মিলন যুগৰ এটা খ্যাতি স্থায়ীভাৱে ৰৈ গ'ল। এই যুগৰ আন আন নামজলা লিখকসকল আছিল শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, পাৰ্ব্বতিপ্ৰসাদ বৰুৱা, ডঃ শ্ৰীৰোহিনীকান্ত বৰুৱা, শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা, ডাঃ শ্ৰীপৰেশনাথ বৰুৱা, শ্ৰীমোহনচন্দ্ৰ মহন্ত, শ্ৰীযোগকান্ত বৰুৱা প্ৰভৃতি ভালেমান। ভৱিষ্যতৰ প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও বিষয় বাসনাৰ মেৰপাকত সোমাই পিছত কেইজনমানে হাতৰ কাপ নমাই থলে। সি যি নহওক এই মিলন যুগৰ কেন্দ্ৰস্বৰূপ আছিল স্বৰ্গীয় ডিম্বেশ্বৰ নেওগ। এই মিলনতে তেওঁৰ বুৰঞ্জীলেখক, শাপমুক্তা, শেষ গায়ক আদি শ্ৰেষ্ঠ দেশপ্ৰেমমূলক কবিতাসমূহ প্ৰকাশ হৈছিল।

মিলনৰ পিছত নেওগে সম্পাদনা কৰা আনখন কাকত হৈছে বেজবৰুৱাৰ 'বাঁহী'। নামত অৱশ্যে বেজবৰুৱাই বাঁহীৰ সম্পাদক হৈ আছিল, আঁৰত থাকিহে নেওগে সম্পাদনা কাৰ্য্য নিয়াৰিকৈ সম্পন্ন কৰিছিল। নেওগে তেতিয়া কটনত ইংৰাজী সাহিত্যৰ এম-এ শ্ৰেণীত নাম লগাই লৈছিল আৰু কটন ছাত্ৰাবাস এৰি প্ৰতিমাৰ

খনিকৰ চন্দ্ৰকুমাৰৰ মৰমৰ ডেউকাৰ উম লৈ প্ৰথমতে আগৰৱালাৰ নিজা ঘাত আৰু পিছত তেতিয়াৰ নিউপ্ৰেছৰ ওচৰতে খাৰগুলিৰ লুইতৰ দাঁতিৰ অস্থায়ী বাহৰত থানিকা পাতি আছিল। এইখিনিতে উল্লেখ যোগ্য যে তেতিয়াৰ নিউপ্ৰেছ এক সাহিত্য-কেন্দ্ৰত পৰিণত হৈছিল। বৰ্গতো অধিক জনমভূমি মগ্ন জপি জাতীয়তাবাদী 'অসমীয়া' কাকত সেই প্ৰেছৰ পৰা ওলোৱাৰ বাবে তালৈ অসমীয়া সাহিত্যিক আৰু অনেক বিশিষ্ট লোকৰ আহযাহ হৈছিল। চন্দ্ৰকুমাৰ আগৰৱালাই তেওঁৰ উজানবজাৰ ঘৰৰ পৰা নিয়মিতভাৱে তালৈ গৈছিল আৰু নিউপ্ৰেছৰ সৰু-বৰ সকলো কৰ্মচাৰী আৰু হিতাকাঙ্ক্ষী লোকৰ লগত সৌহাৰ্দ্য স্থাপন কৰিছিল। চন্দ্ৰকুমাৰৰ উপৰিও অগ্নিঋষি কমলাকান্ত ভট্টাচাৰ্য্য, ভোলানাথ পুকন জে-বৰুৱা, শ্ৰীলক্ষ্মীনাথ ফুকন, শ্ৰীঅমিয়কুমাৰ দাস, প্ৰভৃতি দেশবৰেণ্য লোকসকলে নিউপ্ৰেছত পদধূলি দিছিল। এইসকলৰ সান্নিধ্যত নেওগেও নিশ্চয় উপকৃত নোহোৱাকৈ থকা নাছিল। আগৰৱালা আৰু নেওগৰ মিলন সোণ-সুৱগাৰ মিলন হৈছিল। আগৰৱালাদেৱৰ এটা ডাঙৰ গুণ আছিল এয়ে যে তেওঁ মানুহ চিনি পাইছিল আৰু কোন মানুহ কি কামৰ উপযুক্ত সেই কথা গম ধৰিব পাৰিছিল। সম্পাদক বেজবৰুৱা কলিকতাৰ পৰা আঁতৰত থাকিব লগীয়া হোৱাত কলিকতীয়া বাঁহীয়ে নানান অসুবিধাৰ সন্মুখীন হবলগীয়া হৈছিল আৰু বাঁহী ওলোৱাত অনিয়মীয়া হৈ পৰিছিল। সেইবাবে 'বেজ'ৰ হাতৰ পৰা 'বাঁহী'ক 'মাজু'য়ে গুৱাহাটীৰ নিউপ্ৰেছলৈ আনি তাৰ পৰোক্ষ সম্পাদনাৰ ভাৰ তেওঁৰ বিশ্বস্ত পাত্ৰ নেওগৰ ওপৰতে জাপি দিলে। নেওগৰ দৰে এজন সুদক্ষ সাহিত্য-সহকাৰী লাভ কৰি বেজবৰুৱায়ো সকাহ পালে। এই হোৱা কালত বেজবৰুৱাই আগৰ দৰে বেছি প্ৰবন্ধ-পাতি লিখিবলৈ সময় পোৱা নাছিল আৰু কৃপাবৰবো ককাল পৰি আহিছিল। পোনে পোনে সম্পাদকলৈ যোৱা সকলোবোৰ প্ৰবন্ধ, কবিতা দুই-এটা মধ্যে দি বেজবৰুৱাই নিউপ্ৰেছলৈ পঠিয়াই দিছিল। নেওগে সেই সকলোবোৰ চালি-জাৰি চাই ভালবোৰ মনোনীত কৰিছিল আৰু বেয়াবোৰ ফটা কাকতৰ পাচিলৈ দলিয়াই দি মূল্যবান প্ৰবন্ধ, কবিতা, আলোচনী আদিৰে সজাই-পৰাই নিয়মীয়াকৈ বাঁহী উলিয়াইছিল। সেই সময়তে কিছুদিন ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাও নেওগৰ চুবুৰীয়া হৈ খাৰগুলিৰ নিউপ্ৰেছৰ মেনেজাৰৰ বাবে সজোৱা পক্কী ঘৰৰ টিঙৰ কোঠাত আছিল। "বাঁহী"ৰ সম্পাদনাত জ্যোতিপ্ৰসাদেও নেওগৰ লগত হাত উজান দি অসমীয়া নাট্য আন্দোলনৰ বা-বাতৰি আৰু শিল্পী শ্ৰীভূপেন চৌধুৰীৰ দ্বাৰা আঁকাই কিছুমান সাহিত্য-সমালোচনাৰ কাৰ্টুন বাঁহীত প্ৰকাশ কৰাইছিল। এই কাৰ্টুনবোৰ বৰ জনপ্ৰিয় হৈছিল। ইন্দ্ৰধনু, মালতী, পুপিতৰা আদি পুথিত সন্নিবিষ্ট আবেগ-অনুৰাগমূলক নেওগৰ বহু কবিতা প্ৰথমে এই বাঁহীতেই প্ৰকাশ হৈছিল আৰু সেইবোৰৰ বাবে নেওগ কবিৰ নাম ফুটিফাটি গৈছিল। শিক্ষাৰ অন্তত চাকৰিয়াল হৈ নেওগে গুৱাহাটী এৰি যাবলগীয়া হোৱাত তেওঁৰ পিছৰ বছৰ বাঁহীৰ ভাৰ লৈছিল শ্ৰীপদ্মধৰ চলিহাই আৰু সহকাৰী সম্পাদক হিচাপে চলিহাদেৱৰ নামো ছপা হৈছিল।

চাকৰিয়াল হৈ থাকোঁতে নেওগে তথন আলোচনীৰ সম্পাদকৰ দায়িত্ব লৈছিল। প্ৰথমখন হৈছে যোৰহাট চৰকাৰী হাইস্কুলৰ ছাত্ৰ-আলোচনী 'জেউতি'। জেউতিৰ যোগেদি তেওঁ শুদ্ধ ভাষা লিখিবলৈ আৰু সৎ সাহিত্য সৃষ্টি কৰিবলৈ ছাত্ৰসকলক অনুপ্ৰেৰণা যোগাইছিল। যিবিলাক ছাত্ৰই জেউতিৰ সম্পৰ্কত তেওঁৰ সংস্পৰ্শলৈ আহিছিল সেইসকলে আজিও তেওঁৰ কথা কৃতজ্ঞতাৰে সোঁৱৰণ কৰে। তেতিয়াৰ 'জেউতি'ৰ কেবাজনো লিখক আজি কৃতী সাহিত্যিক হবলৈ সক্ষম হৈছে। ইও নেওগৰ গৌৰৱ।

নেওগ ৫ম বছৰত শ্ৰীপূৰ্ণানন্দ শৰ্মা পাঠকৰ লগত যুটীয়াভাৱে আৰু ৭ম, ৮ম আৰু ১০ বছৰ অকলে অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদকো হৈছিল। পত্ৰিকাৰ গ্ৰাহক



আৰু পাঠকৰ সংখ্যা আজিও আশানুৰূপভাৱে বঢ়া নাই। তেতিয়া আৰু তাকৰ আছিল। আনবোৰ কাকতৰ সম্পাদক হিচাপে নেওগৰ যেনে নাম হৈছিল, পত্ৰিকাৰ সম্পাদক হিচাপে তেনে নাম হোৱা নাছিল। পত্ৰিকাৰ সম্পাদক আৰু সাহিত্য সভাৰ প্ৰশাসন বিভাগৰ লগত সততে খকাখুন্দা লগাৰ লাজলগা বাতৰি সঘনে পঢ়িবলৈ পোৱা গৈছিল। এবাৰ এনে এটা অশোভনীয় পৰিবেশবো সৃষ্টি হৈছিল যে পত্ৰিকা ছপা হৈ ওলোৱাৰ পিছত বিলনিয়াৰ দায়িত্ব কোনে লব লাগে সেই কথা লৈ দুই পক্ষৰ মতভেদ হোৱাৰ ফলত ছপা পত্ৰিকাবোৰ সাহিত্য সভাৰ ঘৰত ঠাই নেপাই আলিৰ গৰখাটৈত জমা হৈছিলগৈ। দোষ কাৰ আছিল এতিয়া আৰু খুচৰি উলিয়াবৰ আৱশ্যক নাই।

এতিয়া আলোচনীৰ সম্পাদক নেওগক এৰি সভাৰ সম্পাদক নেওগৰ কাষলৈ যাওঁ। নেওগে লিখিছে—"১৯২১-২৭ চনৰ বছৰকেইটা আকৌ পঢ়া-শুনা আওহেলা কৰি গুৱাহাটী অসমীয়া ছাত্ৰৰ সাহিত্য সভা (এ-এছ-এল-ক্লাব) আৰু অসম ছাত্ৰ-সন্মিলনৰ প্ৰধান সম্পাদক হোৱা অসম ছাত্ৰ-সন্মিলনৰ মুখপাত পোনতে 'জন্মভূমি' আৰু পাছত 'মিলন'ৰ সম্পাদনা কৰা আদি কামত অতিবাহিত হৈছিল।" নেওগ ছাত্ৰ-সন্মিলনৰ সম্পাদক হোৱা কোনো কথাই হলে আমাৰ মনত পৰা নাই। নেওগৰ সহকৰ্মী শ্ৰীদেৱচন্দ্ৰ তালুকদাৰেও নেওগ ছাত্ৰ-সন্মিলনৰ প্ৰধান সম্পাদক হোৱা নাছিল বুলিহে আমাৰ আগত কলে। সি যি নহওক এইটো বিশেষ আৱশ্যকীয় কথা নহয়। অসম সাহিত্য সভাৰ লগত তেওঁৰ সম্পৰ্কহে বিতংভাৱে জনাটো আৱশ্যক।

১৯৪৪ চনৰ পৰা ১৯৪৭ চনলৈ তেওঁ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ দায়িত্ব বহন কৰিছিল। এই-হোৱা কালত তেওঁ চুমডুমাৰ পৰা ধুবুৰীলৈকে ঘূৰি প্ৰায় এশজন আজীৱন সভ্যৰ পৰা দহ হাজাৰ টকা তুলি সাহিত্য সভাৰ ধনভঁৰাল টনকিয়াল কৰিছিল। এই কামৰ কৃতিত্ব কেৱল নেওগৰে নহয়। ধন তোলা কামত বাগীবৰ নীলমণি ফুকন (সভাপতি) ডাঙৰীয়ায়ো গা লাগি সহযোগ কৰিছিল। সাহিত্য সভাৰ বুৰঞ্জীত ই নিশ্চয় এটা লেখত লবলগীয়া গৌৰৱৰ বিষয়। পিছে যেয়ে হলেও সাহিত্য সভাৰ নেওগ সম্পাদক হৈ থকা কালছোৱা বৰ উজ্জ্বল বুলি কব নোৱাৰি। তেতিয়া মূলসভাৰ অৱস্থা লাহে লাহে বৰ নিশকতীয়া হৈ আহিছিল। সেই অৱস্থা সুস্থ কৰিবলৈ নেওগ সক্ষম হোৱা নাছিল আৰু তেওঁ সেই বিষয়ে মন-কাণ নিদি সকলো শক্তি আজীৱন সভ্য সংগ্ৰহত কেন্দ্ৰীভূত কৰিছিল। শ্ৰীবেণুধৰ শৰ্মাই কোৱাৰ দৰে আঁকোৰগোঁজ স্বভাৱৰ বাবেই হবলা নেওগৰ সাহিত্য সভাৰ লগত ভালদৰে বাহি-যোৰা অহা নাছিল আৰু লগৰীয়া বহুতৰ লগতে তেওঁৰ মিল ভাব নাছিল। ইয়াৰ ফলত ডাল-পাতবোৰ নাইকিয়া হৈ গলে গাগছ জোপাৰ যেনে বিপৰ্যয় হয় সাহিত্য সভাৰো সেই সময়ত তেনে অৱস্থা মিলিছিল। উপযুক্ত সভাপতি আৰু সম্পাদক থকা সত্ত্বেও শাখা সভাবোৰ ক্ৰমাৎ জহি গৈছিল আৰু দলাদলি আদি দেখি দেশৰ মানুহৰ সাহিত্য সভাৰ প্ৰতি আস্থাও টুটি আহিছিল। নেওগ ৪৪ চনৰ পৰা ৪৭ চনলৈ একেৰাহে তিনি বছৰ সভাৰ সম্পাদক হৈ আছিল যদিও ইয়াৰ ভিতৰত তেওঁ কোনো বছেৰেকীয়া অধিবেশন পাতিবলৈ সমৰ্থ নহ'ল। পিছৰ ডিব্ৰু অধিবেশনৰ বাছনি সভাত দুৰ্জাদল কাজিয়া হৈছিল। তাত দ্বিতীয় বাৰৰ বাবে কোনো ফালৰ পৰা সম্পাদকৰ বাবে নেওগৰ নাম প্ৰস্তাৱিত নহ'ল। সভাৰ চৰম ব্যৰ্থতা পৰিলক্ষিত হৈছিল, নেওগে সম্পাদকৰ ভাৰ এৰি দিয়াৰ পিছতে মাৰ্ঘেৰিটাত বহা বছেৰেকীয়া অধিবেশনত। আজীৱন সভ্যৰ সংখ্যা বাঢ়িছিল যদিও সেই অনুপাতে সাধাৰণ সভ্যৰ সংখ্যা শোচনীয়ভাৱে কমি গৈছিল। মাৰ্ঘেৰিটালৈ ১৩ জন নে ১৪ জন প্ৰতিনিধি আৰু অতি কম সংখ্যক দৰ্শনাৰ্থীয়া দৰ্শকে যোগ দিয়াটোৱেই ইয়াৰ প্ৰমাণ। বিষয় বাছনি সভাত কাৰ্য্যনিৰ্বাহকৰ বাবে সভ্যৰ নাটনি হৈছিল আৰু প্ৰতিনিধি হৈ যোৱা আঠাইকেইজন সভ্যই বিনা-

প্ৰতিদ্বন্দ্বিতাৰে নিৰ্ব্বাচিত হৈছিল। আজি এইবোৰ সাধু-কথাৰ দৰে হৈছে। তাৰ পিছৰ অধ্যায় আৰু ডুখলগা। তাতোকৈ আচৰিত কথা ৪৭ চনতে নেওগে যি সম্পাদকৰ বাব গতাই দিলে তাৰ পিছত ১৯৬৫ চনত নলবাৰীত সভাপতি হোৱালৈকে মাজৰ এই দীঘলীয়া কালছোৱাত তেওঁ অসম সাহিত্য সভাৰ বিষয়ে অলপো তু-ভা ৰখা নাছিল। সভাপতি হৈ থকা বছৰটোতো তেওঁ আগৰ দৰে আজীৱন সভ্য ভৰ্ত্তিকৰণতে বিশেষ গুৰুত্ব আৰোপ কৰিছিল। অপ্ৰিয় সত্য হলেও এই কথা স্বীকাৰ কৰিব লাগিব যে অসম সাহিত্য সভাৰ সম্পাদক হিচাপে নেওগ কৃতকাৰ্য্য হোৱা নাছিল। এই বিষয়ে আমি অৱশ্যে তেওঁক জগৰীয়া কৰিব নোখোজো। কিয়নো সকলো মানুহে যে সকলো কামতে সমানে পাৰদৰ্শিতা দেখুৱাব পাৰিব তেনে আশা কৰাটো ভুল। যিখন সমাজত আমি বাস কৰোঁ সেই সমাজৰ মানুহৰ লগত তেল-পানীৰ সম্বন্ধ হলে পদে পদে বিপদ চপাই লবলগীয়া হয়। নিজৰ আদৰ্শ বিসৰ্জ্জন নিদিয়াকৈও এৰা-ধৰা কৰি সমাজখনৰ লগত নিজক খাপ খুৱাই লব পাৰিলেহে মানুহে সুখ-শান্তিৰে থাকিব পাৰে আৰু তাৰ দ্বাৰা সমাজৰো উন্নতি হয়। নেওগৰ চৰিত্ৰত এনে এটা মনোবৃত্তি আছিল যিহৰ কাৰণে তেওঁ জীৱনৰ কোনো ক্ষেত্ৰতে সুখৰ মুখ দেখা নেপালে। এই আঁকোৰগোঁজ মনোভাবক হয়তো নেওগৰ চৰিত্ৰৰ বৈশিষ্ট্য বা নিকপ-কপীয়া আদৰ্শনিষ্ঠা বুলি প্ৰশংসাও কৰিব পাৰি। ইয়াৰ ব্যাখ্যা নেওগৰ নিজৰ লিখাতে এইদৰে পোৱা যায়— "হৈ চৈ চিঞৰ-বাখৰ কৰি দেশ বা সমাজ উদ্ধাৰ কৰাত মোৰ আস্থা কোনো কালেই নাছিল। সৰহ নালাগে, মহাত্মা গান্ধীৰ নেতৃত্বই নিজা ভাবেও মোক বিশেষ অনুপ্ৰেৰণা দিয়া সত্বেও হৈ চৈ কৰি কলেজৰ ছাত্ৰাবাস এৰি যোৱা দলত মই নাছিলোঁ। কিন্তু পঢ়াশলীয়া দিনৰে পৰা ছাত্ৰশক্তি সংগঠিত কৰা চেষ্টাত সদায় মন প্ৰাণ ঢালি দি পাছত সাহিত্যিক আৰু সামাজিক সংগঠনত যিমানখিনি পাৰি আজিলৈকে নিজক বিলাই দি আহিছোঁ। কিন্তু কবলৈ দুখ লাগে এনেবোৰ কামত যিমানখিনি আশানুৰূপ সেৱক লগ পাব লাগিছিল পোৱা নাই আৰু পোৱাসকলৰ ভিতৰতো সৰহখিনি-য়েই ছাত্ৰ জীৱনৰ অৱসানৰ লগে লগেই সমাজ সেৱাত কান্ধ পেলালে।"

জীৱনৰ এই অকৃতকাৰ্য্যতাৰ ব্যাখ্যা আৰু স্বীকৃতি নেওগৰ নিজা লিখাতে এইদৰে পোৱা যায়—"মনত পৰা কালৰে পৰা অনুভৱ কৰি আহিছোঁ নিজৰ ভিতৰৰ পৰা নিৰ্দ্দিষ্ট নিৰ্দ্দেশ আৰু তাৰ লগত বাহিৰৰ জগতখনৰ অসামঞ্জস্য। কিন্তু সদায় যেনে তেনে সেই ভিতৰৰ নিৰ্দ্দেশকে সাধ্যমতে পালি আহিছোঁ। ভিতৰ বাহিৰৰ এই অমিলৰ বাবেই সমাজত মই সহজে জীণ যাব নোৱাৰোঁ আৰু সৰৱৰহিতা বোলা গুণটো মোৰ শূন্য। কিন্তু বাহিৰত এনে নিঃসঙ্গ আৰু প্ৰায় নিঃসহায় অৱস্থা হলেও ভিতৰৰ সঁহাৰিয়ে মোক সদায় সহায় আৰু উদ্গনি যাচিছে।"

বুৰঞ্জী লিখকে সত্যৰ অপলাপ কৰিব নেপায়। সেই কাৰণে সঁচা কথা কবলৈ হলে কবই লাগিব যে সাহিত্যিক হিচাপে নেওগৰ স্থান যিমান ওখত, সম্পাদক হিচাপে তেওঁ সিমানলৈ উঠাব পৰা নাছিল। সেয়ে হলেও অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জীত নেওগ সদায় অবিস্মৰণীয় হৈ জিলিকি থাকিব, সেইটো ধ্ৰুৱ। মৃত্যুৰ লগে লগে গাৰ ধুলি-বালি জোকাৰি নিকা হৈ তেওঁ আজি অমৰলোকত স্থান লৈছেগৈ। হেম-গুণাভি-লক্ষ্মী-নাথৰ লগতে বহি জ্যোতিষ্মান নেওগে তাৰে পৰাই অসমীয়া সাহিত্যৰ পথপ্ৰদৰ্শক হওক—এয়ে আমাৰ কামনা।

---

# ডিম্বেশ্বৰ নেওগৰ সাহিত্যৰ বুৰঞ্জীৰ বৈশিষ্ট্য

শ্ৰীশশী শৰ্ম্মা

সাধাৰণতে সমাজ জীৱনৰ উত্থান-পতনৰ বিভিন্ন তথ্য, সত্য আৰু ধাৰাকেই বুৰঞ্জীত খোদিত কৰা হয়। ৰাজ-নৈতিক বা সামাজিক বুৰঞ্জীতো যথাৰ্থতে মানুহৰ কথাই কোৱা হয়, কাৰণ সকলোৰে মূল হ'ল মানুহ। সাহিত্যও মানুহক কেন্দ্ৰ কৰিয়েই মানুহৰ দ্বাৰা ৰচিত হয়। মানৱ-মন অতিশয় বৈচিত্ৰ্যপূৰ্ণ। প্ৰাগ-ঐতিহাসিক যুগৰে পৰা মানুহৰ প্ৰব্ৰজন চলিয়েই আছে; এটা কোনো বিশেষ গোষ্ঠীৰ লোক গৈ আন এটা বেলেগ গোষ্ঠীৰ লোক সমষ্টিৰ লগত একেলগে নতুন সভ্যতা বা সংস্কৃতিৰ সৃষ্টি কৰা মানৱ সভ্যতাৰ এটা প্ৰাচীনতম ৰীতি। এনে প্ৰব্ৰজন আৰু মিশ্ৰণে পৃথিৱীৰ কুৰি পৰা ভালেমান জাতি আৰু তেওঁলোকৰ সভ্যতাক বিলোপ কৰিছে। আনহাতে কোনো কোনো জাতিক সুদৃঢ়-সবল আৰু তেজস্বীও কৰি তুলিছে। আজি বিংশ শতিকাত আদিম যুগৰ দৰে মানুহৰ প্ৰব্ৰজন চলা নাই সঁচা, চিন্তা-ভাবনাৰ প্ৰব্ৰজন হলে চলিছে। আদিম যুগত এটা গোষ্ঠীৰ মানুহ আন এটা গোষ্ঠীৰ মানুহৰ লগত মিলি গলে দুয়ো গোষ্ঠীৰ ভাষা, সাহিত্য বা সংস্কৃতিৰ সমন্বয় ঘটা স্বাভাৱিক আছিল। তেতিয়াৰ দিনত অধিক শক্তিশালী গোষ্ঠীৰ লোক-সমষ্টিয়ে আপেক্ষিকভাৱে কম শক্তিশালী লোক গোষ্ঠীৰ মানুহৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ দৰে আজিও অধিক শক্তিশালী জাতিয়ে দুৰ্ব্বল বা সোৰোপা জাতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে। অকল সেয়ে নহয়—আজি আন্তৰ্জাতিক সমন্বয় আৰু ঐক্য সাধনৰ যুগত স্বাভাৱিক ধৰণেও ইটো জাতি সিটো জাতিৰ সাহিত্য সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত হয়। অৱশ্যে প্ৰাচীন কালৰ দৰে আজিও দুৰ্ব্বল আৰু সোৰোপা জাতিবিলাকে সবলৰ প্ৰভাৱত নিজস্বতা প্ৰায়েই বিসৰ্জ্জন দিবলগীয়া হয়।

এনে পৰিবৰ্ত্তন বা আবৰ্ত্তন অতি প্ৰাচীন। বৃহৎ ভাৰতীয় জাতিটোৰ ক্ৰমবিকাশ আৰু ক্ৰমপৰিবৰ্ত্তনৰ ইতিহাসেও আমাক ইয়াৰ স্বাক্ষৰ দিয়ে। ভাৰতীয় সাহিত্যত বিভিন্ন মানৱ গোষ্ঠীৰ প্ৰভাৱৰ চিনো স্পষ্ট। পৃথিৱীৰ অন্যান্য বিভিন্ন জাতিৰ সাহিত্যৰ বুৰঞ্জীত এই পৰিবৰ্ত্তনৰ ধাৰা খোদিত হৈ আছে। সাহিত্যৰ বুৰঞ্জী পঢ়িলে আমি কোনো এটা জাতিৰ সাহিত্যিক বৈশিষ্ট্যৰ কথা জনাৰ উপৰিও বিভিন্ন ধৰণৰ প্ৰভাৱৰ ফলত ঘটা ক্ৰমপৰিবৰ্ত্তন আৰু ক্ৰমপৰিবৰ্দ্ধনৰ ধাৰাৰ লগতো সুপৰিচিত হোৱা বাঞ্ছনীয়। অকল সেয়ে নহয়, যথাসম্ভৱ প্ৰতি গৰাকী বিশিষ্ট সাহিত্যিকৰ বৈশিষ্ট্যপূৰ্ণ সাহিত্য-প্ৰতিভাৰ লগতো সুপৰিচিত হোৱাৰ সুচল সাহি-ত্যৰ বুৰঞ্জীত থাকিব লাগে। সাহিত্যৰ বুৰঞ্জীত সাহিত্যিক জনাৰ ব্যক্তিগত পৰিচয় থকা অবাঞ্ছনীয় নহয়, কিন্তু

তাতোকৈ গুৰুত্ব আৰোপ কৰিব লাগে সাহিত্যিক ধাৰা আৰু সাহিত্য-প্ৰতিভাৰ যথাযথ ৰূপদানত। আজিৰ পৃথিৱীৰ বহু জাতিৰ মাজত এনে তৰহৰ সাহিত্যৰ বুৰঞ্জী সৃষ্টিও হ'ল।

কিন্তু কুৰি শতিকাৰ সপ্তম দশকৰ শেষ ভাগত যেতিয়া অসমৰ গাৱেঁ-ভূঞে উচ্চ-শিক্ষানুষ্ঠান কলেজ আদি প্ৰতিষ্ঠিত হ'ল আৰু দুখনো বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হ'ল তেতিয়াও অসমীয়া সাহিত্যত "সাহিত্যৰ বুৰঞ্জী" ৰচনা নহ'ল, কেৱল "সাহিত্যিকৰ বুৰঞ্জী" ৰচনাতহে মনোনিবেশ কৰি থকা হ'ল। আধুনিক অসমীয়া সাহিত্য জগতৰ প্ৰাতঃস্মৰণীয় পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে "অসমীয়া হাতেলিখা গ্ৰন্থৰ বিৱৰণমূলক তালিকা" (Descriptive catalogue of Assamese Manuscripts) আৰু "অসমীয়া সাহিত্যৰ চানেকী" প্ৰণয়ন কৰি নিশ্চয়কৈ অসমীয়া ছাত্ৰ-ছাত্ৰী আৰু চিন্তাশীলৰ কাৰণে গৱেষণাৰ বাট মুকলি কৰি দি গৈছিল। "অসমীয়া সাহিত্যৰ বুৰঞ্জী" ৰচনা কাৰ্য্যও তেওঁৰ পিছত আপেক্ষিকভাৱে সহজসাধ্য হৈ উঠিছিল। ফলস্বৰূপে দেৱেন্দ্ৰনাথ বেজবৰুৱা, ডিম্বেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্ম্মা, মহেশ্বৰ নেওগ, বিৰিঞ্চিকুমাৰ বৰুৱা, যতীন্দ্ৰনাথ গোস্বামী, হেম বৰুৱা প্ৰমুখ্যে এচাম লোকে "অসমীয়া সাহিত্যৰ বুৰঞ্জী" প্ৰণয়নত প্ৰবৃত্তও হ'ল। কিন্তু প্ৰায় আটাই কেজনৰে ৰচনা হ'ল "সাহিত্যিকৰ বুৰঞ্জী"হে। "আধুনিক সাহিত্য" গ্ৰন্থপ্ৰণেতা নতুন কৰি হেম বৰুৱাইও তেওঁৰ "অসমীয়া সাহিত্য" (Assamese Literature) গ্ৰন্থত অসমীয়া সাহিত্যৰ বিভিন্ন যুগৰ বিভিন্ন ধাৰা আৰু ব্যক্তি প্ৰতিভাৰ ওপৰত যথোচিত পৰ্য্যালোচনা তুলি ধৰিবলৈ আৱশ্যকীয় শ্ৰদ্ধা-যত্নৰ নিদৰ্শন নেদেখুৱালে। এই বুৰঞ্জী লেখকসকলৰ ভিতৰত দেৱেন্দ্ৰনাথ বেজবৰুৱাই পাশ্চাত্য-প্ৰভাৱপুষ্ট আধুনিক যুগৰ সাহিত্য বা সাহিত্যিকৰ বিষয়ে আলোচনাই কৰা নাই, তেওঁ মধ্যযুগীয় সাহিত্যতে পৰিসমাপ্তি ঘটাইছে। 'আধুনিক যুগৰ বেডিঅ' নাটক আৰু ফ্ৰয়দীয় মনস্তত্বৰ প্ৰভাৱত ৰচিত সাহিত্যলৈকে সকলো বিষয় আলোচনা দাঙি ধৰে সৰ্ব্বপ্ৰথম বিৰিঞ্চিকুমাৰ বৰুৱাই—তেওঁৰ "আধুনিক অসমীয়া সাহিত্য" (Modern Assamese Literature) গ্ৰন্থত।

১৯৫৭ চনত প্ৰকাশিত "অসমীয়া সাহিত্যৰ বুৰঞ্জী"ৰ "আগকথা"ত নিজে কৈ যোৱাৰ পৰা জনা যায় যে ডিম্বেশ্বৰ নেওগ ডাঙৰীয়া ছাত্ৰাৱস্থাৰ পৰাই সাহিত্যৰ বুৰঞ্জী প্ৰণয়ন কৰা কাৰ্য্যত প্ৰবৃত্ত হৈছিল। ইয়াৰ ফল স্বৰূপে আমি একেজনা পুৰুষৰ কাপৰ পৰা (১) আধুনিক অসমীয়া কাব্য-প্ৰতিভা, (২) আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী, (৩) অসমীয়া কথা-প্ৰতিভা (৪) অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি, (৫) অসমীয়া সাহিত্যৰ জিলিঙনি, (৬) অসমীয়া সাহিত্যৰ বুৰঞ্জী, (৭) ইংৰাজীত ৰচিত 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত নতুন পোহৰ' (New light on the History of Asamiya Literature) প্ৰভৃতি অসমীয়া সাহিত্যবিষয়ক গ্ৰন্থ পোহৰলৈ আহে। অসমীয়া সাহিত্যৰ ওপৰত একাধিক বুৰঞ্জী ৰচক ব্যক্তি কেৱল নেওগ ডাঙৰীয়াই বুলিব পাৰি। এই শতিকাৰ তৃতীয় দশকৰ পৰা সপ্তম দশকৰ প্ৰাৰম্ভলৈ বিভিন্ন ধৰণৰ সাহিত্যৰ বুৰঞ্জী প্ৰণয়ন কৰা সাহিত্যিক গৰাকীৰ ৰচনাৰ মাজেদি কিবা ক্ৰমপৰিবৰ্ত্তন বা পৰিবৰ্দ্ধন পৰিলক্ষিত হৈছিল নে নাই তাক জনাৰ স্বাভাৱিক হেপাহ আমাৰ মনত ওপজে। নেওগদেৱৰ শেহতীয়া ৰচনা "অসমীয়া সাহিত্যৰ বুৰঞ্জী" (১৯৫৭) আৰু "অসমীয়া সাহিত্যৰ বুৰঞ্জীত নতুন পোহৰ" (১৯৬২) গ্ৰন্থ দুখন সৰ্ব্বাঙ্গীন আৰু আগৰবিলাকৰ প্ৰায় সকলোখিনি কথা এই দুখনে সামৰি লৈছে। গতিকে এই দুখনৰ বিষয়ে পৰ্য্যালোচনা কৰিলেও আমি তেওঁৰ সাহিত্যৰ বুৰঞ্জী ৰচনা কৰা ৰীতিৰ বিষয়ে আভাস পাব পাৰোঁ।

১৯৫৭ আৰু ১৯৬২ চনত প্ৰকাশিত সাহিত্যৰ বুৰঞ্জী দুখনৰ বিষয়বস্তু প্ৰায় একে। প্ৰথমখনৰ 'আগকথাত' লেখকে নিজে কৈ যোৱাৰ পৰা জনা যায় যে দ্বিতীয়খন বুৰঞ্জীহে তেওঁ প্ৰথমতে ৰচনা কৰিছিল। সম্ভৱতঃ প্ৰকাশৰ অসুবিধাৰ কাৰণে তাক প্ৰায় এযুগ কাল পিছলৈ পেলাই থবলগীয়া হৈছিল আৰু সেই সুকণ্ঠতে সম্ভৱতঃ ১৯৫৭ চনত প্ৰকাশিত বুৰঞ্জীখন ৰচনা কৰি উলিয়াই আৰু আগতীয়াকৈ প্ৰকাশো কৰে। সেই কাৰণেই সম্ভৱতঃ গ্ৰন্থ দুখনৰ বিষয়বস্তু প্ৰায় একে, কেৱল আধুনিক যুগবিষয়ক অলপ বেলেগ বা ওপৰঞ্চি কথা আমি ১৯৬২ চনত প্ৰকাশিত বুৰঞ্জীখনত পাব পাৰোঁ। এই দুয়োখন বুৰঞ্জীতে অসমীয়া সাহিত্যৰ আদিম যুগৰ পৰা বিংশ শতিকাৰ পঞ্চম দশকমানলৈ আলোচনা কৰাৰ উপৰিও অসম আৰু অসমীয়াৰ উৎপত্তি, অসমৰ প্ৰাচীনতম ৰাজবংশাৱলী আৰু সংস্কৃতি সম্পন্ন সমাজ-জীৱনৰ নিদৰ্শন, আৰ্য্য-অনাৰ্য্য প্ৰভৃতি বিভিন্ন মানৱগোষ্ঠীৰ সম্ভাব্য আৰু তথ্যপূৰ্ণ বসতিকাল, সংস্কৃত পালি-প্ৰাকৃত আৰু প্ৰান্তীয় ভাষাৰ উৎপত্তি আৰু বিকাশ, অসমীয়া লিপিৰ উৎপত্তি, অসমীয়া ভাষাৰ বিকাশ আদিৰ কথাও তেওঁ বিভিন্ন দেশী-বিদেশী প্ৰামাণিক গ্ৰন্থৰ সহায়ত দাঙি ধৰিছে। এনেবোৰৰ মাজেদি তেওঁৰ ব্যক্তিগত বৈশিষ্ট্যও পৰিস্ফুট নোহোৱা নহয়। যেনে,—অসম বুৰঞ্জী প্ৰণেতা এডৱাৰ্ড গেইটে 'অসম'ৰ উৎপত্তি-বিষয়ক দাঙি ধৰা 'ন+স্যামৰ' পৰা কালক্ৰমত 'অসম' হোৱা মত ডঃ কাকতী প্ৰমুখ্যে সকলোৱে নিৰ্বিবাদে মানি লৈছে। কিন্তু ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াই এই মত মানিব পৰা নাই। তেওঁ অসমীয়া ভাষাত 'অ' ধ্বনিৰ অৰ্থৰ পাৰ্থক্যত গুৰুত্ব দিয়া নহয় বুলি কবলৈ গৈ 'বিহন' আৰু 'অবিহন' শব্দৰ অৰ্থৰ পাৰ্থক্য নাই বুলি কৈছে। সেয়ে তেওঁৰমতে 'স্যাম' আৰু তাৰপৰা উদ্ভূত হোৱা, 'আসাম,' 'অসম'ৰ পাৰ্থক্য নাই বুলি কব বিচাৰিছে। অৱশ্যে এইখিনিতে উল্লেখিয়াই থোৱা উচিত হব যে লাগে যি মতকে আমি সমৰ্থন কৰোঁহক, 'অসম'ৰ উৎপত্তিৰ লগত 'স্যাম' বা 'স্যান'ৰ সম্পৰ্ক মানি লোৱা হৈছে। পুৰণা কথাৰ ওপৰত কিবা এটা নতুন কথা কোৱাৰ যত্ন কৰাই আছিল সাহিত্যিক ডিম্বেশ্বৰ নেওগদেৱৰ বৈশিষ্ট্য।

আদিম যুগৰ লোকসাহিত্য আৰু অসমীয়া লিখিত সাহিত্যৰ আদিমতম নিদৰ্শন চৰ্য্যাগীত আৰু পাশ্চাত্য প্ৰভাৱ পুষ্ট আধুনিক যুগৰ সাহিত্যিক বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেম গোস্বামী, ৰজনী বৰদলৈ প্ৰভৃতিৰ সাহিত্যৰো তথ্য-পাতিপূৰ্ণ আলোচনা নেওগদেৱে দাঙি ধৰিছে। কিন্তু মধ্যযুগীয় অসমীয়াৰ ক্ষেত্ৰত তেওঁ যথাৰ্থতে সাহিত্যিকৰ বুৰঞ্জীহে ৰচনা কৰিলে, সাহিত্যৰ বুৰঞ্জী ৰচনাৰ প্ৰয়াস নকৰিলে। উদাহৰণ স্বৰূপে শঙ্কৰদেৱ বিষয়ক আলোচনালৈকে আঙুলিয়াব পাৰি। লেখকে শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষৰ পৰিচয় আৰু শঙ্কৰদেৱৰ জীৱনী যি বিস্তৃত ধৰণে বৰ্ণালে শঙ্কৰদেৱৰ সাহিত্য প্ৰতিভাৰ ক্ৰমবিকাশ বা ক্ৰমপৰিবৰ্ত্তনৰ বিষয় সেই অনুপাতে একোকে নকলে। নেওগৰ দ্বাৰা ৰচিত সাহিত্যৰ বুৰঞ্জীৰ পৰা শঙ্কৰদেৱ মানুহজনৰ বিষয়ে যত কথা জানিব পাৰোঁ সাহিত্যিক গৰাকীৰ বিষয়ে তাৰ শতাংশও যথাৰ্থতে নাপাওঁ। মধ্যযুগীয় অসমীয়া সাহিত্যৰ সকলো ক্ষেত্ৰতে এই একে কথাই প্ৰযোজ্য। অৱশ্যে একোটা যুগৰ পৰিবৰ্ত্তনৰ ধাৰা সামান্যভাৱে হলেও তুলি ধৰাৰ চেষ্টা নেওগৰ সাহিত্যৰ বুৰঞ্জীত আছে।

নেওগ ডাঙৰীয়াই ১৯৫৭ চনত প্ৰকাশিত অসমীয়া সাহিত্যৰ বুৰঞ্জীখনত আধুনিক যুগৰ পাশ্চাত্য আৰু আন্তৰ্জাতিক প্ৰভাৱপুষ্ট অসমীয়া সাহিত্য আৰু সাহিত্যিকক অৱজ্ঞা কৰি "অব্যাপাৰেষু ব্যাপাৰঃ" বুলি তাচ্ছিল্য কৰিলেও ১৯৬২ চনত প্ৰকাশিতখনত নতুন কবি নৱকান্ত বৰুৱা আৰু গল্প-ঔপন্যাসিক আব্দুল মালিকলৈ অন্ততঃ নাম উল্লেখ কৰাৰ প্ৰবৃত্তি প্ৰদৰ্শন কৰিছে। অসমীয়া সাহিত্যত ডিম্বেশ্বৰ নেওগক বহুতেই গোড়ামিসম্পন্ন আৰু ৰক্ষণশীল বুলিও অভিহিত কৰিছিল। পুৰণিৰ প্ৰতি আছিল তেওঁৰ অপৰিসীম প্ৰীতি আৰু শ্ৰদ্ধা। তেওঁৰ গ্ৰন্থৰ পাতে পাতে ইয়াৰ পৰিচয় সুস্পষ্ট। কিন্তু যুগৰ লগত খাপ খুৱাই নতুনক আদৰেৰে গ্ৰহণ কৰাৰ সহজ প্ৰবৃত্তি তেওঁৰ নাছিল বুলি বিশ্বাস কৰাৰ যুক্তিও তেওঁৰ গ্ৰন্থৰ মাজতেই পোৱা যায়। কিন্তু সেইবুলি ডিম্বেশ্বৰ নেওগ ডাঙৰীয়া অচল অটল সুমেৰু পৰ্ব্বত নাছিল, সময়ৰ প্ৰভাৱৰ ছাপ তেওঁৰ ওপৰতো পৰিছিল। ১৯৬২ চনত

প্ৰকাশিত সাহিত্যৰ বুৰঞ্জীখন ১৯৪৮ চন মানৰ আগতে ৰচিত হোৱা বুলি ভবাৰ যুক্তি আছে। ১৯৫৭ চনত প্ৰকাশিতখন সৰ্ব্বশেষত ৰচিত তেওঁৰ সাহিত্যৰ বুৰঞ্জী। ১৯৫৭ চনৰ খনত তেওঁৰ পৰস্পৰ বিৰোধী মত থকাৰ প্ৰমাণো আছে— বিশেষকৈ বৰ্ত্তমান যুগবিষয়ক আলোচনা প্ৰসঙ্গত। নতুন সাহিত্য আৰু সাহিত্যিকক তেওঁ "অব্যাপাৰেষু ব্যাপাৰঃ" বুলি উপলুঙাও কৰিছে। কিন্তু সমাজে এই সাহিত্যক আদৰি লবলৈ ধৰা দেখি সেই একেজন সাহিত্যৰ বুৰঞ্জী প্ৰণেতা ডিম্বেশ্বৰ নেওগে আব্দুল মালিক, নৱকান্ত বৰুৱালৈ আটাইবে অন্তত অন্ততঃ নাম উল্লেখ কৰিলে তেওঁৰ ১৯৬২ চনত প্ৰকাশিত বুৰঞ্জীখনত।

নেওগ ডাঙৰীয়া আছিল বিজ্ঞানৰো ছাত্ৰ। সেই কালৰ পৰা তেওঁ আধুনিক যুগৰ বিজ্ঞান আৰু মনোবিজ্ঞানৰ দ্বাৰা প্ৰভাৱান্বিত সাহিত্যৰ মাজত বিশেষভাৱে ৰসোপলব্ধিয়ে কৰিব লাগিছিল আৰু বিভিন্ন বৈজ্ঞানিক প্ৰভাৱৰ বিষয়ে বিস্তৃত আলোচনাও আমি তেওঁৰ সাহিত্যৰ বুৰঞ্জীৰ পৰাহে পাব লাগিছিল। তেওঁ সহজ ভাৱে নতুনক আদৰি লব নোৱাৰা কাৰণেই সম্ভৱতঃ এনেবোৰ কথা তেওঁৰ দ্বাৰা ৰচিত সাহিত্যৰ বুৰঞ্জীৰ মাজত বিচাৰিও আমি হতাশ হবহে লাগে।

আন নিয়েই নহওক, হেম গোস্বামী আৰু দেবেন্দ্ৰনাথ বেজবৰুৱাৰ পিছত অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়ন কৰা কাৰ্য্যত ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াই নিশ্চয়কৈ আনসকলতকৈ আগভাগ লৈছিল, তেওঁৰ সাহিত্যৰ বুৰঞ্জীত অধ্যয়নশীলতা আৰু চিন্তাপ্ৰৱণতাৰ সুপৰিচয়ো সুস্পষ্ট।

---

# "ডিম্বেশ্বৰ দাদা"

শ্ৰীডলী তালুকদাৰ

—এয়া বহুদিন আগৰ কথা! স্কুললৈ অহা-যোৱা, ফুৰা-চকা, খেলা-ধূলা আদিৰ মাজতে জীৱনৰ সংজ্ঞা তেতিয়া আমাৰ সীমাবদ্ধ হৈ আছিল। ঠিক এনেকুৱা সময়তে মাজে মাজে দিনবোৰ আমাৰ কাৰণে আৰু বেছি আনন্দদায়ক হৈছিল, তাৰ কাৰণ হ'ল, ডিম্বেশ্বৰ দাদা আমাৰ ঘৰত আলহী থকাটো। আলহীৰ কাৰণে সুকীয়া ব্যৱস্থা থকা কোঠাটোত 'আলহীক আমনি কৰিব নেপায়'—এনে ধৰণৰ এটা আদেশ আমাৰ ওপৰত জাৰি কৰি দেউতাই সময়ে-অসময়ে কথা-বতৰা পাতি আলহীক আমনি কৰাৰ পৰা আমাক বিৰত কৰিছিল। কিন্তু ডিম্বেশ্বৰ দাদা আহিলে আমি দেউতাৰ সেই হাকবচন পালিবলৈ চেষ্টা কৰিলেও নোৱাৰিছিলো। তেখেতে আমাক থেমেলীয়া সাধু কয়; হাঁহি উঠা কথা কয়; —লৰালিৰ সেই দিনবোৰ, আমাৰ কাৰণে সেয়া আছিল অতি আকৰ্ষণীয় কথা। সেয়েহে ডিম্বেশ্বৰ দাদা আমাৰ ঘৰলৈ থকাকৈ আহিলে আলহী কোঠাটোলৈ অবাধে আমাৰ অহা-যোৱা চলিছিল। সচৰাচৰ কিবা লিখা-পঢ়াত ব্যস্ত থকা মানুহজনে কেতিয়াবা কাগজ-কলম এৰিব—আমি তালৈ আগ্ৰহেৰে বাট চাই ৰৈছিলো— আৰু অলপ জিৰণি লোৱা যেন দেখিলেই আমি তিনিও ভাই-ভনীয়ে তেখেতক আগুৰি ধৰি কৈছিলো, "আমাক এতিয়া সাধু কব লাগিব ডিম্বেশ্বৰ দাদা।"

"নামটো আগতে কাঢ়ি পাচত দাদা, ককাই বুলিলে কি হ'ব?"—তেখেতে আমাক শুধৰাই হাঁহি হাঁহি কৈছিল।

'ডিম্বেশ্বৰ দাদা' বুলি আমাক কোনে মাতিবলৈ শিকাইছিল মনত নাই, সকতে কিন্তু তেখেতক আমি সেইদৰেই মাতিছিলো। ডাঙৰ হৈ তেখেতে সেইদৰে মাতিলে যে সঁচাকৈয়ে ভাল নেপায় সেইটো বুজিছিলো, সেইকাৰণে 'ককাইদেউ' বুলি মাতিছিলো।

এইদৰেই ল'ৰালিৰ সেই মোহনীয় দিনবোৰত ককাইদেউৰ লগত আমাৰ সম্পৰ্ক ঘটিছিল—হাঁহি উঠা কথা, থেমেলীয়া গল্পৰ যোগেদি; তাৰে ভালেখিনি তেখেতে নিজৰ মনে-গঢ়া গল্প। আমি শুনি ভাল পাইছিলো— হাঁহিছিলো। এতিয়া সেইবোৰ গল্পৰ এটা-দুটা কেতিয়াবা মনত পেলাই চিন্তা কৰি চালে বুজো তাৰ মাজত পৰোক্ষভাৱে আমালৈ উপদেশ, নীতিশিক্ষা আদিও আছিল। আজি কিছুদিন আগলৈকে তেখেতে তাৰে দুই-এটা সাধুৰ কথা উল্লেকিয়াই মোক সুধিছিল,— সেইবোৰ মনত আছেনে? মই লাওকতে 'আছে' বুলি কৈ দৈছিলো। ভয় লাগিছিল জানোচা সূক্ষ্মদৰ্শী, জ্ঞানী মানুহজনৰ চকুত ধৰা পৰি যাওঁ।

গল্পবোৰ গল্প হিচাপেহে ললো;—তাৰ কথা কিবা জানো খটুৱাব পাৰিলো জীৱনত? সময়ৰ মূল্যই বা

কিমান বুজিলোঁ ?—কৰ্ম্মৰ মাজেৰে জীৱনৰ তপস্যাই বা কৰিলোঁ কিমান ?? কিন্তু ককাইদেৱে কৰিলে—মৃত্যুৰ সময়লৈকে কৰ্ম্মযোগী পুৰুষজনে কৰ্ম্মেৰেই জীৱনযোৰা সাধনা কৰি গ'ল ।

\+ \+ \+

…আমি তেতিয়া আপাৰ শ্বিলং ফাৰ্মত । দেউতাৰ (৺থানেশ্বৰ হাজৰিকা) মৰমৰ ভাগিন 'বাপু'—আমাৰ ককাইদেউ (৺ডিম্বেশ্বৰ নেওগ) আমাৰ ঘৰত আলহী । ৰাতিপুৱা ফাৰ্ষ্টগেটেৰে ককাইদেউ গুৱাহাটীলৈ যাব । শ্বিলঙৰ পৰা দূৰত্ব আপাৰ শ্বিলঙলৈ পাঁচ মাইল । নিশা ভাত-পানী খাই-বৈ ককাইদেৱে কাপোৰ-কানি পিন্ধি ওলোৱা দেখি দেউতাই সুধিলে, 'কৰবালৈ যোৱানেকি বাপু ?' উত্তৰত শুনিলে সেয়া পিচদিনাৰ যাত্ৰাৰ প্ৰস্তুতি ! আমি আটায়ে খুব হাঁহিলোঁ ।—ৰাতিপুৱা পাঁচ বজাৰ যাত্ৰাৰ কাৰণে নিশা ন বজাতে সেইদৰে ওলাব লাগেনে বাৰু ? পিচে ডিম্বেশ্বৰ মানুহ ৰাতি কেতিয়া পুৱাল আমি গমেই নেপাওঁ—চাৰি বজাৰ এলাৰ্মো বাজি গ'ল গম নোপোৱাকৈয়ে । ৪॥ বজাত দেউতাই ধৰমৰকৈ উঠি ককাইদেউক জগাই দিলে—ভাগ্যে ককাইদেৱে ৰাতিয়েই কাপোৰ-কানি পিন্ধি আছিল বুলি কোনোমতে বেনিবা শ্বিলং পাই গাড়ী ধৰিবগৈ পাৰিলে ! ককাই-দেউক শ্বিলং মটৰ ষ্টেচনত থৈ গাড়ী উভতি অহাৰ পাচত দেউতাই কোৱা আজিও মনত পৰে,— 'বাপুৱে সময়ৰ টিকনিডাল ৰাতিয়েই ধৰি-বান্ধি থৈছিল বুলিহে যাব পাৰিলে ।"

—এইদৰেই দূৰদৰ্শী মানুহজনে জীৱনযাত্ৰাৰ বাটত ভাবি-গুণীয়েই খোজ পেলাই গৈছিল । জীৱনৰ গতিপথত আগবঢ়াৰ নিজৰ কিছুমান স্বকীয়া নীতি আছিল । হাজাৰ ঠাট্টা-বিদ্ৰূপেও তাৰ পৰা তেখেতক টলাব নোৱাৰিছিল । কলেজ বিশ্ববিদ্যালয়ৰ ডিগ্ৰী নোহোৱাকৈয়ে প্ৰকৃত অৰ্থত মানুহক শিক্ষিত কৰি তোলাৰ আদৰ্শেৰে গঢ়া জ্ঞানাশ্ৰম তেখেতে পাতিলে আৰু নিজৰ ল'ৰা-ছোৱালীক তাৰ মাজেৰেই শিক্ষা দিলে । ফলাফল কি হ'ল,—কেনে হ'ল সেয়া বিচাৰ নকৰিলেও, এই কামত তৃপ্তি যে তেখেতে পাইছিল ই সত্য ! নিজস্ব কিছুমান চিন্তাধাৰাৰে কাম কৰি সেই কামত শান্তি লাভ কৰিব পৰা মানসিক প্ৰস্তুতি তেখেতৰ সদায় আছিল । তেখেতৰ নিজস্ব কৰ্ম্মপদ্ধতিৰ বিপক্ষে কোনোবাই কিবা কলে তেখেতে অভিমান কৰিছিল । মানুহে কোৱা শুনিছিলোঁ—তেখেত আত্মকেন্দ্ৰিক, অহঙ্কাৰী । হব পাৰে । যিজন মানুহে নিজৰ হাতেৰে নিজক গঢ় দিয়ে ; যিজন মানুহে নিজৰ চিন্তাশক্তিৰ ওপৰতে ভৰ দি ডাঙৰ হয় ; নিজৰ মতবাদ, মান-অভিমান, সন্তুষ্টি-অসন্তুষ্টি নিজেই লৈ থাকে, তেওঁ নিশ্চয় আত্মকেন্দ্ৰিক হব পাৰে । তেওঁ অহঙ্কাৰ নকৰি কৰিব কোনে ?…

….কোমল কঠিন বহুতো ভাব-অনুভূতিৰ সংমিশ্ৰণ আছিল এইজন মানুহ । সময়ানুবৰ্ত্তিতা, নিয়মানুবৰ্ত্তিতা আদি সকলো নিজে যেনেকৈ পালন কৰিছিল আনেও সেইদৰে পকাটো তেখেতে বিচাৰিছিল । উচ্চ আদৰ্শ আৰু সৰল জীৱন যাপন,—এয়া তেখেতৰ জীৱনৰ নীতি আছিল । তেখেতৰ ব্যক্তিত্বই, তেখেতৰ ল'ৰা-ছোৱালী, সহধৰ্মিণী আটাইকে এইদৰে জীৱন-যাপন কৰিবলৈ প্ৰেৰণা দিছিল । আমাৰ নবৌ ৺আজলীতৰা নেওগ যোগ্য স্বামীৰ যোগ্যা পত্নী আছিল । ধনীৰ ঘৰৰ জীয়ৰী (৺বেণুধৰ ৰাজখোৱাৰ কন্যা), আলসুৱা এই গৰাকী মহিলাই স্বামীৰ স'তে বিনা ওজৰে অনাড়ম্বৰ জীৱন কটাইছিল । ভিতৰে-বাহিৰে নবৌ আছিল এগৰাকী আদৰ্শস্থানীয়া মহিলা । স্বামীৰ আদৰ্শতে নিজকে বিলীন কৰি দিয়া মহিলা গৰাকীয়ে স্বামীৰ স্নেহ-শ্ৰদ্ধা কিমান আহৰণ কৰিছিল জীৱিত অৱস্থাত কোনেও উপলব্ধি কৰা নাছিল যদিও তেওঁৰ মৃত্যুৰ পিচত আটায়ে হৃদয়ঙ্গম কৰিছিল । প্ৰকৃত অৰ্থত ককাইদেউৰ জীৱন-সঙ্গিনীৰূপে নিজকে গঢ়ি তোলা মানুহগৰাকী স্বামীৰ কিমান আদৰণীয়া আছিল ! বহুৰি পত্নী আজলীতৰা স্মৃতি উৎসৱ কৰি স্বামীৰ মৃতা পত্নীলৈ আন্তৰিক প্ৰীতিৰ চানেকি ! সেই উৎসৱত কেতিয়াবা আমি যোগ দিব নোৱাৰিলে ককাইদেৱে



বেজাৰ পাইছিল । মুখেৰে একো নকলেও, তেখেতৰ চকুৰে-মুখে সেই অভিমান মূৰ্ত্ত হৈ উঠা আমি গম পাইছিলোঁ । শিশুৰ দৰেই মান-অভিমানেৰে ভৰপূৰ তেখেতৰ ব্যৱহাৰে আমাৰ চকুৰ আগত তেখেতৰ সৰল মৰমিয়াল অন্তৰখন সুস্পষ্টভাৱে দাঙি ধৰিছিল । এই-জনেই আছিল আমাৰ ককাইদেউ—কৰ্ত্তব্যত কঠোৰ, দায়িত্ব পালনত বজ্ৰৰ দৰেই নিৰ্ম্মম অথচ আবেগ-মধুৰ কিছুমান পৰত ফুলতকৈও কোমল ! এনে অবিমিশ্ৰ চাৰিত্ৰিক গুণাৱলীৰ বাবেই মাতৃহীনা ল'ৰা-ছোৱালীৰ কাৰণেও তেখেত আছিল এহাতেদি এজন কঠোৰ দায়িত্বশীল পিতৃ আৰু আনহাতেদি এগৰাকী স্নেহ-পৰায়ণা মাতৃ !!

• • •

আজি কিছুদিন আগলৈকে দিশপুৰৰ শুৱনি-প্ৰকাশ ভৱনৰ সমুখৰ শ্বিলং-গুৱাহাটী আলিয়েদি আপুনি দিশপুৰ পাৰ হৈ খানাপাৰা, শ্বিলং, যোৰহাট, নগাওঁ—য'লৈকে যেতিয়াই নেযাওক,—নিশ্চয় দেখিবলৈ পাইছিল এজন মানুহে কিবা পঢ়ি আছে, লিখি আছে, নাইবা আধা-সজা ঘৰটোৰ কাৰণে ট্ৰাকে পেলাই থৈ যোৱা ইটাবোৰ থাক্ থাক্‌কৈ সজাই আছে—বালিবোৰ এদাতিত চিক্‌মিককৈ থৈছে । প্ৰত্যেকটো মুহূৰ্ত্ত কামেৰে পূৰ্ণ নকৰালৈকে শান্তি নাই মানুহজনৰ—সেয়ে তেখেতে সাহিত্য সভাৰ পৰা আৰম্ভ কৰি দৈনন্দিন জীৱনৰ সৰু-সুৰা একোটা কামো নিজ হাতেৰেই কৰিছিল । "ইমানডাঙৰ মানুহ এজনে এইবোৰ কাম কিয় কৰিব লাগে"—কোনোবাই ক'ব পাৰে, কওক । হাঁহিব পাৰে—হাঁহক । "ঈশ্বৰে কথা কোৱা, হাঁহাৰ শক্তি দিছে যেতিয়া এইদৰেই কিছুমানে শক্তিৰ ব্যৱহাৰ কৰক,"—তাহানি সৰুতে ককাইদেৱে মানুহৰ কথালৈ কাণ নিদিবলৈ কৈ এইদৰে আমাক কৈছিল । এতিয়াও একেদৰে তেনেকৈ কোৱা প্ৰায়ে শুনিছিলোঁ ।

• • •

সেইদিনা ১৩ নৱেম্বৰ—দিশপুৰৰ পৰা কোনোবাই খবৰ দিলে আগদিনা দেহত্যাগ কৰা ককাইদেউৰ মৃত-দেহ পালেহি । মই নগলোঁ চাবলৈ । নোৱাৰিলোঁ যাব,—মৃত্যুৰ হিমশীতল স্পৰ্শ ই নিষ্ক্ৰিয় কৰি দিয়া ককাইদেউৰ জীৱনৰ শেষ দৃশ্য আমাৰ কিছুমানৰ কাৰণে অতি মৰ্ম্মন্তুদ ! আমি যে কাহানিও এইজনা মানুহক স্থবিৰ, শান্ত, অলস ৰূপত কল্পনাকে কৰিব পৰা নাছিলোঁ !! কৰ্ম্মী মানুহজনৰ সদা-ব্যস্ত ৰূপেই আমাৰ চকুত সদায় ৰৈ থাওক,—হাঁহি উঠা ৰসাল কথাৰে আমাৰ লৰালিৰ স্মৃতি সজীৱকৈ ৰখা হাস্যৰসিক মানুহ-জনেই আমাৰ স্মৃতিপটত সজাগ হৈ থাকক—এই কামনাৰে মই দূৰণিৰ পৰা তেখেতলৈ সিদিনা প্ৰণাম জনাইছিলোঁ !

সম্পাদকীয়

# ডিম্বেশ্বৰ নেওগ

কোৱা হৈছে যে ডিম্বেশ্বৰ নেওগৰ মৃত্যুৰ লগে লগেই অসমীয়া সাহিত্যৰ এটা যুগৰ অন্ত পৰিল। অসমীয়া সাহিত্যলৈ যুগান্তৰ আহিছে নে নাই তৰ্কৰ বিষয়; আৰু আনহাতে পুৰণি চামৰ সৈতে নতুন চামক সংযোগ স্থাপন কৰা কবি-সাহিত্যিক নেওগ ডাঙৰীয়াৰ বাহিৰেও আছে। তথাপি তেওঁৰ বিষয়ে এইদৰে অনুভৱ কৰাটোৱেই ডাঙৰ কথা। তেওঁ দুই চামৰ মাজত কেৱল সংযোগ স্থাপনেই কৰা নাছিল; নতুনৰ লগত সদা-সম্পৰ্ক ৰক্ষা কৰি তেওঁ পুৰণি চামৰ ৰক্ষা স্বৰূপো আছিল। বেজবৰুৱা, আগৰৱালা, গোহাঞিবৰুৱা আদি স্মৰণীয় সাহিত্যিকৰ বিষয়ে জনা অলেখ সাধুৰ ভঁৰাল নেওগ ডাঙৰীয়াই পুৰণি চামৰ সাহিত্য-চৰ্চ্চাৰ বিষয়ে বহুত কথাই নতুন চামক জনাব পাৰিছিল—তাকো ব্যক্তিগত অভিজ্ঞতাৰে।

ইন্দ্ৰজ্ৰৰ কৰি ডিম্বেশ্বৰ নেওগ আছিল অসমীয়া সাহিত্যৰ কৰ্মযোগী পুৰুষ। পাৰিবাৰিক জীৱনত তেওঁ যেনেকৈ অক্লান্ত কৰ্মী আছিল, সাহিত্য-ক্ষেত্ৰতো তেনে কঠোৰ পৰিশ্ৰমী আছিল। সাহিত্যৰ প্ৰায় সকলো শাখাতে ভাষা-জননীৰ সেৱা কৰি মূল্যবান বৰঙণি যোগোৱাৰ লগতে তেওঁ নিজেই নিজৰ পুথি প্ৰকাশৰ গুৰুভাৰ বহন কৰিছিল। সৎ সাহিত্য সৃষ্টি আৰু তাৰ প্ৰকাশৰ দৰে জঞ্জালৰ কাম একেজন মানুহৰ পক্ষে কম টান নহয়। কিন্তু অসীম মনোবলেৰে নেওগ ডাঙৰীয়াই সফলভূক অতিৰ দৰে সকলো কষ্ট সহ্য কৰি গৈছিল। অসমীয়া সাহিত্যৰ বিজ্ঞানসন্মত বুৰঞ্জী লিখাত তেওঁ আছিল সবাতো-অগ্ৰণী আৰু আজিলৈকে তেওঁৰ অনুসন্ধানৰ ফললাভকে এই ক্ষেত্ৰত প্ৰায় সকলোৱে অৱলম্বন কৰি আহিছে বুলিব পাৰি। তেওঁৰ সমসাময়িক আৰু পৰবৰ্ত্তী বহু কৱিৰ ক্ষেত্ৰত হোৱাৰ দৰে কিন্তু তেওঁৰ কবিতাৰ প্ৰকৃত আলোচনা বা মূল্যাঙ্কণ হোৱা নাই। হয়তো এতিয়া হব; হোৱা উচিত। মুঠতে তেওঁৰ বিষয়ে বহলভাৱে চৰ্চা হলে তেওঁৰ অৱদানৰ মূল্য আৰু বেছি দিবলৈ আমি শিকিব পাৰিম।

অসম সাহিত্য সভাৰ লগত ডিম্বেশ্বৰ নেওগ বহু দিনৰে পৰা ওতঃপ্ৰোতভাৱে জড়িত। সভাৰ বুৰঞ্জী প্ৰণয়নৰ ব্যৱস্থা আৰু আজীৱন সভ্য ভৰ্ত্তিকৰণ প্ৰৱৰ্ত্তনৰ নিচিনা গুৰুত্ব আনি দিবলৈ তেওঁ চেষ্টা কৰিছিল। সৌ সিদিনালৈকে আমাৰ মাননীয় সভাপতিৰূপে গভীৰ নিষ্ঠাৰে তেওঁ এই অনুষ্ঠানক পৰিচালনা কৰিছিল। নীতিনিষ্ঠাৰ দৃঢ়তাৰে তেওঁ সভাৰ কৰ্মীসকলক অৱাক কৰিছিল। গতিকে তেওঁৰ আদৰ্শ আৰু পৰিচালনাৰ দ্বাৰা সভা উপকৃত আৰু কৃতজ্ঞ। অসম সাহিত্য সভা থাকে মানে ডিম্বেশ্বৰ নেওগৰ স্মৃতি সভাই সজীৱ কৰি ৰাখিব।

# মনসা কাব্যত ধন্বন্তৰি বধ

শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

( তৃতীয় সংখ্যাৰ পিচৰ পৰা )

কেতকাদাস ক্ষেমানন্দ মনসামঙ্গল কাব্যৰ অন্যতম কবি। তেওঁক সপ্তদশ শতিকাৰ কবি বুলি ধৰি লোৱা হয়। কেত বা কেতকা মনসা দেৱীৰেই অন্য এটা নাম। গতিকে কেতকাদাস ক্ষেমানন্দৰেই উপনাম বা উপাধিস্বৰূপ। এইখন মনসা কাব্যমতে ওজা ধন্বন্তৰিৰ শিষ্য এশজনতকৈও অধিক, ছকুৰি ছজন—'ছয় কুৰি ছয় শিষ্য থাকে তাৰ সঙ্গে।' এই শিষ্যসকলক আগে বধ কৰি লৈ ওজা ধন্বন্তৰিক শেহত শ'লঠেকত পেলাই অসহায় অৱস্থাত বধিবলৈ পদ্মাৱতীয়ে নেতাৰ লগত যুগুতি কৰিছিল। সেইবাবে তেওঁ পোনতে মালিনীৰ বেশত গৈ ওজাৰ শিষ্যসকলক প্ৰত্যেককে একোডালকৈ বিষ-সনা মালা দিছিল। কালকূট বিষ-সিক্ত মাল্য ধাৰণ কৰি ওজাৰ ছকুৰি ছজন শিষ্য ঢলি পৰাত ওজা ধন্বন্তৰিয়ে মন্ত্ৰ শক্তিৰে তেওঁলোকক পুনৰ্জীৱন দান কৰে—'হাৰিয়া পুষ্পেৰ বিষ=ছয় কুৰি ছজন শিষ্য=জীয়াইলা ব্ৰহ্মাৰ বচনে॥'

এনেকৈ কৃতকাৰ্য্য হ'ব নোৱাৰি পদ্মাৱতীয়ে এইবাৰ গোৱালিনীৰ বেশ ললে আৰু বিষ-মিশ্ৰিত দধি বিক্ৰী কৰিবলৈ আহিল। তেওঁক পোনতে ওজা ধন্বন্তৰিয়ে লগ পাই সুধিলে—'দধিখানি হাতে কৰি=বলে ওঝা ধন্বন্তৰি=কি নাম তোমাৰ গোৱালিনী ?' গোৱালিনীয়ে উত্তৰত কলে—

'কমলা আমাৰ নাম শিবু ঘোষেৰ ঝি।
জাতি অনুসাৰে বেচি দধি-দুগ্ধ-ঘি॥'

কমলা আকৌ ওজা ধন্বন্তৰিৰ ঘৈণীয়েকৰো নাম। তেওঁ সেইবাবে কলে—

'আমাৰ গৃহিণীৰ নাম কমলা বেণ্যানী।
তেকাৰণে তুমি তাৰ সই গোৱালিনী॥
দুই নাম এক হৈল তেই বলি সই।
ঐ নামে থাক্যে পাৰি তোমাৰ সভ দই॥'

—বোলে, তোমাৰ নাম যদি কমলা, মোৰো দেখোন ঘৰৰ মানুহজনীৰ নাম সেইটোৱেই। দুয়োৰো নাম মিলি যোৱা বাবে তোমালোক দুয়ো সখী। সেই সূত্ৰে মই দেখোন এনেয়ে তোমাৰ সকলোখিনি দৈ খাই পেলাব পাৰো হবলা। তুমি কি কোৱা ?

গোৱালিনী জানো কম ? তাই উত্তৰ দিলে—কথাটো হওতে হয়, কিন্তু সখী বুলি তুমি মোক উচিত দামতকৈ এফেৰি বেছি দিলেও দেখোন কোনেও একো বুলিব নোৱাৰে, তাকে নকৰা কিয় ?

গোৱালিনী বলে তবে তুমি মোৰ সয়া।
বাৰাইয়া দিবা কড়ি মনে দয়া॥

কথাৰ লাছতে গোৱালিনী সখীয়ে ইয়াকো কলে যে তেওঁ শিশু কালত মথুৰাৰ হাতলৈও গৈছিল। মথুৰাৰ হাটত তেতিয়া হেনো ৰাধা, চন্দ্ৰাৱলী আদিয়ে আছিল প্ৰধান গোপিনী। তেওঁ নিজে তেতিয়া বয়সত সৰু আছিল যদিও কথাবোৰ বুজিবলৈ বাকী নাথাকিল আছিল। কানাইৰ উৎপাতবোৰ তেওঁ নিজ চকুৰেই দেখি আছিল। কানায়ে গোৱালিনীবোৰক জানো কম আমনি কৰিছিল—

কাচলি উতাৰে কানাই কুচে দেই হাত।
মথুৰা যাইতে পথে বৰ উৎপাত॥' ইত্যাদি

পিছত দাম দৰ অলপো কমাই নিদিয়াত ওজা ধন্বন্তৰিয়ে দৈ কিনাৰ আশা এৰি ঘৰলৈ ঢাপলি মেলিলে—'এত শুনি ধন্বন্তৰি চলি গেল নিজ পুৰি দধি কিনিবাৰ নাই সাধ।'

ওজাক আঁতৰি যোৱা দেখি দূৰৰ পৰা বেহ-ৰূপ চাই থকা শিষ্যসকলে গোৱালিনীক আগুৰি ধৰিলেহি। সিহঁতে দৈৰ কাৰণে ধপিয়াধপি লগালে আৰু কাঢ়া-আজোৰা কৰোঁতে দৈবোৰ পৰিবলৈ ধৰিলে। গোৱালিনীয়ে নিৰুপায় হৈ খঙত মুখেৰে ভোৰভোৰাবলৈ লাগিল আৰু শিষ্যসকলে তাতে আৰু বেছি উৎসাহিত হৈ তাইৰ কথালৈ অকণো ভ্ৰূক্ষেপ নকৰি গৰমত হেপাহ পলুৱাই দৈ পি খাবলৈ ধৰিলে। তেতিয়া গোৱালিনীয়ে কন্দা ভাও জুৰি ৰোহ কৰি সেই ঠাইৰপৰা আঁতৰি গ'ল। ইফালে বিষ মিহলোৱা দৈ খাই ওজাৰ শিষ্যবোৰ মৰি তেনেই গোপাত হ'ল।

এনে সময়তে গায়ে-মুৰে নাৰায়ণ তেল ঘঁহি হাতত কমণ্ডলু লৈ ওজা ধন্বন্তৰি নাওঁক স্নান কৰিবলৈ।

নাৰায়ণ তৈল মাখি হাতে হেম ঝাৰি।
স্নান কৰিবাৰে আল্য ওঝা ধন্বন্তৰি॥
ছকুৰি ছজন শিষ্য যেখানে মৰিল।
ধন্বন্তৰি ওঝা আসি দৰশন দিল॥

ওজাই তেতিয়া ব্ৰহ্মমন্ত্ৰ জপ কৰি গাত একোটাকৈ চাপৰ মাৰিয়ে মৃত শিষ্যসকলক জীয়াই তুলিলে। তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে এই কাৰ্য্য পদ্মাৱতীৰ বাহিৰে আন কাৰো হব নোৱাৰে।

ধন্বন্তৰী বলে সেই নয় গোৱালিনী।
হটলাগি এসেছিল চেঙ্গমুড়ি কাণী॥

এইবাৰ নেতাৰ লগত আলচ কৰি বিষহৰীয়ে ব্ৰাহ্মণীৰ বেশত গৈ ওজা ধন্বন্তৰিৰ অনুপস্থিতিত তেওঁৰ পত্নী কমলাৰ লগত সখী পাতিলে আৰু ধন্বন্তৰিৰ মৰণ-ৰহস্য উদ্ঘাটন কৰিবলৈ লাগি গ'ল। তেওঁ সখীয়েক কমলাক যথাবিহিত উপদেশ দি ঘৰলৈ উভতিল আৰু মায়া কৰি 'শ্বেত মাছি ৰূপ হৈলা জয় বিষহৰী।'

পত্নীৰ অনুনয়-বিনয় এৰাব নোৱাৰি ধন্বন্তৰিয়ে কলে যে তেওঁৰ তালুত হেনো সাতোটা ব্ৰহ্মতিল আছে। সেই ব্ৰহ্মতিল সাতোটা তাত থাকিলে তেওঁক কোনেও বধ কৰিব নোৱাৰে। সেই ব্ৰহ্মতিল সাতোটা মহাদেৱৰ জঁটাত থকা একমাত্ৰ উদয়কাল নাগেহে নাসিকাৰ ৰন্ধ্ৰেৰে গৈ হৰণ কৰিব পাৰিব আৰু তেতিয়াহে তেওঁ মৰিব, নহলে নমৰে। এইদৰে নিজৰ মৰণৰ ৰহস্য ওজা ধন্বন্তৰিয়ে ঘৈণীয়েকৰ আগত কলে আৰু দেৱী পদ্মাৱতীয়ে ওপৰত মাখি ৰূপ ধৰি শুনি থাকিল।

প্ৰজাপতি মন্ত্ৰ দিল ক্ষীৰোদেৰ তীৰে।
সাত ব্ৰহ্মতিল মোৰ মস্তক উপৰে॥
উদয়কাল নাগ আছে মহেশেৰ জঁটে।
সে যদি খাইতে পাৰে নাসিকাৰ বাটে॥
সাত ব্ৰহ্মতিল যদি একবাৰে লয়।
তেবে সে মৰিব আমি এবোল নিশ্চয়।
আপন মৰণ কথা কহিল আপনি।
শ্বেত মাছিৰূপে তাহা বিষহৰী শুনি॥

তেতিয়া পদ্মাৱতীয়ে পিতাক মহাদেৱক খুজি উদয়কাল নাগক আনে আৰু ধন্বন্তৰিৰ ব্ৰহ্মতিল সাতোটা হৰণ কৰে। ধন্বন্তৰিয়ে প্ৰিয় শিষ্য ধনা-মনা দুয়োকো

পঠিয়াই গন্ধমাদন পর্ব্বতৰ পৰা ৰাতিৰ ভিতৰতে বিশল্য-কৰণী নামৰ ঔষধ অনায়। গছ চিনিবৰ উপায়ো ওজাই দিছিল—

শাল শোল দুই মাছ লহ পোড়াইয়া।
গন্ধমাদনে বাপু যাহ শীঘ্র ধাইয়া॥
তথায় ঔষধ শল্য-বিশল্যের গাছ।
অনুভাবে চোৱাইলে জীয়ে পোড়া মাছ॥

লগতে পূর্ব্বে ৰামচন্দ্ৰই এই বিশল্যকৰণীৰ সহায়তে ৰাৱণৰ শক্তিশেল-নিবদ্ধ ভ্ৰাতৃ লক্ষ্মণক জীয়াইছিল বুলি আখ্যানটিও কৈছিল।

সেইমতে গৈ ধনা-মনাই ঔষধ আনিলত নেতা-পদ্মা দুয়োৰো এজনীয়ে দূৰত চিতাৰ জুই জলোৱাত ব্যস্ত থাকি আৰু অন্যজনীয়ে বাটতে কান্দিকাটি ধন্বন্তৰিক চিতাত তুলি ভস্ম কৰা হ'ল বুলি কৈ ঔষধ পেলাই দিবলৈ তেওঁলোকক বাধ্য কৰিলে। পদ্মাৱতীয়ে তেতিয়া চিলনী ৰূপ ধৰি পেলাই দিয়া ঔষধৰ গছ ঠোঁটত তুলি হৰণ কৰে।

ইফালে ধন্বন্তৰি তেতিয়াও ঔষধৰ কাৰণে বাট চাই আছিল। তেওঁ ধনা-মনাৰ পৰা ঔষধৰ কাহিনীটো শুনি বুজিলে—'চেড়ীৰূপে চেঙমুড়ি কৰে বিড়ম্বনা।' (অসমীয়া মনসা-কাব্যৰ 'বেংখাইতী কাণী' আৰু বঙলা মনসামঙ্গল কাব্যৰ 'চেঙমুড়ি বিষহৰী' পদ্মাৱতীৰে ব্যঙ্গসূচক নাম।

ওজা ধন্বন্তৰিয়ে তেতিয়া মৃত্যুৰ পিছত তেওঁৰ মূৰটো কাটি চাৰি ডোখৰ কৰি চাৰি দিশত কৰলৈ কলে আৰু কলে যে তাকে কৰিলে মনসাৰ নাগে সেই চাৰিসীমাৰ ভিতৰত কাকো ঘাইল কৰিব নোৱাৰে।

প্ৰভাতে মৰিব আমি নাহিকে এড়ান।
কাটিয়া আমাৰ শিৰ কৰ চাৰিখান॥
চাৰি দিকে পুতিবে কৰিয়া চাৰিখানি।
যেন খাতো নাহি পাৰে মনসাৰ ফণী॥

শিষ্যসকলে তাকে কৰিবলৈ লোৱাত এইবাৰ মনসাই ব্ৰাহ্মণীৰ বেশত গৈ তেনে এটি গৰ্হিত কাম নকৰিবলৈ তেওঁলোকক বুজাবলৈ ললে আৰু তাৰ পৰিবৰ্ত্তে গুৰুৰ শৰটো সন্মানেৰে চিতাত তুলি ভস্ম কৰিবলৈ উপদেশ দিলে। শিষ্যসকলেও ব্ৰাহ্মণীৰ কথাত প্ৰত্যয় মানি তেওঁৰ কথামতে ওজা ধন্বন্তৰিক চিতাত ভস্ম কৰি ঘৰা-ঘৰি গুচি গ'ল।

কবি জগজ্জীৱন বিৰচিত মনসামঙ্গল কাব্যত এই ঘটনাৰেই আৰু কিঞ্চিৎ পৃথক ধৰণৰ ৰূপ এটা পোৱা যায়। জগজ্জীৱন সপ্তদশ শতিকাৰ শেষ ভাগৰ কবি। তেওঁৰ মতে লখিন্দাৰৰ মৃত্যুৰ সময়তো ওজা ধন্বন্তৰি জীয়াই আছিল আৰু লখিন্দাৰক তেওঁ জীয়াই দিবলৈ যোৱা দেখিহে তেওঁৰ লগত পদ্মাৱতীৰ বিৰোধ উপস্থিত হয়। সেই বিৰোধৰ ফলস্বৰূপে নিষ্কণ্টক হবৰ উদ্দেশ্যে পদ্মাৱতীয়ে ধন্বন্তৰি বধৰ পৰিকল্পনা হাতত লয়। কবি জগজ্জীৱনৰ মতে চান্দো সদাগৰে ওজা ধন্বন্তৰিক নিজৰ ভাইৰ দৰে জ্ঞান কৰিছিল আৰু পুত্ৰ লখিন্দাৰক জীয়াই দিবলৈ অনুৰোধ কৰিছিল। সেই অনুৰোধ উপেক্ষা কৰিব নোৱাৰি মৃত লখিন্দাৰক ৰাখি থৈ তেওঁ শিষ্য-বৰ্গ সমন্বিতে সাতালি পৰ্ব্বতলৈ ঔষধৰ অন্বেষণত গৈছিল।

চান্দো বোলে ধন্বন্তৰি শুন মোৰ ভাই।
তুমাৰ সাক্ষাতে কেনে মৰিল লখাই॥
ধন্বন্তৰি বোলে শুন সাধু চন্দ্ৰপতি।
দেৱতাৰ বাদে জীনে নৰেৰ শকতি॥

• • •

চান্দো বোলে জীয়াঞা দেহ আমাৰ দুলাল।
পুত্ৰ-পৌত্ৰে ধন্বন্তৰি কৰিম নেহাল॥

সেইমতে ধন্বন্তৰি লখাইক জীয়াবৰ কাৰণে ঔষধ বিচাৰি ওলানত বাটতে বিষহৰীয়ে আহি তেওঁক আগচি-ধৰি চকু পকাই কলে—

যদি জীয়াইয়া দেহ চান্দোৰ কুমাৰ।
সবংশ সহিত তুমাৰ কৰিব সংহাৰ॥
ওঝা বোলে মনসা তুমাকে কিবা ডৰ।
যত দেৱগণ মোৰ মন্ত্ৰৰ নফৰ॥

তাতে দেৱী বিষহৰীৰো থং উঠিল। তেওঁ তৎক্ষণাৎ অন্তৰ্দ্ধান হ'ল আৰু দুয়োৰো মাজত বিৰোধ বাঢ়কৈয়ে চলিল। ঔষধ বিচাৰি শিষ্যসকলৰে সৈতে ওজা বাটে বাটে গৈ আছিল। ভাগৰত ওজা আৰু শিষ্যসকল লালকাল হৈ পৰিছিল। তাতে ছেগ বুজি বিষহৰীয়ে গোৱালিনীৰ বেশত তেওঁলোকৰ আগত ওলালহি। মূৰত আছিল তেওঁৰ দধি-ভাণ্ড। সেই দধি আছিল বিষ-মিশ্ৰিত দধি। ধন্বন্তৰি আৰু তেওঁৰ শিষ্যসকলে দাম-দৰ কৰি দধি কিনি হেপাহ পলুৱাই পিলে। বিষহৰী ছেগ চাই তাৰ পৰা অন্তৰ্দ্ধান হ'ল। ইফালে ওজাৰ শিষ্যবোৰ বিষৰ জ্বালত ঢলি ঢলি পৰিবলৈ ধৰিলে। ওজা ধন্বন্তৰিয়ে বিষহৰীৰ চাতুৰী বুজিব পাৰিলে আৰু মন্ত্ৰ উচ্চাৰণ কৰি সকলোকে জীয়াই তুলিলে। 'মন্ত্ৰ পঢ়ি দিল জল=বিষ গেল ৰসাতল=জীয়াঞা উঠিল শিষ্যগণ।'

ওজা ধন্বন্তৰিৰ কাৰ্য্যত পদ্মাৱতীয়ে ঘোৰ অপমান বোধ কৰিলে। পৰাজয়ৰ বেজাৰত তেওঁ কঁকালত প্ৰহাৰ পোৱা সৰ্পসদৃশ হৈ উঠিল আৰু স্বৰ্গ-মৰ্ত্ত্য সকলো ঠাইৰে বিষাল বিষাল সৰ্পবোৰ গোটাই লৈ ধন্বন্তৰিক বেঢ়ি ধৰিলেহি। তাকে দেখি—

ধন্বন্তৰি বোলে বাক্য শুন পদ্মাৱতী।
কি কাৰণে আইলা তুমি নাগেৰ সংহতি॥
পদ্মা বোলে ওঝা যদি জীয়াঅ লখাই।
মোৰ সৰ্পে তোমাক খাইব এহি ঠাই॥

ওজা ধন্বন্তৰিয়ে পদ্মাৰ তেনে তৰ্জ্জন-গৰ্জ্জনলৈ ভ্ৰূক্ষেপ নকৰি মন্ত্ৰ পঢ়ি হুঙ্কাৰ মাৰিলত সৰ্পবোৰ পলাবলৈ ধৰিলে—

মনসাৰ অগ্ৰতে আছিল যতমান সাপ।
সমস্ত পলায়া গৈল মন্ত্ৰেৰ প্ৰতাপ॥

নিৰুপায় হৈ পদ্মাই এইবাৰ নাৰীৰ জৰিয়তে কাৰ্য্য সিদ্ধি কৰিবলৈ পাতিলে। তেওঁ ধন্বন্তৰিৰ ঘৰত দন্বন্তৰিৰ ভাৰ্য্যাৰ ভগ্নী ৰূপ ধৰি ওলালগৈ। তাত তেওঁ বায়েকৰ লগত ৰবৰৈক হলিগলি কৰি থাকি ইতিমধ্যে ধন্বন্তৰি বধৰ ৰহস্য শিকি ললে। বায়েকে কলে—চকুৰে ওজাই দেখা যি কোনো স্থানতে সৰ্পে দংশিলে তেওঁক মাৰিব নোৱাৰে, মাজ তালুত দংশিলেহে তেওঁ মৰিব। কথাখিনি শিকি লৈ জৰুৰী কাৰ্য্যৰ গৰিলা লৈ কপট পদ্মাৱতী আঁতৰি গ'ল। তেওঁ এইবাৰ মহা বিষধৰ তক্ষক নাগক বাটৰ গছত তুলি ৰাখি বাটেদি ধন্বন্তৰি ওজা গলে তেওঁৰ মাজ তালুত দংশন কৰিবলৈ স্থিৰ কৰিলে।

হেট মুণ্ডে চলে ওঝা পৰম আনন্দে।
বৃক্ষ ডালে থাকি তক্ষক দংশে মূল স্কন্ধে॥

ওজাই তেতিয়া শিষ্যসকলক কলে যে আৰু দুই প্ৰহৰ কাল মাত্ৰ তেওঁ জীয়াই থাকিব, তাৰ পিছত তেওঁৰ মৃত্যু হব। এই দুই পৰ সময়ৰ ভিতৰতে যদি সাতালি পৰ্ব্বতৰ পৰা শালি-বিশালি গছ তুলি আনি কোনোবাই তেওঁৰ হাতত দিব পাৰে তেনেহলে তেওঁ বাচিব। নহলে নাই। এটা মৰা কুকুৰাক হাতত লৈ গৈ সাতালি পৰ্ব্বতৰ যিজোপা গছ স্পৰ্শ কৰিলে কুকু-ৰাটো জী উঠে সেয়ে শালি-বিশালি বৃক্ষ। ক্ষেমানন্দ কেতদাসৰ মতে পোৱা ('শাল-শ'ল') মাছ দুটা মাত্ৰ নিছিল।

শিষ্যসকলে সেইমতে গৈ সাতালি পৰ্ব্বতত ঔষধৰ গছ বিচাৰি উলিয়ালে আৰু মহা যতনেৰে তাক লৈ উভতি আহিল। পদ্মাৱতীয়ে এইবাৰ দেখাত সাক্ষাৎ ওজাৰ পত্নীজনী হৈ কান্দি-কাটি আউলী-বাউলী বেশে বাটতে শিষ্যসকলক লগ ধৰিলেগৈ।

শিষ্যগণ বলে যেন দেখি গুৰু মাঅ।
কি কাৰণে কান্দি মাতা কুন দিশে যাঅ॥

কপট পদ্মাৱতীয়ে কলে—"বাচাইত, মই তোমালোকক বিচাৰি এইখিনি পাইছোঁহি। ঔষধ পালানে?" শিষ্য-সকলে 'পালোঁ' বুলি ঔষধ দেখুৱালত ওজা-পত্নীৰ মনত হৰিষ লাগিল। তেওঁ সেই ঔষধৰ গছ নিজ হাতে নি স্বামীক জীয়াই তুলিব বুলি কৈ ঔষধৰ গছ হাতত

ললে। তেনেকৈ অলপ দূৰ ওজাৰ শিষ্যসকলৰ লগত গৈ ছেগ বুজি তেওঁ ঔষধসহ অন্তৰ্দ্ধান হ'ল—'লাম্ফ দিয়া মনসা চলিল স্বৰ্গ পথে।' ইতিমধ্যে দুই পৰ সময় উকলি গ'ল। ওজা ধন্বন্তৰিৰো প্ৰাণবায়ু উৰি গ'ল।

কিছুমান গছ বা লতাৰ গাঠিয়ে গাঠিয়ে নতুন নতুন গজালি বা ডাল ওলোৱাৰ দৰে প্ৰত্যেকখন মনসা-কাব্যতে স্থানবিশেষে একো একোটা নতুন ঘটনা ন-কৈ সংযোজিত হৈছে। ধন্বন্তৰি বধ আখ্যানটোতেই সেই কাৰ্য্য লক্ষ্য কৰা যায়। কোনোখন কাব্যত পদ্মাৱতীয়েই কামদেৱৰ দৰে ধন্বন্তৰিলৈ কামদৃষ্টি নিক্ষেপ কৰি ধন্বন্তৰিক উতলা কৰিছে, কোনোখন কাব্যত পদ্মাৱতীয়ে নিজে ঔষধ হৰণ কৰি পলায়ন কৰিছে, কোনোখনত আকৌ তেওঁ চিলনী হৈ ঔষধ নিছে। ক'ৰবাত ধন্বন্তৰিৰ মৃত্যু-ৰহস্য ধন্বন্তৰি-পত্নী কমলাৰ পৰা সখী হৈ শিকিছে, ক'ৰবাত কমলাৰ ভনীয়েক হৈ শিকিছে, ইত্যাদি। কবি জগজ্জীৱনৰ কাব্যৰ ঘটনা-ক্ৰমৰ লগত অসমীয়া কবি দুৰ্গাবৰ আৰু মনকৰৰ ঘটনা-ক্ৰমৰ মিল আছে। দুৰ্গাবৰৰ কাব্যত ওজা ধন্বন্তৰিৰ নাম শঙ্খ ওজা। তাত আকৌ ব্ৰাহ্মণী (পদ্মাৱতী) নিজেই সৰ্পৰূপ ধাৰণ কৰি ব্ৰহ্মতালুত কাল দাঁৰ বহুৱাই শঙ্খ ওজাক বধ কৰে। ওজাৰ উপদেশমতে সৰ্পভয় নিবাৰণৰ অৰ্থে ওজাৰ মৃত শৰীৰৰ অঙ্গ কাটি বিভিন্ন স্থানত পুতিবলৈ লওঁতে বিষহৰীয়ে সেইবোৰ মায়া কৰি তুলি পেলায়। কবি জগজ্জীৱনৰ কাব্যত ওজা ধন্বন্তৰিক অগ্নিসংকাৰ কৰা হয় বুলিহে বৰ্ণোৱা আছে। বিশেষ মন কৰিব গীয়া কথা এই যে বঙালী নাৰায়ণদেৱ বিৰচিত মনসামঙ্গল কাব্য অসমীয়া সুকনান্নীৰ দৰে স্বয়ং সম্পূৰ্ণ কাব্য নহয়। আন নালাগে ধন্বন্তৰি বধৰ কাহিনীটোৱে সুকনান্নীত বৰ্ণিত হোৱাৰ দৰে সুসঙ্গতিসম্পন্নভাৱে আন ক'তো বৰ্ণোৱা হোৱা নাই। সুকনান্নীৰ মতে ওজা ধন্বন্তৰি অবধ্য। তেওঁক উদয়কাল নাগে ব্ৰহ্মতালুত দংশন কৰি বধ কৰে আৰু মৃত্যুৰ পিছত তেওঁৰ শৰীৰ পদ্মাৱতীয়ে চক্ৰান্ত কৰি ধনা ৰাক্ষসীৰ ঘৰত সংৰক্ষিত কৰে আৰু লখিন্দাৰক জীয়াই দিয়াৰ পিছত পদ্মাৱতীয়ে তেওঁকো জীয়াই দিয়ে। মহাদেৱে উদয়কাল নাগক তেওঁৰ জটাৰ ভিতৰত থাবলৈ দিওঁতেই কৈছিল—

আজ্ঞা দিলো বধা যায়া ধন্বন্তৰিক তুমি।
বাদ সাধিয়া আসোক জীয়াইবো আমি ॥ (সুকনান্নী)

আৰু সেইবাবেহে সৰ্ব্বশেষত, লখিন্দাৰক জীয়াই দিয়াৰ পিছত—

মহামন্ত্ৰ যপি পদ্মা হুঙ্কাৰ মাৰিলা।
এঙ্গামুৰি দিয়া সৱে উঠিয়া বসিলা।
উঠিলা ছয় কোঁৱৰ ওজা ধন্বন্তৰি।
হাসিয়া আনন্দে চায় জয় বিষহৰী ॥ (সুকনান্নী)

এইদৰে ধন্বন্তৰি বধৰ কাহিনী বিবিধ মনসা-কাব্যত নানা ধৰণে বৰ্ণোৱা আছে। সেই সকলোবোৰতে কিন্তু দেৱী পদ্মাৱতীৰ বিস্ময়কৰ চক্ৰান্ত আৰু কূটবুদ্ধিৰ শ্ৰেষ্ঠত্ব ওলাই পৰিছে। কোনোখন কাব্যতে পদ্মাৱতী দেৱী হৈ থকা নাই—কূটচক্ৰ বিশাৰদা মানৱী হৈ পৰিছে।

আগতে উল্লেখ কৰা হৈছে যে লৌকিক কাব্যত লোকৰঢ়ি বিনোদনৰ বাবে ন-ন ৰসাল কথাৰ অৱতাৰণা কৰা হয়। মনসা কাব্যতে তাৰ অনেক উদাহৰণ আছে। এখন কাব্যত যিটো কথা যি ধৰণে উত্থাপন কৰা হৈছে—অন্য এখনত আকৌ সেইদৰে নাই, তাত তাৰ ৰূপেই হয়তো বদলি গৈছে। এই পাৰ্থক্যবোৰৰ ভিতৰেদিও এটা কথা সদায় একে হৈ আছে, সেয়ে হৈছে অসমীয়া সমাজৰ ঘৰুৱা জীৱনৰ প্ৰতিবিম্ব বা প্ৰতিচ্ছবি। নিজৰ ৰূপটো দাপোণত চাই হেপাহ পলোৱাৰ দৰে নিজ নিজ জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ প্ৰতিবিম্ববোৰো চাবলৈ সকলোৰে অন্তৰৰ আগ্ৰহ প্ৰবল। সেয়েহে ওজাপালি গীত সমাজত সমাদৃত হৈ যুগৰ পিছত যুগ ধৰি চলি আছে, চলি থাকিব।

অসমীয়া সুকনান্নীৰ পাঠান্তৰপূৰ্ণ সাঁচিপতীয়া পুথি এতিয়াও বিভিন্ন ঠাইত সযতনে সংক্ষিত হৈ আছে। কলিকতা বিশ্ববিদ্যালয়ে কৰাৰ দৰে আমাৰ বিশ্ববিদ্যালয়েও জানো সেইবোৰৰ সুসংগ্ৰহ আৰু সু-সম্পাদনৰ আয়োজন হাতত লব নোৱাৰে? এনেবোৰ বিষয়ত অসম সাহিত্য সভাৰো কৰ্ত্তব্য নোহোৱা নহয়। [শেষ]

# অসমীয়া সাহিত্যত ভাৰতীয় ঐক্যৰ ধাৰণা

[ কাহিনী সাহিত্যত ]

শ্ৰীযোগেশ দাস

ভাৰতীয় ঐক্যৰ ধাৰণাটো ৰাজনৈতিকভাৱে নিতান্ত আধুনিক। প্ৰাচীন কালৰ আৱহমান যি সাংস্কৃতিক তথা আধ্যাত্মিক ঐক্যৰ কথা কোৱা হয়, তাৰ বাস্তৱ প্ৰকাশ ভৌগোলিক কাৰণত ভালেখিনি ব্যাহত। বৃটিছ শাসনে ভাৰতৰ যি ভৌগোলিক একীকৰণৰ পথ মুকলি কৰি দিলে, তাক স্বাধীনতা লাভৰ ৰাজনৈতিক আন্দোলনে বহলাই নিলে আৰু স্বাধীনতাৰ পিচত তাক স্থায়ী ৰূপ দিয়াৰ চেষ্টা চলোৱা হৈছে। এই ঐক্যবোধ স্বতঃস্ফূৰ্ত্ত আৰু সচেষ্ট। সেইবাবে আধুনিক ভাৰতীয় সাহিত্যত ইয়াৰ পৰিস্ফুটন স্বাভাৱিক। কিন্তু আচৰিত কথা যে কাব্যৰ মাজত ইয়াৰ দৃষ্টান্ত পৰ্য্যাপ্ত পৰিমাণে থাকিলেও গল্প-উপন্যাসৰ নিচিনা কাহিনী সাহিত্যত বৰ বেছি পাবলৈ নাই। অন্ততঃ অসমীয়া কাহিনী সাহিত্যত লেখত লবলগীয়াকৈ এই ঐক্যবোধৰ পোনপটীয়া চিত্ৰ বিচাৰি পাবলৈ নাই। ইয়াৰ এটা কাৰণ এয়ে হব পাৰে যে প্ৰাদেশিক ভাষাবিলাকৰ জৰিয়তেহে আধুনিক ভাৰতীয় সাহিত্যৰ বিকাশ সাধন হৈছে আৰু অপ্ৰশস্ত ভৌগোলিক সীমাবদ্ধতাই বিস্তৃততৰ বোধ সৃষ্টিত প্ৰতিবন্ধকতা জন্মাইছিল। দ্বিতীয়তে কাব্য যেনেকৈ এই দেশত স্বাভাৱিকভাৱে গ্ৰহণীয়, গল্প-উপন্যাস নতুন বস্তু কাৰণে ঠিক তেনে ধৰণে গ্ৰহণীয় হব পৰা নাছিল; ইকবাল আৰু ৰবীন্দ্ৰনাথৰ কবিতাত নতুন ভাৰতৰ যি বোধ গভীৰতাৰে উপলব্ধি কৰা হৈছে, তাৰ সমকক্ষ উদাহৰণ কাহিনী সাহিত্যত নাই।

কিন্তু বনজুইৰ দৰে বিয়পি পৰা যি ধাৰণা ৰাজনৈতিক আন্দোলনে সৃষ্টি কৰিলে সি এই শ্ৰেণী সাহিত্যত একেবাৰেই পৰিস্ফুট নহব, এনে কথাও অস্বাভাৱিক। সেইবাবে আমি দেখিবলৈ পাওঁ যে এই প্ৰত্যক্ষ, বোধ-সৃষ্টিৰ প্ৰভাৱ কাহিনী সাহিত্যত পৰিছে পৰোক্ষভাৱে। বঙ্কিমচন্দ্ৰই কেইখনমান উপন্যাসৰ জৰিয়তে পাঠকক দেশপ্ৰেমৰ ভাৱত উদ্বুদ্ধ কৰিবলৈ যি চেষ্টা কৰিছিল, তাৰ নিচিনা উদাহৰণ প্ৰায় প্ৰতি ভাৰতীয় ভাষাৰ প্ৰাৰম্ভিক কালৰ উপন্যাসতে দেখিবলৈ পোৱা যায়। ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ ঐতিহাসিক উপন্যাস কেইখনৰ যোগেদি পুৰণি অসমৰ ঐতিহ্যমণ্ডিত গৌৰৱৰ প্ৰতি পাঠকৰ মন আকৰ্ষিত কৰিবলৈ চেষ্টা কৰিছিল। সঁচা কথা, বৰদলৈৰ উপন্যাসত সৰ্ব্বভাৰতীয় পটভূমি নাই। এই ফালৰ পৰা চাবলৈ গলে পোনপটীয়াকৈ কেৱল শৰৎ-চন্দ্ৰ গোস্বামীৰ "পাণিপথ" উপন্যাসতহে এসময়ৰ গোটেই ভাৰতৰ বুৰঞ্জীক সামৰা পটভূমি প্ৰথম বাৰলৈ ব্যৱহৃত হৈছে। ইব্ৰাহীম লোডী আৰু সংগ্ৰাম সিংহৰ বিৰুদ্ধে বাবৰৰ সফল অভিযান ভাৰত বুৰঞ্জীৰ এটি উল্লেখযোগ্য

ঘটনা আৰু ইয়াকে শৰৎ গোস্বামীয়ে তেওঁৰ উপন্যাসৰ পটভূমি কৰি লৈছে। লক্ষ্মীনাথ বেজবৰুৱাৰ কিছুমান গল্পৰো পটভূমি আৰু পৰিবেশ অসমৰ বাহিৰৰ; চৰিত্ৰও অঙ্কণ কৰা হৈছে বঙ্গ, উৰিষ্যা আদি ঠাইৰ পৰা। চৈয়দ আব্দ্‌ল মালিকৰ এখন উপন্যাসত বোম্বাইৰ ঘটনা আৰু হোমেন বৰগোহাঁইৰ এটা গল্পত দেশ বিভাজনজনিত দুৰ্দ্দশাক পৃষ্ঠভূমিৰূপে লোৱা হৈছে। কিন্তু এইবিলাক কেৱল বিস্তৃততৰ পৃষ্ঠভূমিহে, সমগ্ৰ দেশখনক এক বুলি ভবাৰ ইঙ্গিত এইবিলাকত নাই। অথচ এই ধৰণৰ পৰিস্ফুটন সম্ভৱ নহলেহেঁতেন যদিহে দেশখনৰ একীকৰণ ইতিমধ্যে অৱস্তু হৈ নগ'লহেঁতেন—ৰাজনৈতিক আৰু প্ৰশাসনীয় দৃষ্টিকোণৰ পৰা। ৰবদলৈৰ প্ৰাচীন ঐতিহ্যৰ গুণগান বঙ্কিমচন্দ্ৰ, মহাৰাষ্ট্ৰৰ হৰিনাৰায়ণ আপ্তে আৰু উৰিষ্যাৰ ফকীৰমোহন সেনাপতিৰ সৈতে ৰিজালে এটা সৰ্ব্বভাৰতীয় বৈশিষ্ট্যস্বৰূপ। "মনোমতী", "ৰঙ্গিলী", "নিৰ্ম্মল ভকত" আদি উপন্যাসত যি বৈষ্ণৱ আদৰ্শৰ পৰাকাষ্ঠা দেখুৱা হৈছে, তাক সৰ্ব্বভাৰতীয় বুলি স্বীকাৰ কৰা হৈছেই। বেজবৰুৱাই সৃষ্টি কৰা জনজাতীয় আৰু কলিকতা বা সম্বলপুৰৰ চৰিত্ৰত বিশেষভাৱে সৰ্ব্বভাৰতীয় ছাপ নেথাকিব পাৰে। কিন্তু এনে চৰিত্ৰৰ ধাৰণাই আন এসময়ত সম্ভৱ নহ'লহেঁতেন। পৰাধীন যুগত ভাৰতক উদ্ধাৰ কৰিবৰ উদ্দেশ্যেৰে সকলো অঞ্চলৰ হৃষ্ট-পুষ্ট লোকক লৈ এটা পৰম শক্তিশালী মহাজাতি গঠনৰ পৰিকল্পনাতো বেজবৰুৱাই সমগ্ৰ দেশৰ নতুন ধ্যান-ধাৰণাৰে প্ৰতিবিম্ব ফুটাই তুলিছে। অৱশ্যে ইয়াকে অলপ ধেমালিৰ ছলেৰেহে কৰা হৈছে। এই নগেন্দ্ৰনাৰায়ণ চৌধুৰী, শৰৎ গোস্বামী, দণ্ডিনাথ কলিতা, নকুলচন্দ্ৰ ভূঞা আদি আৰম্ভীকালৰ গল্পকাৰসকলৰ ৰচনাতো আমি নব্যভাৰতৰ পশ্চিমীয়া আদৰ্শত গঢ়ি উঠা মানসিকতাৰ চিত্ৰ ফুটি উঠা দেখিবলৈ পাওঁ। তেওঁলোকৰ গল্পবিলাকত নতুন পদ্ধতিৰ উচ্চ শিক্ষা লোৱা, বিদেশ-বিভূঁইত ঘুৰি ফুৰা অলেখ মানুহৰ মানসিক দ্বন্দ্ব দেখিবলৈ পোৱা যায়। এইবিলাক মানুহেই এখন ভাৰতৰ ধাৰণা বাস্তৱ কৰি তোলাত কণ কণকৈ ৰকগুণি যোগাইছে।

সমাজ-সংস্কাৰৰ আদৰ্শ দাঙি ধৰা কাহিনী অসমীয়া সাহিত্যত বহতো দেখা যায়। প্ৰাচীন কালতো ধৰ্ম্মৰ সহায়ত আধ্যাত্মিক তথা সামাজিক সংস্কাৰৰ কাম কৰা হৈছিল আৰু তেনে প্ৰচেষ্টাৰ উদাহৰণ শ্ৰীশঙ্কৰদেৱৰ নিচিনা সংস্কাৰক কৱিৰ ৰচনাৱলীত আছে। কিন্তু আধুনিক যুগৰ সমাজ সচেতনতা এটা পৃথক পৰ্য্যায়ৰ প্ৰচেষ্টা। বহু যুগৰ সঞ্চিত অন্যায় আৰু কুসংস্কাৰৰ অৱসান ঘটাবলৈ সক্ৰিয় প্ৰচেষ্টা এই যুগতহে প্ৰথমে কৰিবলৈ লোৱা হয়। আশ্ৰম পাতি এই কাম কৰাটো এটা ঐতিহ্য হব পাৰে; কিন্তু সেৱা কাৰ্য্যৰ সংগঠনতে আত্মোৎসৰ্গ কৰাটো নিশ্চয় অভিনৱ। গান্ধীজীৰ সেৱাৰ আন্দোলন আৰু বৰ্ণ-বৈষম্য ত্যাগৰ আদৰ্শই সমগ্ৰ দেশকে স্বাধীনতা সংগ্ৰামৰ লগে লগে আলোড়িত কৰি তুলিলে। প্ৰায় সকলো প্ৰাদেশিক সাহিত্যতে এই আলোড়নৰ প্ৰতিচ্ছবি ফুটি উঠিছে। প্ৰেম চন্দৰ হিন্দী গল্প-উপন্যাসত প্ৰথমে দণ্ডিনাথ কলিতা আৰু দৈৱচন্দ্ৰ তালুকদাৰে এই আদৰ্শত উদ্ভুত হোৱাৰ উদাহৰণ দাঙি ধৰে। কলিতাৰ "সাধনা" উপন্যাসৰ নায়ক দীনবন্ধু আৰু "আবিস্কাৰৰ" নায়ক মাধৱ দুয়োজন সক্ৰিয় সমাজসেৱী; তেওঁলোকে সমাজৰ প্ৰচলিত কুৰীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰি সংস্কাৰৰ বাট মুকলি কৰি যাব খুজিছে। তালুকদাৰৰ "অপূৰ্ণ" উপন্যাসত দুটা প্ৰধান চৰিত্ৰই মাদক-দ্ৰব্য আৰু বিদেশী বস্ত্ৰ বৰ্জ্জনৰ লেখিয়া আদৰ্শত অনুপ্ৰাণিত হৈ গান্ধীবাদী সমাজ-সংস্কাৰৰ পথেৰে আগুৱাই যাবলৈ চেষ্টা কৰিছে; তালুকদাৰে সমাজৰ তথাকথিত তল খাপৰ মানুহৰ প্ৰতি সমবেদনাৰ ভাব প্ৰকাশ কৰিছে আৰু গান্ধীজীৰ যঁতৰৰ আন্দোলনৰ প্ৰতি সঁহাৰি দিছে। "সাধনা" সম্পৰ্কে ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মাই মন্তব্য কৰিছে যে ইয়াত "আধুনিক শিক্ষাৰ মুখা পিন্ধা সমাজৰ তথাকথিত নেতা এক শ্ৰেণীৰ বিভৎসতাৰ স্বৰূপ উদঘাটন কৰাত আৰু নাৰীৰ সামাজিক মৰ্য্যাদা স্বীকাৰ কৰি উপযুক্ত স্থান দিয়াত এই উপন্যাসৰ ভূমিকা অনস্বীকাৰ্য্য।" এই ধৰণৰ সমাজ-সচেতনতা পিচৰ বহুতো ডেকা লেখকৰ ৰচনাত দেখিবলৈ পোৱা যায়। সঁচা কথা ক'বলৈ গলে উল্লেখযোগ্য নহলেও আশ্ৰম বা তেনে কোনো সুসংগঠিত অনুষ্ঠান পাতি গাৱঁৰ সংস্কাৰ সাধন কৰিবলৈ লোৱাৰ আদৰ্শ সৰহ সংখ্যক ডেকা ঔপন্যাসিকৰে আহি স্বৰূপ হৈ পৰাও দেখিবলৈ পোৱা যায়। ইয়েই প্ৰমাণ কৰে, সমাজসেৱাৰ সৰ্ব্বভাৰতীয় আন্দোলনে সৰ্ব্বসাধাৰণ লোকৰ মনত কিমান দ-কৈ শিপাই গৈছে। মহম্মদ পায়াৰৰ সাম্প্ৰদায়িক, সম্প্ৰীতিৰ আদৰ্শ আৰু হিতেশ ডেকাৰ গাওঁ সংগঠনৰ চিত্ৰসমূহ এই সৰ্ব্বগ্ৰাসী আলোড়নৰে প্ৰতিবিম্ব মাথোন।

উল্লেখযোগ্য যে এইবিলাক কাহিনীত পোনপটীয়াকৈ ৰাজনৈতিক আন্দোলনৰ কথা নাই। অথচ সমাজ-সংস্কাৰৰ আন্দোলন ৰাজনৈতিক আন্দোলনৰ অঙ্গাঙ্গীভাৱেই চলোৱা হৈছিল। বোধহয় লেখকসকল সক্ৰিয় ৰাজনীতিৰ পৰা আঁতৰত থকা কাৰণেই এনে হৈছে। কেৱল বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যইহে "ৰাজপথে ৰিঙিয়ায়" আৰু "ইয়াৰুইংগম" উপন্যাসত ৰাজনৈতিক আন্দোলনৰ কথা প্ৰত্যক্ষভাৱে আলোচনা কৰিছে; কেইটামান চুটি গল্পতো তেওঁ আৰু আব্দ্‌ল মালিকে ৰাজনৈতিক আন্দোলনৰ পৰিপ্ৰেক্ষিতত সামাজিক অৱস্থাৰ প্ৰতিচ্ছবি ফুটাই তুলিছে। ভট্টাচাৰ্য্যৰ নায়কসকলে অনুভৱ কৰিছে যে সৰ্ব্বসাধাৰণ ৰাইজে বুকুৰ তেজ দি লাভ কৰা স্বাধীনতাই তেওঁলোকৰ আশা-আকাঙ্ক্ষা পূৰণ কৰিব পৰা নাই, ৰাইজে এনেকুৱা অসম্পূৰ্ণ স্বাধীনতা বিচৰা নাছিল। অসমৰ পটভূমিতে তেওঁৰ কাহিনী ৰচিত হলেও, এই ধাৰণা কেৱল অসমৰ মানুহৰ নহয়, ই সৰ্ব্বভাৰতৰ ধাৰণা বুলিহে দাঙি ধৰিব খোজা হৈছে। অব্দ্‌ল মালিকে "ৰেলৰ আলিৰ দুবৰি বন", "কেইটামান পকৰা" আদি গল্পত সামাজিক উৎপীড়নৰ বিৰুদ্ধে সচেতনতাৰ ইঙ্গিত দিছে। এই সচেতনতাৰ আহি ত্ৰৈলোক্য গোস্বামীৰ গল্পৰাজিৰো প্ৰধান বৈশিষ্ট্য। ভিক্ষাৰিণী, ৰাজনৈতিক নিৰ্য্যাতিত, পতিতা, জাৰজ সন্তান আদিৰ প্ৰতি তেওঁৰ সহানুভূতি যেনেকৈ নতুন আদৰ্শেৰে অনুপ্ৰাণিত, তেনেকৈ সেইবিলাক চৰিত্ৰৰ উদ্ধাৰৰ পথ নিৰ্দ্ধাৰণো সমাজ সংস্কাৰৰ ভাবেৰে উদ্বুদ্ধ। পতিতাক নিৰ্ভীকভাৱে সহায় কৰি নাইবা বিধৱাক পত্নীৰূপে গ্ৰহণ কৰি তেওঁৰ গল্পৰ নায়কে সমাজ-ব্যৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহ কৰাও দেখা যায়।

পৰ্ব্বত-ভৈয়ামৰ সম্প্ৰীতি স্থাপনৰ আন্দোলনো নব্য ভাৰত গঢ়িব খোজা প্ৰচেষ্টাৰে অঙ্গস্বৰূপ। কিয়নো ইয়াৰ আগতে এনে ধৰণৰ সক্ৰিয় প্ৰচেষ্টা এই ক্ষেত্ৰত কাহানিও কৰা হোৱা নাছিল। অসমৰ গাতে লাগি থকা জনজাতীয় জীৱনলৈ সাহিত্যৰ যোগেদি ভালদৰে প্ৰথমে চকু দিয়ে ৰজনীকান্ত বৰদলৈয়ে। "মিৰি-জীয়ৰী" উপন্যাসত মিছিং সমাজৰ লগত অন্যান্য লোকৰ সম্পৰ্কটো আওপকীয়াকৈ ফুটি উঠিছে। শৰৎ গোস্বামী আৰু নগেন্দ্ৰ চৌধুৰীৰ কেইটিমান গল্পতো জনজাতীয় জীৱনক ফুটাই তোলা হৈছে। বীৰেন ভট্টাচাৰ্য্যৰ ভালেমান গল্পতে পাৰ্ব্বত্য জনজাতিৰ মানসিক অৱস্থাৰ সুন্দৰ ছবি ফুটি উঠিছে। তেওঁ "ইয়াৰুইংগম" উপন্যাসত নগাসকলৰ সক্ৰিয় ৰাজনৈতিক আন্দোলন বৰ্ণনা কৰিছে আৰু তাৰ জৰিয়তে তেওঁলোকৰ সামাজিক সংঘাতৰ পৰিচয় দিছে। মন কৰিব লগীয়া যে পৰ্ব্বতৰে হওক, ভৈয়ামৰে হওক, কোনো এটা চৰিত্ৰৰ যোগেদি উভয় অঞ্চলৰ মাজত এটা সংযোগ স্থাপনৰ চেষ্টা ভট্টাচাৰ্য্যৰ কাহিনীত দেখিবলৈ পোৱা হয়। এটা গল্পত নেতাজীৰ প্ৰতি পৰ্ব্বত-ভৈয়াম উভয়ৰে দুজন ডেকা অনুগামীৰ অনুৰাগৰ কথা কৈ সৰ্ব্বভাৰতীয় আদৰ্শ অনুভৱ কৰা হৈছে।

এইদৰে দেখা যায় যে অসমীয়া সাহিত্যত ভাৰতীয় একাত্মবোধৰ ভাবটো পোনপটীয়াকৈ ব্যক্ত নহলেও আওপকীয়াকৈ নিজকে এজন ডাঙৰ লোক বুলি অনুভৱ কৰাটো বহু ঠাইতে ওলাই পৰিছে। লক্ষ্মীধৰ শৰ্ম্মাৰ প্ৰখ্যাত "ছিৰাজ" গল্পৰ সাম্প্ৰদায়িক সম্প্ৰীতিৰ আদৰ্শকো এইপিনৰ পৰাই সৰ্ব্বভাৰতীয় আন্দোলনৰ অংশ বুলিব পাৰিব, কাৰণ তেওঁ সামাজিক আন্দোলনত নিজেই সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল, যাৰ উদাহৰণ তেওঁৰ অন্যান্য ৰচনাতো আছে।

# কবি-প্ৰকৃতি

**শ্ৰীজীৱনচন্দ্ৰ শৰ্ম্মা**

প্ৰাচীন পণ্ডিতসকলে 'কবি' শব্দৰ সংজ্ঞা দাঙি ধৰিবলৈ গৈ কৈছে—'যিসকলে শব্দৰ দ্বাৰা ৰস ভাব আদিক প্ৰকাশ কৰে সেয়ে 'কবি'। পৌৰাণিক শাস্ত্ৰসমূহত ক্ৰান্তদৰ্শী ঋষিসকলকো কবি বোলা হৈছে। ইংৰাজীত আকৌ কবি (Poet) 'A Priest of the Divine World' বুলি আখ্যাত হৈছে। পণ্ডিতসকলে 'কবি'ৰ সংজ্ঞা দাঙি ধৰিবলৈ গৈ কোৱা এইবিলাক কথাৰ ভিতৰতে কবিৰ প্ৰকৃতি কেনেকুৱা বুজিব পাৰি।

বিধাতাৰ সৃষ্টিত মানুহৰ হৃদয় চঞ্চল কৰিব পৰা অনেক কাৰ্য্য ঘটিব লাগিছে। কিন্তু সেই সকলো ঘটনাই সকলোৰে মনত একেদৰে আলোড়ন কৰিব নোৱাৰে; আৰু কৰিলেও তাক তেওঁলোকৰ ভাষাৰে আনৰ মনত লগাকৈ প্ৰকাশ কৰিব নোৱাৰে। কিন্তু যিসকল কবি তেওঁলোকৰ অন্তৰত বিশ্বসংসাৰত সংঘটিত সকলো তাণ্ডৱ-সক, ভাল-বেয়া, সুখ-দুখৰ ঘটনাই সাঁচ বহুৱায় আৰু নিজৰ অসাধাৰণ প্ৰতিভাৰ ফলত তাক জগতৰ আগত প্ৰকাশ কৰে। আমাৰ সৰ্ব্বসাধাৰণৰ গাত কবিসকলত থকা এই অসাধাৰণ আত্মপ্ৰকাশৰ ইচ্ছা থাকিলেও কবিতাৰ যোগেদি তাক সমাজক জনাব নোৱাৰোঁ। অগ্নি পুৰাণত কবি সম্বন্ধে উক্ত এটি সুন্দৰ প্ৰশস্তি বাণী আছে। তাৰ মতে—এই সংসাৰত মনুষ্য জন্ম দুৰ্ল্লভ, বিদ্যালাভ কৰাটো তাতোকৈ কঠিন, কবি হোৱাটো তাতোকৈ টান, কবিত্ব শক্তি লাভ কৰাটো অতি সুকঠিন ("নৰত্বং দুৰ্ল্লভং লোকে বিদ্যাতত্ৰ সুদুৰ্ল্লভা। কবিত্বং দুৰ্ল্লভং তত্ৰ শক্তিস্তত্ৰ সুদুৰ্ল্লভা" ইতি)।

কবিসকলে কবিত্ব শক্তি লাভ কৰাৰ গুৰিতে এক ঐশী প্ৰেৰণা আছে বুলি বহুতৰে ধাৰণা। আদি কবি বাল্মীকিৰ কাব্য সৃষ্টিৰ মূলত যি আখ্যান শুনা যায় তাতো এই ঐশী প্ৰেৰণাৰ আভাস পোৱা যায়। মহাকবি কালিদাসেও হেনো এইদৰে ঐশী শক্তিৰ প্ৰেৰণা পাইহে কাব্য সৃষ্টিত প্ৰবৃত্ত হয়। হোমাৰৰ 'ইলিয়াড' আৰু 'ওডিচি'ত যি নিউজ বা বাণী-বন্দনা আছে তাতো মহাকবি ঐশী প্ৰেৰণাৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল বুলি বুজিব পাৰি। আনকি অপেক্ষাকৃত আধুনিক কালতো একাধিক বিশ্ববিশ্ৰুত কবিয়েও এই ঐশী প্ৰেৰণাৰ কথা উল্লেখ কৰিছে। কবি ওৱৰ্ডচৱৰ্থ-এ এই ঐশী প্ৰেৰণাৰ কথা এঠাইত এইদৰে কৈছে—"There was a time in my life when I had to push against something that resisted; to be sure that there was anything outside me, I was sure of my own mind; everything else fell away and vanished into thought." চেলীয়েও এই কথা স্বীকাৰ কৰি এইদৰে কৈছে—"Poetry is indeed something divine........A man cannot say, I will compose poetry". উইলিয়ম ব্লেকৰ মতেও কবি দিব্য-দৃষ্টিসম্পন্ন; এটা বিশেষ মুহূৰ্ত্তত তেওঁলোকে কবিতা ৰচনা কৰে—The poet's work is........ done within a moment. কবিগুৰু ৰবীন্দ্ৰ নাথেও তেওঁৰ 'জীৱন স্মৃতি'ত এই বিষয়ৰ অভিজ্ঞতাৰ স্পষ্ট বৰ্ণনা কৰিছে।

অৱশ্যে সকলো কবিয়ে যে কেৱল ঐশী প্ৰেৰণা পাই লাভ কৰা প্ৰতিভাৰেহে কাব্য ৰচনা কৰে—এনে ধাৰণাক আমি বদ্ধমূলভাৱে লোৱাটো উচিত নহব। সাহিত্যাচাৰ্য্য দণ্ডীয়ে এই ক্ষেত্ৰতে উল্লেখ কৰা তলৰ উক্তিটো মন কৰিবলগীয়া:

"ন বিদ্যতে যদ্যপি পূৰ্ব্ববাসনা  
গুণানুবন্ধি প্ৰতি-ভাগমদ্ভুতম্।  
শ্ৰুতেন যত্নেন চ বাগুপাসিতা  
বিদগ্ধ গোষ্ঠীষু বিহৰ্তুমীশতে ॥" (কাব্যাদৰ্শ)

অৱশ্যে স্বীকাৰ কৰিব লাগিব যে—কবিসকলে প্ৰেৰণা লৈয়েই কবিতা ৰচনা কৰক নতুবা অধ্যয়নৰ ঐশী অনুশীলন কৰিয়েই কবিতা ৰচনা কৰক—দুয়োটাই তেওঁলোকৰ অসাধাৰণ কাৰ্য্য। এই সৰ্ব্বসাধাৰণে কৰিব নোৱাৰা অসাধাৰণ কাৰ্য্য সম্পাদন কৰি সমাজক উপভোগ কৰিবলৈ দিয়ে বুলিয়েই কবিসকল সমাজৰ পূজাৰ্হ।

যদিও কবিয়ে— "ৰাজ দৰবাৰত  
নাই নিমন্ত্ৰণ  
বুদ্ধি-ভাৰসা নোযোগে হায়!  
সকলোৱে কৰে  
কবিকে গোপন  
কবিৰ আসন  
সভাত নাই।"  
(শেৱালি)

এইবুলি আক্ষেপ কৰে, তথাপি সমাজে কবিক সকলো কালতেই উচ্চ আসন দি আহিছে। কবি সকলোৰে আপোন। তেওঁৰ আগত কোনেও একো গোপন কৰি নাৰাখে। সেয়েহে তেওঁ মানুহৰ কথাকে নকওঁ সাধাৰণ জীৱ-জন্তুৰো অন্তৰৰ নিভৃততম কোণত লুকাই থকা ভাব অনুভাবকো ধৰা পেলাব পাৰে।

কবিৰ জগতখনৰ লগত অন্তৰঙ্গতা আছে। সেয়েহে প্ৰকৃতিৰ প্ৰত্যেক বস্তু তেওঁলোকৰ হৃদয় ফলকত প্ৰতিফলিত হয়। তেওঁলোকৰ অন্তৰ পূৰ্ণ-শশীৰ জ্যোৎস্নাৰ দৰে নিৰ্ম্মল, নৱনী যেন কোমল; আমাৰ দৰে ধূলি-মাকতিৰে পৰিপূৰ্ণ নহয়। সেয়েহে অকবিক সম্বোধন কৰি কবিয়ে সোধে

"মোক যে সদায় সকিয়াই থাকে প্ৰকৃতি খনে  
তোমাক নো একো বাতৰি তাৰ নিদিয়ে নে?

নকৰে তোমাক বকুলে আকুল  
তোমাৰ মনত বনৰ ফুল  
নাইহে এদিনো লগাই ভুল?  
নাগায় কোকিলে গান?  
জোনৰ মধুৰ হাঁহিৰ ৰেখা  
মেঘৰ আঁৰেদি নোপোৱা দেখা  
নজলে বিজুলী আবেগ লেখা  
নকপে তবাৰ প্ৰাণ?"  
(শেৱালি)

পৌৰাণিক শাস্ত্ৰকাৰসকলে কবিৰ প্ৰশংসা কৰিবলৈ গৈ তেওঁক অপাৰ কাব্য সংসাৰৰ প্ৰজাপতি বুলি অভিহিত কৰিছে। কবিয়ে ইচ্ছা কৰিলে নিজৰ ৰুচি অনুসাৰে প্ৰাকৃত জগতৰ ৰূপ পৰিবৰ্ত্তন কৰিব পাৰে।

"অপাৰে কাব্য-সংসাৰে কবিৰেৰ প্ৰজাপতিঃ।  
যথাস্মৈ ৰোচতে বিশ্বং তথেদং পৰিবৰ্ত্ততে ॥"  
(অগ্নি-পুৰাণ)

কবিয়ে অসুন্দৰক সুন্দৰ কৰে; শ্ৰদ্ধা উপেক্ষিত জনক শ্ৰদ্ধাবান কৰি তোলে, ভয়ানক বস্তুকো

প্ৰেমাচ্ছাদনেৰে আবৃত কৰে। মানুহৰ ভৰিৰ গছকত হাড় মূৰ ভাঙি যোৱা বাটৰ ছবৰি বন ডালিয়েও কবিক স্বৰ্গৰ বতৰা দিয়ে। ৰূপহীন ক্ষুদ্ৰাদপি ক্ষুদ্ৰ চৰাই এটিকো কবিয়ে আপোন কৰি কয় —"প্ৰিয়ে তয়ে মোৰ অতি প্ৰাণ প্ৰিয়"। মৃত্যুৰ দৰে নিষ্ঠুৰ বস্তুও কবিৰ প্ৰেমাস্পদ হৈ উঠে। তেওঁৰ মতে মৰণে জগতৰ অসুখ-অশান্তি আঁতৰ কৰি শান্তি বাৰি ছটিয়াই দিয়ে।

> "করুণা মণ্ডিত শ্যামল সুন্দৰ স্নিগ্ধ হেম কান্তি
> মঙ্গল দেৱতা, নিত্য বৰষিছা প্ৰেম সুধা শান্তি।
> শোক দুখ তাপ দগ্ধ জৰ্জৰিত প্ৰাণী জগতত,
> শীতল তোমাৰ বিস্মৃতি প্ৰলেপ শোভিছে হাতত।"
>
> (৺লক্ষ্মীধৰ শৰ্ম্মা)

কবিৰ কাব্যত মৰণ প্ৰেমৰ এনে লীলা দেখি মৰিবলৈ কাৰণো লোভ নহব ?

কবিয়ে এইদৰে আমাক যাক নীচ বুলি উপেক্ষা কৰিছোঁ—তাক শ্ৰদ্ধা কৰিবলৈ, যাৰ প্ৰতি উদাসীন তাক সামৰি আপোন কৰি লবলৈ, যি ঘৃণনীয় তাক প্ৰেম-প্ৰীতিৰে প্লাবিত কৰিবলৈ উপদেশ দিয়ে। মুঠতে কবি এই তমসাচ্ছন্ন সংসাৰত আঁৰিয়া-স্বৰূপ। তেওঁ দেখুৱাই দিয়া জোৰৰ পোহৰতহে আমি সংসাৰ যাত্ৰাত অগ্ৰসৰ হব পাৰো।

কবিৰ কাব্য কেৱল আম-কঠাল আদিৰ দৰে এটা সাময়িক উপভোগৰ বস্তুৱেই নহয়; ইয়াৰ পৰা আমাৰ স্থায়ী ৰসো আস্বাদিত হয়। কবিৰ কাব্যৰ আলোকত আমি সদায় দেখি থকা বস্তুবিলাককো নতুন ৰূপত দেখিবলৈ পাওঁ। মেঘ আমি সদায় দেখিছোঁ, কিন্তু তাত উপভোগৰ বস্তুহে আমি বিচাৰি নেপাওঁ। কিন্তু যি এবাৰ মহাকবিৰ 'মেঘদূত'ৰ ৰস পান কৰিছে তেওঁ এই নীৰস মেঘৰ ওপৰত আলোক পাত কৰিয়েই আনন্দ উপভোগৰ সামগ্ৰী গোটাই লব পাৰিব। কাব্য অধ্যয়ন কৰিলে অকল যে ৰসবোধ আৰু সৌন্দৰ্য্যবোধহে আমাৰ বাঢ়ে এনে নহয়, সৌন্দৰ্য্য সৃষ্টি কৰিবৰ শক্তিও আমাৰ অন্তৰত সঞ্চাৰিত হয়। কবিয়ে কাব্যৰ যোগেদি জগতৰ আগত আগ বঢ়োৱা অনুদানৰ মূল্যাঙ্কণ কোনো জাগতিক বস্তুৱেই কৰিব নোৱাৰি। এই কাৰণতে কবিসকলৰ ওচৰত আমি গোটেই মানৱ সমাজেই ঋণী।

---

( বিঃ দ্ৰঃ—প্ৰবন্ধটো যুগুত কৰোঁতে এই কেইখন কিতাপৰ সহায় লোৱা হৈছে—১। সাহিত্য দৰ্পণ—edited by K. Roy; ২। সাহিত্য দৰ্পণ—বিশ্বনাৰায়ণ শাস্ত্ৰী; ৩। সাহিত্য দৰ্শন —মনোৰঞ্জন শাস্ত্ৰী; ৪। সাহিত্য-কথা মজুমদাৰ; ৫। সাহিত্য প্ৰসঙ্গ —কালিদাস ৰায়; ৬। কবিতাৰ কথা —সৰকাৰ ৭। An Introduction to the study of literature—Hudson. )

## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকা বছেৰেকত চাৰিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰ পৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৪'০০আগধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ সভ্যৰ কাৰণে বছেৰেকীয়া বৰঙণি ৩'০০।

৩। সাহিত্য সভা পত্ৰিকাত প্ৰকাশৰ বাবে পঠোৱা প্ৰবন্ধ আদি কাগজৰ এপিঠিত ফটফটীয়াকৈ লেখি শ্ৰীযোগেশ দাস, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, চেনিকুঠী গুৱাহাটী—এই ঠিকনাত পঠায় যেন। সকলো টকাকড়ি আৰু কাকত সম্পৰ্কে "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, যোৰহাট"—এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিব পৰা নহয়।

৫। সাহিত্য-সংস্কৃতিবিষয়ক মৌলিক আলোচনা আৰু গৱেষণামূলক প্ৰবন্ধ আদিয়েহে ঘাইকৈ ইয়াত ঠাই পাব।

ইং ১৯৬৬

সম্পাদক

যোগেশ দাস

অসম সাহিত্য সভাৰ হৈ পত্ৰিকা সম্পাদক শ্ৰীযোগেশ দাসৰ দ্বাৰা সম্পাদিত, কংগ্ৰেছ প্ৰেছত ( গুৱাহাটী—৩ )মুদ্ৰিত আৰু